৬ষ্ঠ বৰ্ষ, দ্বাবিংশ সংখ্যা

১৬-৩১ মে’ ২০২৬

বিনামূলীয়া বিতৰণৰ বাবে

# নিউ ইণ্ডিয়া সমাচাৰ

भारत की जनगणना

2027

CENSUS OF INDIA

जनगणना से जन कल्याण

## লোকপিয়লে দেশৰ প্ৰগতি সমৃদ্ধ কৰে

লোকপিয়লৰ এক বিশেষ ৰাষ্ট্ৰীয় তাৎপৰ্য আছে; ইয়াৰ তথ্যই অনাগত বছৰবোৰৰ বাবে আমাৰ নীতি আৰু কাৰ্যসূচীসমূহ গঢ় দিয়াৰ ভেটি স্থাপন কৰিব। গতিকে নিৰ্ভৰযোগ্য তথ্য প্ৰদান কৰাটো প্ৰতিজন নাগৰিকৰ কৰ্তব্য

ই-কপিৰ বাবে

আমাক অনুসৰণ কৰক @NISPIBIndia

# ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত অসামৰিক পাৰমাণৱিক কাৰ্যসূচীৰ অমূল্য অৱদান



*জনপ্ৰিয় ৰেডিঅ' অনুষ্ঠান 'মন কী বাত'ৰ ১৩৩ সংখ্যক খণ্ডৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পুনৰবাৰ ভাৰতৰ লগতে সমগ্ৰ বিশ্বৰ মানুহৰ সৈতে নিজৰ চিন্তাধাৰা ভাগ-বতৰা কৰে। ২৬ এপ্ৰিলত প্ৰচাৰিত এই সম্প্ৰচাৰত তেওঁ বিজ্ঞান, প্ৰযুক্তি, আৰু ৰাষ্ট্ৰৰ কৃতিত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে দেশৰ প্ৰগতিৰ ক্ষেত্ৰত বিজ্ঞানীসকলৰ ভূমিকাক তেওঁ প্ৰশংসা কৰে। তেওঁ বায়ু আৰু সৌৰশক্তিৰ দৰে খণ্ডসমূহত দেশৰ ক্ৰমবৰ্ধমান শক্তিৰ বিষয়ে আলোকপাত কৰে। ইয়াৰ উপৰিও তেওঁ লোকপিয়ল অভিযানকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত ভাষণ দিয়ে। 'মন কী বাত'ৰ পৰা সম্পাদিত উদ্ধৃতিসমূহ ইয়াত উপস্থাপন কৰা হৈছে...*

- **পাৰমাণৱিক কাৰ্যসূচী:** ভাৰতে সদায় বিজ্ঞানক দেশৰ প্ৰগতিৰ সৈতে সংযোগ কৰা বুলিয়েই বিবেচনা কৰি আহিছে। এই দৃষ্টিভংগীৰে আমাৰ বিজ্ঞানীসকলে অসামৰিক পাৰমাণৱিক কাৰ্যসূচীক আগুৱাই লৈ গৈছে। তেওঁলোকৰ এই প্ৰচেষ্টাই পাৰমাণৱিক প্ৰযুক্তিৰ উন্নতিৰ জৰিয়তে বহনক্ষম শক্তিৰক্ষেত্ৰত সমাধান প্ৰদান আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা বৃদ্ধি কৰি ৰাষ্ট্ৰ নিৰ্মাণত উল্লেখযোগ্য অৱদান আগবঢ়াইছে।

- **ক্ৰিটিকেলিটি অৰ্জন:** আমাৰ পাৰমাণৱিক বিজ্ঞানীসকলে আন এক বৃহৎ সাফল্যৰে ভাৰতৰ গৌৰৱ বৃদ্ধি কৰিলে। তামিলনাড়ুৰ কল্পকামত থকা ফাষ্ট ব্ৰিডাৰ ৰিয়েক্টৰে ক্ৰিটিকেলিটী অৰ্জন কৰিছে। আচলতে ক্ৰিটিকেলিটী হ'ল সেই পৰ্যায় য'ত এটা ৰিয়েক্টৰে প্ৰথমবাৰৰ বাবে সফলতাৰে স্ব-নিৰ্ভৰশীল পাৰমাণৱিক শৃংখলাবদ্ধ বিক্ৰিয়াৰ শক্তি লাভ কৰে।

- **বায়ু শক্তিঃ** বায়ু শক্তিয়ে ভাৰতৰ উন্নয়নৰ এক নতুন পটভূমি ৰচনা কৰিছে। শেহতীয়াকৈ ভাৰতে বায়ু শক্তিৰ ক্ষেত্ৰত এক বৃহৎ মাইলৰ খুঁটি অৰ্জন কৰিছে; দেশখনৰ বায়ু শক্তি উৎপাদন ক্ষমতাই এতিয়া ৫৬ গিগাৱাট অতিক্ৰম কৰিছে।

- **দলীয় গৌৰৱ:** ফ্ৰান্সৰ বৰ্ডোত অনুষ্ঠিত ইউৰোপীয় ছোৱালীৰ গাণিতিক অলিম্পিয়াডত আমাৰ কন্যাসকলে এতিয়ালৈকে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়ায়। এই প্ৰতিভাৱান দলটোক লৈ মই অসীম গৌৰৱ অনুভৱ কৰিছো। আমাৰ দলটোৱে বিশ্বজুৰি ষষ্ঠ স্থান দখল কৰিবলৈ সক্ষম হৈছে।

- **বুদ্ধদেৱৰ শিক্ষাঃ** ভগৱান গৌতম বুদ্ধৰ জীৱনৰ বাৰ্তা আজিও আগৰ দৰেই প্ৰাসংগিক হৈ আছে। তেওঁ আমাক শিকাইছে যে শান্তি আমাৰ ভিতৰতে আৰম্ভ হয়; তেওঁ আমাক কৈ গৈছে যে নিজৰ ওপৰত জয়লাভ কৰাটোৱেই আটাইতকৈ ডাঙৰ জয়। আজি বিশ্বই যি উত্তেজনা আৰু সংঘাতপূৰ্ণ সময়ৰ মাজেৰে পাৰ হৈ আহিছে, তাৰ মাজতে বুদ্ধৰ শিক্ষা আৰু অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে।

- **পৰম্পৰাৰ গৌৰৱ:** প্ৰথমবাৰৰ বাবে বিটিং ৰিট্ৰিটৰ সংগীত ৰেভছ অ'টিটিতো উপলব্ধ হৈছে। ভৱিষ্যতে আন প্লেটফৰ্মতো উপলব্ধ হ'ব-আপুনি নিশ্চয় শুনিব। আমাৰ সশস্ত্ৰ বাহিনী আৰু তেওঁলোকৰ পৰম্পৰাক লৈ আপুনিও অতি গৌৰৱ অনুভৱ কৰিব পাৰিব।

- **বৰ্ধিত সংৰক্ষণ:** ছত্তীশগড়ত পুনৰ আবিৰ্ভাৱ হ'বলৈ আৰম্ভ কৰিছে ক'লা হৰিণৰ। ইহঁতৰ সংখ্যা বহু পৰিমাণে হ্ৰাস পাইছিল যদিও অবিৰত প্ৰচেষ্টাৰ ফলত সংখ্যা বৃদ্ধি কৰাত সফলতা পোৱা গৈছে। আজি আকৌ এবাৰ ইয়াক মুকলি পথাৰত ঘূৰি ফুৰা দেখা গৈছে। গ্ৰেট ইণ্ডিয়ান বাষ্টাৰ্ড গোদাবনৰ সংৰক্ষণৰ ক্ষেত্ৰতো একেধৰণৰ আশাৰ সঞ্চাৰ হোৱা দেখা গৈছে।

- **বাঁহ খণ্ডত উত্তৰ-পূবৰ সফলতা:** এসময়ত যিটো বোজা হিচাপে গণ্য কৰা হৈছিল, ২০১৭ চনত আইন সংশোধনীৰ জৰিয়তে বাঁহক 'গছ'ৰ শ্ৰেণীৰ পৰা আঁতৰাবলৈ শ্ৰেণীভুক্ত কৰা হৈছিল। তেতিয়াৰ পৰাই বাঁহ খণ্ডই নিয়োগ, বাণিজ্য, উদ্ভাৱনৰ ক্ষেত্ৰত নৱীকৃত গতি লাভ কৰিছে। আমাৰ মাতৃ আৰু ভগ্নীসকলে এই খণ্ডত প্ৰাথমিক হিতাধিকাৰী হিচাপে আত্মপ্ৰকাশ কৰিছে।

- **বিশেষ পৰ্টেল:** ৰাষ্ট্ৰীয় আৰ্কাইভে এটা নিৰ্দিষ্ট পৰ্টেলত এক অনন্য ডাটাবেছ শ্বেয়াৰ কৰিছে। এই প্ৰতিষ্ঠানটোৱে ২০ কোটিৰো অধিক অমূল্য নথি-পত্ৰ ডিজিটেলাইজ কৰি ৰাজহুৱা কৰিছে। আপোনালোক সকলোকে www.abhilekh-patal.inত চাবলৈ আহ্বান জনাইছো।

- **২০২৭ চনৰ লোকপিয়ল:** ৰাষ্ট্ৰীয় লোকপিয়ল কেৱল চৰকাৰী কাম নহয়। আমাৰ সকলোৰে দায়িত্ব। আপোনাৰ অংশগ্ৰহণ অতি গুৰুত্বপূৰ্ণ। আহক, আহক আমি সকলোৱে এই প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰোঁ। আহক, ২০২৭ চনৰ লোকপিয়ল আমি সকলোৱে সফল কৰি তোলো।

- **স্থানীয়ৰ পৰা বিশ্বমঞ্চলৈ:** ভাৰতীয় সামগ্ৰীয়ে এতিয়া ৰাষ্ট্ৰীয় সীমা অতিক্ৰম কৰি সমগ্ৰ বিশ্বৰ বজাৰ আৰু ৰেষ্টুৰেণ্টসমূহত উপনীত হৈছে। আজি আমি "স্থানীয়ৰ পৰা বিশ্বমঞ্চলৈ "কৰা যাত্ৰাৰ কথা কওঁতে ভাৰতীয় পনিৰৰ উদাহৰণে এক পথ প্ৰদৰ্শক পোহৰ হিচাপে পৰিগণিত হৈছে, যিয়ে আগুৱাই যোৱাৰ পথ দেখুৱাইছে।

*মন কী বাত' শুনিবলৈ কিউআৰ ক'ড স্কেন কৰক।*

# নিউ ইণ্ডিয়া সমাচাৰ

ষষ্ঠ বৰ্ষ, সংখ্যা ২২, মে’ ১৬-৩১, ২০২৬

মুখ্য সম্পাদক
**ধীৰেন্দ্ৰ ওঝা**
মুখ্য সঞ্চালক প্ৰধান
প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰো, নতুন দিল্লী

জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক
**সন্তোষ কুমাৰ**

জ্যেষ্ঠ সহকাৰী পৰামৰ্শদাতা সম্পাদক
**পৱন কুমাৰ**

সহকাৰী পৰামৰ্শদাতা সম্পাদক
**অখিলেশ কুমাৰ**
**চন্দন কুমাৰ চৌধুৰী**

ভাষা সম্পাদক
**সুমিত কুমাৰ (ইংৰাজী)**
**ৰজনীশ মিশ্ৰ (ইংৰাজী)**
**নাদীম আহমেদ (উৰ্দু)**

জ্যেষ্ঠ ডিজাইনাৰ
**ফুল চন্দ তিৱাৰী**

ডিজাইনাৰ
**অভয় গুপ্তা**
**সত্যম সিং**





১৩টা ভাষাত উপলব্ধ নিউ ইণ্ডিয়া সমাচাৰ পঢ়িবলৈ ক্লিক কৰক
https: //newindiasamachar.pib.gov.in/news.aspx

নিউ ইণ্ডিয়া সমাচাৰৰ আৰ্কাইভ সংস্কৰণবোৰ পঢ়িবলৈ ক্লিক কৰক
https://newindiasamachar.pib.gov.in.archive.aspx

‘নিউ ইণ্ডিয়া সমাচাৰ’ৰ নিয়মীয়া আপডেটৰ বাবে টুইটাৰ @NISPIBIndia ত অনুসৰণ কৰক

# ভিতৰৰ পৃষ্ঠাসমূহত...




ভাৰতত লোকপিয়ল মানে কেৱল জনসংখ্যাৰ গণনা নহয়; বৰঞ্চ ই ভাৰতৰ সমগ্ৰ নীতি-নিৰ্ধাৰণ কাঠামোৰ মেৰুদণ্ড হিচাপে কাম কৰে। যদিও দশকীয়া লোকপিয়ল সাধাৰণতে প্ৰতিটো দশকৰ আৰম্ভণিতে অনুষ্ঠিত কৰা হয়- এইবাৰ ক’ভিড-১৯ৰ বাবে সেয়া পিছুৱাই গৈ ২০২৬ চনৰ এপ্ৰিল মাহৰ পৰা আৰম্ভ হ’ল, আৰু এতিয়া লোকপিয়লে আধুনিক প্ৰযুক্তি আৰু ডিজিটেল বিপ্লৱৰ প্ৰতীক হিচাপে থিয় দি ‘উন্নত ভাৰত’ৰ ভেটি স্থাপন কৰিবলৈ সাজু হৈছে। |৮-২৬

**প্ৰধানমন্ত্ৰী মোদীৰ উত্তৰ প্ৰদেশ ভ্ৰমণ**

গংগা এক্সপ্ৰেছৱে: নতুন সপোন আৰু সুযোগৰ দুৱাৰমুখ



প্ৰধানমন্ত্ৰী মোদীয়ে গংগা এক্সপ্ৰেছৱেকে ধৰি হাজাৰ হাজাৰ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্পৰাজ্যবাসীলৈ উছৰ্গা কৰে আৰু আধাৰশিলা স্থাপন কৰে |২৭-২৯





সংক্ষিপ্ত সংবাদ |৪-৫

খাদ্য সুৰক্ষা নিশ্চিতি
শস্য সংৰক্ষণ আঁচনিখনে দেশৰ অৰ্থনীতিক শক্তিশালী কৰিছে |৬-৭

নিউজিলেণ্ডলৈ ভাৰতীয় সামগ্ৰীৰ ৰপ্তানি শুল্কমুক্ত হৈ পৰিছে
ভাৰত-নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ |৩২-৩৫

ভাৰত: বিশ্ব অৰ্থনীতিৰ এটা মূল স্তম্ভ
কোৰিয়াৰ ৰাষ্ট্ৰপতিৰ ভাৰত ভ্ৰমণ |৩৬-৩৭

ব্যক্তিত্বঃ কুমুদিনী লাখিয়া
ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ এগৰাকী বিশিষ্ট প্ৰতিনিধি |৩৮




উত্তৰ-পূবে বিশ্ব পৰ্যটন আৰু সংস্কৃতিৰ কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে

ছিকিম ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৪,০০০ কোটিৰো অধিক মূল্যৰ উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন কৰে আৰু আধাৰশিলা স্থাপন কৰে |৩০-৩১


**Published:** Kanchan Prasad, Director General, on behalf of Central Bureau of Communication
**Communication Address :** Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003.

# সম্পাদকৰ মেজৰ পৰা...

# লোকপিয়ল ২০২৭

## ভাৰতৰ উন্নয়নৰ দিশলৈ কৰা যাত্ৰা...

নমস্কাৰ,

ভাৰতে আৰম্ভ কৰিছে লোকপিয়ল ২০২৭ -যি হৈছে বিশ্বৰ সৰ্ববৃহৎ জনগণনা। ইয়াৰ দ্বাৰাই দেশৰ আটাইতকৈ বিস্তৃত প্ৰশাসনিক আৰু পৰিসংখ্যাগত কাৰ্যসূচীৰ আৰম্ভণি সূচায়। সম্পূৰ্ণ ডিজিটেল ডাটা কেপচাৰ মেকানিজমৰ লগতে স্ব-গণনাকৰণৰ বৈশিষ্ট্য থকা এইটো ভাৰতৰ প্ৰথমটো লোকপিয়ল। প্ৰতিখন কল্যাণমূলক আঁচনি, প্ৰতিটো নিৰ্বাচনী সমষ্টি, আৰু প্ৰতিটো উন্নয়ন পৰিকল্পনা লোকপিয়লৰ তথ্যৰ ভিত্তিত তৈয়াৰ কৰা হয়। ভাৰতত ১৫০ বছৰতকৈও অধিক সময় ধৰি এই লোকপিয়ল চলি আহিছে। আধুনিক যুগত প্ৰথম সম্পূৰ্ণ লোকপিয়ল ১৮৮১ চনত ব্ৰিটিছ শাসনৰ অধীনত কৰা হৈছিল; তেতিয়াৰ পৰাই প্ৰতি দহ বছৰৰ মূৰে মূৰে চলি আহিছে এই লোকপিয়ল। ইয়াৰ পূৰ্বৰ লোকপিয়ল ২০১১ চনত হৈছিল, আৰু তাৰ পৰৱৰ্তী লোকপিয়ল ২০২১ চনত হোৱাৰ কথা আছিল। কিন্তু ক'ভিড-১৯ মহামাৰীৰ বাবে লোকপিয়ল পিছুৱাই দিব লগা হ'ল। ফলস্বৰূপে ২০২৭ চনৰ লোকপিয়লে বিশেষ তাৎপৰ্য্য গ্ৰহণ কৰিছে, কিয়নো ই দীৰ্ঘদিনীয়া বিৰতিৰ পিছত এক সতেজ জনগাঁথনিগত দৃশ্যপট উপস্থাপন কৰিব। এই লোকপিয়ল এইবাবেও উল্লেখযোগ্য কাৰণ স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে সামগ্ৰিক প্ৰক্ৰিয়াত জাতিগত লোকপিয়ল অন্তৰ্ভুক্ত কৰা হৈছে। ই সামাজিক সম্প্ৰীতি আৰু ন্যায়ৰ পোষকতাৰ দিশত এক নিৰ্ণায়ক পদক্ষেপ হিচাপে আত্মপ্ৰকাশ কৰিছে।

সহজ ভাষাত ক'বলৈ গ'লে লোকপিয়লত দেশ এখনৰ ভিতৰত প্ৰতিজন ব্যক্তিৰ গণনা আৰু ইয়াৰ লগত জড়িত আৰ্থ-সামাজিক তথ্য সংকলন কৰাটো জড়িত হৈ থাকে। এই দশকীয় প্ৰক্ৰিয়াই দেশখনত বাস কৰা মুঠ জনসংখ্যা, তেওঁলোকৰ বয়সৰ জনগাঁথনি, শিক্ষাগত অৰ্হতা, নিয়োগৰ অৱস্থা আৰু তেওঁলোকৰ কিমান পৰিমাণে বিভিন্ন সা-সুবিধা আছে-বা অভাৱ আছে-সেইবোৰ নিৰ্ণয় কৰাটো সহজ কৰি তোলে। লোকপিয়লৰ পৰা আহৰণ কৰা তথ্যই চৰকাৰী নীতি নিৰ্ধাৰণৰ বাবে মূল আধাৰ হিচাপে কাম কৰে। সকলো খণ্ডতে পৰিকল্পনা কৰাৰ বাবে- যেনে... পথ, শিক্ষা, স্বাস্থ্যসেৱা, পানী যোগান, গৃহ আৰু নিয়োগ-এই পৰিসংখ্যাৰ ওপৰত ভিত্তি কৰি হুবহু প্ৰণয়ন কৰা হয়। মূলতঃ এই তথ্যসমূহে নীতি আৰু আঁচনি প্ৰণয়ন আৰু উল্লেখ দুয়োটাতে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। লোকপিয়লৰ সফলতা কেৱল চৰকাৰী প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰশীল নহয়; জনসাধাৰণৰ অংশগ্ৰহণো সমানেই প্ৰয়োজনীয়। সঠিক আৰু সম্পূৰ্ণ তথ্য প্ৰদান কৰাটো প্ৰতিজন নাগৰিকৰ কৰ্তব্য। এয়া কেৱল প্ৰশাসনিক আনুষ্ঠানিকতা নহয় বৰঞ্চ ৰাষ্ট্ৰ-নিৰ্মাণৰ ক্ষেত্ৰত এক স্পষ্ট অৱদান। লোকপিয়ল ২০২৭- য'ত লোকপিয়লৰ প্ৰক্ৰিয়া, উদ্দেশ্য, গুৰুত্ব, উপযোগিতা আৰু উন্নত ৰাষ্ট্ৰ হিচাপে ভাৰতৰ বিকাশৰ দিশত তাৰ অৱদানৰ বিষয়ত আলোকপাত কৰা হৈছে - সেয়া আমাৰ এই সংখ্যাৰ প্ৰচ্ছদ নিবন্ধ হৈ পৰিছে।

তদুপৰি ব্যক্তিত্ব শিতানত ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ বিশিষ্ট প্ৰতিনিধি কুমুদিনী লাখিয়াৰ বিষয়ে উল্লেখ কৰা হৈছে। এই সংখ্যাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পযেকীয়া অনুষ্ঠানৰ বিষয়েও সন্নিবিষ্ট কৰা হৈছে, য'ত ধ্বজ্জাবাহী শস্য সংৰক্ষণ আঁচনিও অন্তৰ্ভুক্ত হৈ আছে।

ইয়াৰ উপৰি আলোচনীখনৰ ভিতৰৰ পৃষ্ঠাত মন কী বাত সম্পৰ্কে বিশেষ বিষয়বস্তু সন্নিবিষ্ট কৰা হৈছে, আনহাতে পিছফালৰ প্ৰচ্ছদত এখন চিঠিৰ কিছু অংশ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'দেৱভূমি - উত্তৰাখণ্ড'ত চাৰিধাম যাত্ৰা আৰম্ভ হোৱাৰ সময়ত দেশবাসীলৈ দিয়া বাৰ্তা সন্নিবিষ্ট কৰা হৈছে।

আপোনালোকে পৰামৰ্শ আমালৈ প্ৰেৰণ কৰি থাকিব।

(ধীৰেন্দ্ৰ ওঝা)

হিন্দী, ইংৰাজী আৰু আন ১১টা ভাষাত উপলব্ধ আলোচনীখন পঢ়ক/ডাউনলোড কৰক।
https: //newindiasamachar.pib.gov.in/

# মেইল বক্স




### পযেকীয়া তথ্যৰ ভঁৰাল

মই নিউ ইণ্ডিয়া সমাচাৰ আলোচনীৰ নিয়মীয়া পাঠক। ইয়াৰ সম্পাদকীয়ৰ জৰিয়তে মই সমগ্ৰ আলোচনীখনৰ এক আভাস লাভ কৰো। এই তথ্যৰ ভিত্তিত আলোচনীখন পাঠকৰ বাবে অতি উপকাৰী বুলি প্ৰমাণিত হৈছে। এই আলোচনীখন পযেকীয়া তথ্যৰ ভঁৰাল; সেয়েহে মই এই কথাত গৌৰৱ কৰো যে ই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'উন্নত ভাৰত'ৰ লক্ষ্যত উপনীত হোৱাত ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

balkrishnakasar5@gmail.com

### বিস্তৃত তথ্যৰে সমৃদ্ধ

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীৰ শেহতীয়া সংখ্যাটো বিস্তৃত তথ্যৰে ভৰি আছে। এই আলোচনীখন মই বহু দিনৰ পৰা পঢ়ি আহিছো, আৰু ইয়াৰ ভিতৰত দিয়া তথ্যসমূহ ধাৰাবাহিকভাৱে উৎকৃষ্ট আৰু ঐশ্বৰ্য্যশালী। দেশৰ উপকূলৰ সম্পদ আৰু ইয়াৰ পৰিবহণ ক্ষমতা সম্পৰ্কে বিশেষ প্ৰতিবেদন প্ৰকাশ কৰি পাঠকক উপকৃত কৰাৰ বাবে আলোচনীখনৰ সৈতে জড়িত সমগ্ৰ দলটোক প্ৰশংসা কৰিবই লাগিব। তথ্য সংগ্ৰহ আৰু উপস্থাপন দুয়োটা দিশতে ই এক উচ্চ মান নিৰ্ধাৰণ কৰিছে। ইয়াৰ শেহতীয়া প্ৰকাশনে সঁচাকৈয়ে জাহাজ উদ্যোগৰ ভিতৰত ভাৰতৰ সামুদ্ৰিক তাৎপৰ্য্য আৰু আধিপত্যৰ সন্দৰ্ভত এক ৰেফাৰেন্স গাইড হিচাপে কাম কৰে। আলোচনীখনৰ আন এক উল্লেখনীয় বিষয়বস্তু আছিল বাবু জগজীৱন ৰামৰ দৰে প্ৰয়াত মহান নেতাগৰাকীৰ প্ৰতি পৰম শ্ৰদ্ধা আৰু ভক্তিৰে লিখা প্ৰবন্ধটি।

মনমোহন বাহেদ দধিচ

man.bahed82@gmail.com

### গভীৰ প্ৰভাৱ পেলোৱা উৎকৃষ্ট বিষয়বস্তুৰ সম্ভাৰ

নিউ ইণ্ডিয়া সমাচাৰৰ ৫ এপ্ৰিলৰ 'ৰাষ্ট্ৰীয় সামুদ্ৰিক বিশেষ' সংখ্যাটি বিষয়বস্তু আৰু ইয়াৰ প্ৰভাৱ দুয়োটা দিশতে উৎকৃষ্ট আছিল। এজন অৰ্থনীতি বিষয়ৰ শিক্ষক হিচাপে এই বিশেষ খণ্ডটোৰ পৰা মই অপৰিসীম লাভান্বিত হৈছো। ভাৰতৰ বিষয়ে সৰ্বাংগীণ ধাৰণা লাভ কৰিবলৈ মোৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে আগ্ৰহী যিকোনো ব্যক্তিক এই আলোচনীখন পঢ়িবলৈ নিশ্চয়কৈ পৰামৰ্শ প্ৰদান কৰিম।

ডাঃ জিজিকুমাৰী টি.

jijikumari@gmail.com

### আলোচনীখনত ভাৰতৰ সৈতে জড়িত বহুতো আকৰ্ষণীয় বিষয় সামৰি লোৱা হৈছে

মই নিউ ইণ্ডিয়া সমাচাৰ ই-আলোচনীৰ নিয়মীয়া পাঠক। এয়া ভাৰতবৰ্ষৰ সৈতে জড়িত বহুতো আকৰ্ষণীয় বিষয় সামৰি লোৱা এক অতি আকৰ্ষণীয় আলোচনী।

sangitadatta937@gmail.com

### প্ৰগতি আৰু কল্যাণমূলক আঁচনিৰ বিষয়ে জানিবলৈ ই হৈছে এক উৎকৃষ্ট উৎস

ভাৰত চৰকাৰৰ দ্বাৰা প্ৰকাশিত আলোচনী 'নিউ ইণ্ডিয়া সমাচাৰ'-এ দেশৰ অগ্ৰগতি আৰু বিভিন্ন কল্যাণমূলক আঁচনিৰ বিষয়ে অৱগত হৈ থকাৰ এক উৎকৃষ্ট মাধ্যম হিচাপে কাম কৰে। মই এই আলোচনীখনৰ নিয়মীয়া পাঠক।

ৰাজ কিশোৰ নায়ক

rajkishorenayak405@gmail.com

Communication Address : Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003


E-Mail: response-nis@pib.gov.in

সংক্ষিপ্ত সংবাদ



## মহিলাসকলৰ কৰ্ম সংস্থাপনৰ হাৰ প্ৰায় দুগুণ বৃদ্ধি হৈছে

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সমগ্ৰ দেশতে মহিলাসকলৰ বাবে নতুন আৰু উপযুক্ত সুযোগ মুকলি হৈছে, যাৰ ফলত মহিলাসকলৰ নিয়োগৰ সূচকসমূহৰ অভূতপূৰ্ব উন্নতি ঘটিছে। যোৱা সাত বছৰত মহিলা শ্ৰমিক শক্তিৰ অংশগ্ৰহণৰ হাৰ যথেষ্ট বৃদ্ধি পাইছে, ২০১৭-১৮ চনত ২৩.৩%ৰ পৰা ২০২৫ চনত ৪০%লৈ বৃদ্ধি পাইছে। এই একে সময়ছোৱাতে মহিলা শ্ৰমিক-জনসংখ্যাৰ অনুপাতো ২২%ৰ পৰা প্ৰায় ৩৯%লৈ বৃদ্ধি পাইছে। তদুপৰি মহিলা নিবনুৱাৰ হাৰ ৫.৬%ৰ পৰা ৩.১%লৈ হ্ৰাস পাইছে। ইয়াৰ পৰা বুজা যায় যে কৰ্মসংস্থাপন বিচৰা মহিলাসকলে এতিয়া অধিক সফলতাৰে কৰ্মসংস্থাপন লাভ কৰিছে। কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মাণ্ডৱিয়াই কয় যে ভাৰতৰ সামাজিক সুৰক্ষাৰ কভাৰেজ বিগত দশকত প্ৰায় তিনিগুণ বৃদ্ধি পাইছে, ২০১৫ চনত ১৯%ৰ পৰা গৈ ২০২৫ চনত ৬৪.৩%ৰ অধিক বৃদ্ধি পাইছে। তেওঁ উল্লেখ কৰে যে এই কৃতিত্ব শ্ৰম আইন সংস্কাৰ, ডিজিটেল অন্তৰ্ভুক্তি, আৰু লক্ষ্যভিত্তিক কল্যাণমূলক আঁচনি প্ৰদানৰ দৰে ক্ষেত্ৰসমূহত গ্ৰহণ কৰা স্থায়ী নীতিগত হস্তক্ষেপৰ ফল।



## সৰ্বকালৰ সৰ্বাধিক পৰিমাণৰ সাগৰীয় খাদ্যৰ ৰপ্তানি... ৭২ হাজাৰ কোটি অতিক্ৰম কৰিলে

'২০৪৭ চনৰ ভিতৰত উন্নত ভাৰত'ৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাত মীন খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সেই লক্ষ্যৰেই কেন্দ্ৰীয় চৰকাৰে মীন আৰু জলজ কৃষি শক্তিশালী কৰাৰ, মূল্য শৃংখল আধুনিকীকৰণ, আৰু সাগৰীয় খাদ্যৰ ৰপ্তানি সম্প্ৰসাৰণৰ বাবে অহৰহ কাম কৰি আছে। এই প্ৰচেষ্টাসমূহৰ ফলস্বৰূপে ভাৰতৰ সাগৰীয় খাদ্যৰ ৰপ্তানি সৰ্বকালৰ সৰ্বোচ্চ ৭২,০০০ কোটিত উপনীত হৈছে। পৰিমাণৰ ক্ষেত্ৰত ৰপ্তানি ১৯.৩২ লাখ মেট্ৰিক টন হৈছেগৈ। ভাৰতৰ অভিলেখ ভংগকাৰী সাগৰীয় খাদ্য ৰপ্তানিৰ পৰিসংখ্যাত কেৱল হিমায়িত মিছামাছৰ অৰিহণা আছিল ৪৭,৯৭৩ কোটি টকাৰ।



## প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ ২০২৬ৰ বাবে মনোনয়ন


প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বালপুৰস্কাৰ ২০২৬ৰ বাবে যোগ্য প্ৰাৰ্থীসকলক মনোনয়ন দাখিল কৰিবলৈ উৎসাহিত কৰা হৈছে। মনোনয়নৰ অন্তিম তাৰিখ ২০২৬ চনৰ ৩১ জুলাই। সমগ্ৰ দেশৰ শিশুসকলৰ অসাধাৰণ কৃতিত্বক স্বীকৃতি দিবলৈ প্ৰতি বছৰে প্ৰদান কৰা হয় এই সন্মানীয় ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা। সাহসিকতা, ক্ৰীড়া, সমাজ সেৱা, বিজ্ঞান আৰু প্ৰযুক্তি, পৰিৱেশ, কলা-সংস্কৃতিৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ স্বীকৃতি লাভ কৰা শিশুসকলক এই বঁটা প্ৰদান কৰা হয়। ভাৰতত বসবাস কৰা যিকোনো ভাৰতীয় নাগৰিক তথা ২০২৬ চনৰ ৩১ জুলাইলৈকে ৫ বছৰৰ পৰা ১৮ বছৰৰ ভিতৰৰশিশু এই বঁটাৰ বাবে যোগ্য। কেৱল ৰাষ্ট্ৰীয় বঁটা পৰ্টেল: https://awards.gov.inৰ জৰিয়তেহে মনোনয়ন গ্ৰহণ কৰা হ'ব। বঁটাৰ বাবে দাখিল কৰা স্ব-মনোনয়ন আৰু পৰামৰ্শ দুয়োটাকে বিবেচনা কৰা হ'ব।



## ভাৰতত ব্যৱহাৰকাৰীৰ তথ্য সংৰক্ষণ কৰিবলৈ অনলাইন গেমিং প্লেটফৰ্ম

২০২৫ চনৰ আগষ্ট মাহত সংসদত "অনলাইন গেমিং প্ৰমোচন এণ্ড ৰেগুলেচন এক্ট, ২০২৫" গৃহীত কৰা হয়। ইয়াৰ উদ্দেশ্য আছিল অনলাইন ধন ঘটাৰ প্ৰলোভন দিয়া গেমৰ ক্ৰমৱৰ্ধমান ভাবুকিৰ পৰা নাগৰিকক সুৰক্ষা দিয়া আৰু ই-স্প'ৰ্টছ আৰু অনলাইন ছ'চিয়েল গেমৰ বাবে এক অনুকূল কাঠামো গঢ়ি তোলা। এই পদক্ষেপক আগুৱাই লৈ গৈ কেন্দ্ৰীয় চৰকাৰে এতিয়া "গেমিং প্ৰমোচন এণ্ড ৰেগুলেচন ৰুলছ, ২০২৬"ৰ বিষয়ে অৱগত কৰিছে, যিটো ২০২৬ চনৰ ১ মে'ৰ পৰা কাৰ্যকৰী হৈছে।

- এটা নিৰ্দিষ্ট অনলাইন গেমে 'অনলাইন মানি গেম' (যিটো নিষিদ্ধ), 'অনলাইন ছ'চিয়েল গেম' বা 'ই-স্প'ৰ্ট' গঢ় দিয়ে নে নাই সেয়া নিশ্চিতভাৱে নিৰ্ণয় কৰিবলৈ এটা স্পষ্ট, স্বচ্ছ আৰু সময়সাপেক্ষ ব্যৱস্থা স্থাপন কৰা হ'ব।
- অনলাইন ছ'চিয়েল গেম আৰু ই-স্প'ৰ্টছৰ বাবে ডিজিটেল নিয়ন্ত্ৰক হিচাপে কাম কৰিবৰ বাবে 'অনলাইন গেমিং প্ৰাধিকৰণ' গঠন কৰা হ'ব।
- সাধাৰণতে, অনলাইন গেমৰ বাবে প্ৰাধিকৰণৰ সৈতে পঞ্জীয়ন কৰাৰ প্ৰয়োজন নাই; অৱশ্যে, যদি কেন্দ্ৰীয় চৰকাৰে এটা নিৰ্দিষ্ট গেম বা গেমৰ শ্ৰেণীৰ পঞ্জীয়ন বাধ্যতামূলক কৰি জাননী জাৰি কৰে, তেন্তে এনে পঞ্জীয়ন বাধ্যতামূলক হ'ব।
- ই-স্প'ৰ্টসমূহ পঞ্জীয়ন কৰাটো প্ৰয়োজন। ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰশাসন আইন, ২০২৫ৰ অধীনত এই খেলক স্বীকৃতি প্ৰদান কৰিলে প্ৰাধিকৰণে ই-স্প'ৰ্টসমূহ পঞ্জীয়ন কৰিব।
- অধিনিয়ম ১৭ত কোৱা হৈছে যে ব্যৱহাৰকাৰীৰ তথ্য ভাৰতত সংৰক্ষণ কৰিব লাগিব আৰু নিৰ্ধাৰিত সময়ৰ বাবে সুৰক্ষিতভাৱে ৰাখিব লাগিব।
- প্ৰাধিকৰণে ইয়াৰ ৱেবচাইট বা ম'বাইল এপ্লিকেশ্যনত "মানি গেমছ" হিচাপে শ্ৰেণীবদ্ধ কৰা সকলো অনলাইন গেমৰ তালিকা (নাম আৰু বিৱৰণসহ) ৰাজহুৱা কৰিব লাগিব।
- প্ৰতিটো গেমিং কোম্পানীয়ে ব্যৱহাৰকাৰীৰ অভিযোগ নিষ্পত্তিৰ বাবে এটা ব্যৱস্থা স্থাপন কৰিব লাগিব। যদি কোনো ব্যৱহাৰকাৰীয়ে কোম্পানীৰ সঁহাৰিত অসন্তুষ্ট হয়, তেন্তে তেওঁ ৩০ দিনৰ ভিতৰত প্ৰাধিকৰণৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰে।



## খাদ্য সংসাধনৰ বাবে পিএলআই আঁচনিৰ জৰিয়তে ৩.৩৯ লাখ নিয়োগ সৃষ্টি

চৰকাৰে ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা চলিত ২০২৬-২৭ বিত্তীয় বৰ্ষলৈকে খাদ্য সংসাধন উদ্যোগৰ বাবে উৎপাদন সংযুক্ত উদ্দীপনা আঁচনি (পিএলআইএছএফপিআই)ৰ বাবে ১০,৯০০ কোটি টকা আবণ্টন কৰিছে। এই আঁচনিৰ উদ্দেশ্য হৈছে বৰ্ধিত বিক্ৰী আৰু ব্ৰেণ্ডৰ প্ৰচাৰক উৎসাহিত কৰি বিশ্ব পৰ্যায়ত অগ্ৰণী ভাৰতীয় খাদ্য উৎপাদন কোম্পানীৰ উত্থানক উৎসাহিত কৰা। এই আঁচনিৰ অধীনত ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ২৭৪টা প্ৰকল্পৰ সৈতে জড়িত ১৬৫খন আবেদনৰ অনুমোদন জনোৱা হৈছে, যাৰ ফলস্বৰূপে মুঠ ২,১৬২.৫৫ কোটি টকাৰ উদগনিমূলক ধন প্ৰদান কৰা হৈছে। এই প্ৰকল্পসমূহে ৩.৩৯ লাখ নিয়োগ সৃষ্টি কৰিছে। তদুপৰি, খাদ্য সংসাধন আৰু সংৰক্ষণ ক্ষমতা বছৰি ৩.৪ নিযুত মেট্ৰিক টনলৈ বৃদ্ধি হৈছে।



## ভাৰতৰ ৯৯সংখ্যক ৰামছাৰ ক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ শেখা ঝিল পক্ষী অভয়াৰণ্যৰ

২২ এপ্ৰিলত কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে উত্তৰপ্ৰদেশৰ আলিগড়ত অৱস্থিত শেখা ঝিল পক্ষী অভয়াৰণ্যক ভাৰতৰ ৯৯সংখ্যক ৰামছাৰ ক্ষেত্ৰ হিচাপে ঘোষণা কৰে। এই স্বীকৃতি লাভ কৰাৰ লগে লগে উত্তৰপ্ৰদেশত এনে ক্ষেত্ৰৰ সংখ্যা ১২খনলৈ বৃদ্ধি পালে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে ইয়াৰ পৰিস্থিতিতন্ত্ৰৰ পুনৰুজ্জীৱিতকৰণৰ বাবে চলোৱা অভিযান, বিশেষকৈ জলাহভূমি আৰু পশু-পক্ষীৰ প্ৰাকৃতিক বাসস্থান সংৰক্ষণৰ বাবে গ্ৰহণ কৰা প্ৰতিশ্ৰুতিৰ বাবে পুনৰবাৰ বিশ্ব সম্প্ৰদায়ৰ পৰা প্ৰশংসা লাভ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শেখা ঝিলে মধ্য এছিয়াৰ পক্ষীকূলৰ এক গুৰুত্বপূৰ্ণ অৱস্থান হিচাপে কাম কৰে। ই ৰাজহাঁহ, পাকৈঢোৰা আৰু বিভিন্ন প্ৰজাতিৰ হাঁহৰ দৰে পৰিভ্ৰমী চৰাইৰ বাবে শীতকালত এক গুৰুত্বপূৰ্ণ বাসভূমি।





# খাদ্য সুৰক্ষা নিশ্চিতকৰণ

দেশ তথা বিশ্বৰ খাদ্য শস্যৰ চাহিদা পূৰণৰ বাবে আৰম্ভ কৰা বিশ্বৰ সৰ্ববৃহৎ সমবায় শস্য সংৰক্ষণ আঁচনিয়ে কেৱল কৃষকসকলক লাভান্বিত কৰাই নহয়, দেশৰ অৰ্থনীতিকো শক্তিশালী কৰিছে। ২০২৩ৰ ৩১ মে'ত কেবিনেটৰ অনুমোদন আৰু ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীয়ে এই আঁচনি উদ্বোধন কৰাৰ পিছত কৃষকৰ আয় যথেষ্ট বৃদ্ধি পাইছে।

সমবায় খণ্ডত বিশ্বৰ সৰ্ববৃহৎ শস্য সংৰক্ষণ আঁচনিৰ জৰিয়তে পেকছ (প্ৰাথমিক কৃষি ঋণ সমিতি) স্তৰত কৃষিৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। ইয়াৰ দ্বাৰা কেৱল দেশৰ খাদ্য সুৰক্ষা নিশ্চিত কৰাই নহয়, খাদ্য শস্য অপচয় হ্ৰাস কৰাটোও সম্ভৱ হৈছে। তদুপৰি, কৃষকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ বাবে উন্নত মূল্য লাভ কৰিছে। এটা পাইলট প্ৰজেক্ট হিচাপে আৰম্ভ কৰা এই আঁচনিৰ সমন্বয় সাধন কৰিছে এটা আন্তঃমন্ত্ৰালয় সমিতি, ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমন্বয় সমিতি, ৰাজ্যিক পৰ্যায়ৰ সমবায় উন্নয়ন সমিতি আৰু জিলা পৰ্যায়ৰ সমবায় উন্নয়ন সমিতিয়ে। দেশৰ খাদ্য শস্য সংৰক্ষণৰ সামৰ্থ্যৰ অভাৱ দূৰ কৰিবলৈ আৰু কৃষি আন্তঃগাঁথনি নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে সমবায় খণ্ডত "বিশ্বৰ সৰ্ববৃহৎ শস্য সংৰক্ষণ আঁচনি" অনুমোদন জনাইছে। এই আঁচনিৰ অধীনত,কৃষি আন্তঃগাঁথনি পুঁজি (এআইএফ), কৃষি বিপণন আন্তঃগাঁথনি আঁচনি (এএমআই), কৃষি যান্ত্ৰিকীকৰণ ছাব-মিছন (এছএমএএম) আৰু প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন উদ্যোগৰ আনুষ্ঠানিককৰণ (পিএমএফএমই) আঁচনিৰ পৰা পুঁজি ব্যৱহাৰ

*এই আঁচনিখনে লগতে নাবাৰ্ডৰ বিশেষ পুনৰ বিত্তীয় আঁচনিৰ ব্যৱহাৰ কৰি জড়িত সমবায়সমূহৰ ওপৰত আৰ্থিক বোজা বহু পৰিমাণে হ্ৰাস কৰে। এআইএফৰ অধীনত প্ৰদান কৰা ৩% সুদৰ ৰাজসাহায্যৰ সৈতে মিলাই 'বিশ্বৰ সৰ্ববৃহৎ শস্য সংৰক্ষণ আঁচনি'ৰ অধীনত পেকছৰ বাবে কাৰ্যকৰী ঋণৰ সুদৰ হাৰ ১%লৈ হ্ৰাস কৰা হয়।*

কৰি পেকছ আৰু অন্যান্য সমবায় সমিতিৰ পৰ্যায়ত গুদাম, কাষ্টম নিয়োগ কেন্দ্ৰ, সংসাধন ইউনিট আৰু সুলভ মূল্যৰ দোকানকে ধৰি বিভিন্ন কৃষি আন্তঃগাঁথনিৰ সা-সুবিধা নিৰ্মাণ কৰা হৈছে।

এআইএফ আঁচনিৰ অধীনত গুদাম নিৰ্মাণৰ বাবে লোৱা ঋণৰ ওপৰত পেকছক সুদৰ ৰাজসাহায্য প্ৰদান কৰা হয় আৰু এএমআই আঁচনিৰ অধীনত খাদ্য শস্য সংৰক্ষণৰ সুবিধা নিৰ্মাণৰ বাবে ৩৩%

### শস্য সংৰক্ষণৰ বাবে এএমআই আঁচনিৰ সংশোধন

মাৰ্জিন মানিৰ প্ৰয়োজনীয়তা ২০%ৰ পৰা ১০%লৈ হ্ৰাস কৰা হৈছে।

সমভূমিত প্ৰতি **৭,০০০** টকা প্ৰতি মেট্ৰিক টনত নিৰ্মাণ ব্যয় ৩০০০ৰ পৰা ৩৫০০ টকা পুনৰ নিৰ্ধাৰণ কৰা হৈছে।

উত্তৰ-পূৰ্বাঞ্চলত **৮,০০০** টকা নিৰ্মাণ ব্যয় প্ৰতি মেট্ৰিক টনত ৪০০০ টকাৰ পৰা বৃদ্ধি কৰা হৈছে।

- পেকছৰ বাবে ৰাজসাহায্য ২৫%ৰ পৰা ৩৩.৩৩%লৈ (বিশেষকৈ, সমভূমিৰ বাবে প্ৰতি মেট্ৰিক টনত ৮৭৫ টকাৰ পৰা প্ৰতি মেট্ৰিক টনত ২,৩৩৩ টকালৈ, আৰু উত্তৰ-পূব ৰাজ্যৰ বাবে প্ৰতি মেট্ৰিক টনত ১,৩৩৩.৩৩ টকাৰ পৰা ২,৬৬৬ টকালৈ) বৃদ্ধি কৰা হৈছে।
- আন্তঃগাঁথনিমূলক উপাদান যেনে-আভ্যন্তৰীণ পথ, ধৰ্মকাটা, চাৰিসীমাৰ দেৱাল আদিৰ বাবে পেকছলৈ মুঠ অনুমোদিত ৰাজসাহায্যৰ এক তৃতীয়াংশৰ সমতুল্য অতিৰিক্ত ৰাজসাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।



### আঁচনিখনৰ অধীনত প্ৰদান কৰা সুবিধাসমূহ...

- পেকছ/সহকাৰী সমিতিৰ ভিতৰত গাঁও পৰ্যায়ৰ গুদাম নিৰ্মাণ
- যন্ত্ৰপাতি ভাড়াৰ কেন্দ্ৰসমূহ
- সংসাধন ইউনিট
- সুলভ মূল্যৰ দোকান (ৰেচনৰ দোকান)



## শস্য সংৰক্ষণ আঁচনিৰ অগ্ৰগতি

**৫৬০** টা সমবায় সমিতি শস্য সংৰক্ষণ আঁচনিৰ অধীনত চিনাক্ত কৰা হৈছে।

**১২০** টা গুদাম সমবায় সমিতিৰ অধীনত নিৰ্মাণ কৰা হৈছে।

**৪২৬** টা ডিপিআৰ গুদাম নিৰ্মাণৰ বাবে দাখিল কৰা হৈছে।

**৭২,৭০২** মেট্ৰিক টন ভাণ্ডাৰ ইয়াৰ ফলত ক্ষমতা সৃষ্টি কৰা হৈছে।

*(বিঃদ্ৰঃ তথ্যসমূহ ২০২৬ চনৰ ২০ জানুৱাৰীৰ।)*

### শস্য সংৰক্ষণ কেন্দ্ৰ স্থাপনৰ প্ৰক্ৰিয়া

- ৰাজ্যিক সমবায় বিভাগে পেকছ /সমবায় সমিতিসমূহ চিনাক্ত কৰে।
- এটা ডিপিআৰ (প্ৰকল্প প্ৰতিবেদন) নিৰ্দিষ্ট স্থানৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হয়।
- নিৰ্ধাৰিত ডিজাইন আৰু গুণগত মান অনুসৰি নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হয়।
- প্ৰায় ৬ মাহৰ ভিতৰত গুদামটোৰ নিৰ্মাণ সম্পূৰ্ণ হয়।

**৯** বছৰৰ বাবে ভাৰতীয় খাদ্য নিগমে (এফচিআই) ভাড়াৰ গেৰাণ্টি প্ৰদান কৰে।

নিম্ন সুদ

(প্ৰায় ১%) নিম্ন সুদৰ হাৰত ঋণ প্ৰদানৰ লগতে ৩৩% পৰ্যন্ত ৰাজসাহায্য প্ৰদান কৰা হয়।




ৰাজসাহায্য প্ৰদান কৰা হয়। কৃষি আৰু কৃষক কল্যাণ বিভাগে এআইএফ আঁচনিৰ অধীনত পেকছৰ ঋণ নিশ্চয়তাৰ সময়সীমা ২+৫ বছৰৰ পৰা ২+৮ বছৰলৈ বৃদ্ধি কৰিছে।

খাদ্য শস্য সংৰক্ষণৰ আন্তঃগাঁথনিৰ গুৰুত্বৰ বিষয়ত জোৰ দি কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে কয় যে অনাগত দিনত দেশৰ খাদ্য শস্য সংৰক্ষণৰ ক্ষমতা প্ৰায় তিনিগুণ বৃদ্ধি কৰিব লাগিব, যাৰ দুগুণ সম্প্ৰসাৰণ সমবায় খণ্ডই কৰিব লাগিব। তেওঁ কয় যে এয়া সকলোৰে দায়িত্ব আৰু ইয়াক কেৱল পেকছৰ ওপৰত এৰি দিয়া উচিত নহয়। তহচিল পৰ্যায়ৰ সমবায় দুগ্ধ, ৰাজ্যিক পৰ্যায়ৰ বিপণন ফেডাৰেশ্যন, বিত্তৰ জৰিয়তে জিলা সমবায় বেংক আৰু জিলা ক্ৰয়-বিক্ৰয় সন্থাই বৃহৎ গুদাম নিৰ্মাণ কৰা উচিত। তেওঁ লগতে কয় যে ৭০ শতাংশ খাদ্যশস্য উত্তৰ ভাৰত, পঞ্জাব আৰু হাৰিয়ানাৰ পৰা ক্ৰয় কৰা হয় আৰু যদি ক্ৰয়, মজুতকৰণ আৰু বিতৰণ আঞ্চলিকভাৱে সমন্বিত হয়, পৰিবহণ ব্যয় কমেও ৩০-৪০ শতাংশ হ্ৰাস কৰিব পাৰি। ●

লোকপিয়ল ২০২৭
প্ৰচ্ছদ নিবন্ধ

ভাৰতৰ লোকপিয়ল

# প্ৰগতি আৰু উন্নয়নৰ বাবে এক শক্তিশালী ভেটি



ভাৰতত লোকপিয়ল কেৱল জনসংখ্যাৰ গণনা নহয়; বৰঞ্চ ই দেশৰ সমগ্ৰ নীতি নিৰ্ধাৰণ কাঠামোৰ মেৰুদণ্ড। যাদও দশকীয় লোকপিয়ল সাধাৰণতে প্ৰতিটো দশকৰ আৰম্ভণিতে কৰা হয়। কিন্তু ক'ভিড-১৯ৰ বাবে এইবাৰ পলম হয় আৰু ২০২৬ চনৰ এপ্ৰিল মাহৰ পৰা ইয়াৰ কাম আৰম্ভ হয়। তথাপিও এতিয়া ই 'উন্নত ভাৰত'ৰ ভেটি স্থাপন কৰিবলৈ সাজু হৈছে। আধুনিক প্ৰযুক্তি আৰু ডিজিটেল বিপ্লৱৰ সহায় লৈ স্ব-গণনা আৰু জাতিগত লোকপিয়ল দুয়োটাকে অন্তৰ্ভুক্ত কৰা এই কামে দেশৰ ভৱিষ্যতৰ গতিপথ গঢ় দিব। ১৫০ বছৰীয়া উত্তৰাধিকাৰ ধৰি ৰাখি ২০২৭ চনৰ লোকপিয়লে এই 'অমৃত কাল'ৰ সময়ত দেশৰ ভাগ্য নিৰ্ধাৰণ কৰিব, প্ৰতিজন নাগৰিকৰ সবিশেষ তথ্য, অংশগ্ৰহণ আৰু অগ্ৰগতিৰ তথ্য লিপিবদ্ধ কৰিব। এইটো কেৱল গণনা নহয়; ই 'আত্মনিৰ্ভৰশীল ভাৰত'ৰ বাবে উন্নয়নৰ এক নতুন আৰু পৰিৱৰ্তনশীল কাহিনী লিখিবলৈ সাজু হৈছে।

ভাৰতৰ ২০২৭ৰ লোকপিয়ল কেৱল এক পৰিসংখ্যাগত কাম নহয়, ই এক ব্যাপক ৰাষ্ট্ৰীয় প্ৰচেষ্টা, যিয়ে দেশৰ ভৱিষ্যতৰ গতিপথ নিৰ্ধাৰণ কৰিব। ই ৰাষ্ট্ৰৰ বাবে এখন দাপোণস্বৰূপ, যাৰ জৰিয়তে ভাৰতে নিজকে প্ৰত্যক্ষ কৰে। ই এক বিশাল প্ৰচেষ্টা যাৰ লক্ষ্য হৈছে দেশবাসীৰ মনৰ কথা বুজি পোৱাৰ লগতে ইয়াৰ ভৱিষ্যত নিৰ্ণয় কৰা। ইয়াৰ জৰিয়তে ভাৰতৰ মানৱ সম্পদ, বৈচিত্ৰ্য, প্ৰত্যাহ্বান আৰু অসীম সম্ভাৱনাক নতুন দৃষ্টিভংগীৰে চোৱাৰ এক অনন্য সুযোগ লাভ কৰিব। সেয়েহে, লোকপিয়ল কেৱল তথ্য সংকলন নহয় বা দশকজোৰা ৰীতি-নীতিও নহয়; ই ৰাষ্ট্ৰৰ শক্তি আৰু সামৰ্থ্যৰ প্ৰকৃত প্ৰতিফলন। ই ভৱিষ্যতৰ আধাৰশিলা স্থাপনৰ বাবে এক শক্তিশালী সঁজুলি। এনে পৰিপ্ৰেক্ষিতত যি সময়ত ভাৰত বিকাশৰ পথত দ্ৰুতগতিত অগ্ৰসৰ হৈছে আৰু ২০৪৭ চনৰ ভিতৰত এখন 'উন্নত ভাৰত' গঢ়াৰ লক্ষ্য আমাৰ সন্মুখত আছে, সেই সময়ত ২০২৭ চনৰ লোকপিয়লৰ গুৰুত্ব অধিক গভীৰ হৈ পৰিছে। মূলতঃ লোকপিয়ল হৈছে এক সৰ্বোচ্চ ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ কাম; ই প্ৰস্তুত কৰা তথ্যবোৰ আগন্তুক বছৰবোৰৰ বাবে ৰাষ্ট্ৰীয় নীতি আৰু কাৰ্যসূচী প্ৰস্তুত কৰাৰ বাবে এক গুৰুত্বপূৰ্ণ ভেটি হিচাপে কাম কৰে, যাৰ ফলত আগন্তুক দশকসমূহৰ বাবে পৰিকল্পনাত নতুন মাত্ৰা আৰু আকাৰ প্ৰদান কৰে।

## নীতি নিৰ্ধাৰণৰ এক সুদৃঢ় ভেঁটি

১৯৫১ চনত স্বাধীনতাৰ পিছত দেশৰ প্ৰথমটো লোকপিয়লৰ সময়ত ভাৰতৰ প্ৰথম গৃহমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলে দেশৰ জনসংখ্যা গণনাৰ গুৰুত্বৰ কথা উল্লেখ কৰিছিল। সেই সময়ত তেওঁ কৈছিল, "লোকপিয়ল, এটা প্ৰতিষ্ঠান হিচাপে যাৰ এক দীঘলীয়া ইতিহাস আছে; ইয়াৰ কাম কেৱল লোক গণনা কৰা নহয়, বৰঞ্চ তথ্য আহৰণ কৰাটোও ইয়াৰ সৈতে জড়িত, যি আমাৰ প্ৰশাসনিক



# লোকপিয়ল ঃ এক দীৰ্ঘদিনীয়া আৰু সমৃদ্ধিশালী পৰম্পৰা

*ভাৰতত ১৮৮১ চনত প্ৰথম সমন্বিত লোকপিয়ল অনুষ্ঠিত হৈছিল। কিন্তু দেশৰ লোকপিয়লৰ প্ৰথমাৱস্থাৰ সম্পৰ্কে প্ৰাচীন গ্ৰন্থ যেনে-কৌটিল্যৰ অৰ্থশাস্ত্ৰ আৰু আবুল ফজলৰ আইন-ই-আকবৰী আদিত পোৱা যায়...*

- ভাৰতত লোকপিয়ল অনুষ্ঠিত কৰাৰ এক দীৰ্ঘদিনীয়া আৰু সমৃদ্ধিশালী পৰম্পৰা আছে। জনসংখ্যা গণনাৰ প্ৰাচীনতম উল্লেখ কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ' (খ্ৰীষ্টপূৰ্ব ৩২১-২৯৬)ত পোৱা যায়।
- সম্ৰাট আকবৰৰ ৰাজত্বকালত আবুল ফজলৰ 'আইন-ই-আকবৰী' নামৰ গ্ৰন্থত লোকপিয়লৰ কথা উল্লেখ কৰা হৈছে।
- দেশৰ প্ৰথমখন পদ্ধতিগত আৰু আধুনিক জনসংখ্যা পিয়ল, বৰ্তমানৰ বৈজ্ঞানিক ৰূপত, ১৮৬৫ আৰু ১৮৭২ চনৰ মাজত অ-সমন্বিতভাৱে সম্পন্ন কৰা হৈছিল।

**স্বাধীনতা-উত্তৰকালৰ লোকপিয়ল (১৯৫১-২০১১)**

**১৯৫১** চনত ভাৰতৰ স্বাধীনতা-উত্তৰকালৰ প্ৰথম লোকপিয়ল অনুষ্ঠিত হৈছিল।





পৰৱৰ্তী সময়ত **২০১১** চনলৈকে প্ৰতি ১০ বছৰৰ মূৰে মূৰে লোকপিয়ল অনুষ্ঠিত কৰা হৈছিল।

ক'ভিড-১৯ মহামাৰীৰ বাবে ২০২১ চনৰ লোকপিয়ল অনুষ্ঠিত কৰিব পৰা হোৱা নাছিল। সেই কাম এতিয়া কৰি থকা হৈছে।

নীতিসমূহৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই কাৰ্যৰ জৰিয়তে সংগ্ৰহ কৰা তথ্যসমূহে সামাজিকভাৱে গুৰুত্বপূৰ্ণ মূল্যৱান বৈজ্ঞানিক তথ্য প্ৰদান কৰে। বহুক্ষেত্ৰত, ই উপযোগী নিৰ্দেশনা প্ৰদান কৰে যি কেৱল অৰ্থনৈতিক নীতিৰ ক্ষেত্ৰতে নহয়, অন্যান্য বিষয়তো প্ৰভাৱশালী হিচাপে প্ৰমাণিত হয়। জনসংখ্যা তত্ত্ব প্ৰকৃতাৰ্থত অৰ্থনীতিৰ এক আকৰ্ষণীয় দিশ। লোকপিয়লে এই তত্ত্বসমূহ পৰীক্ষা কৰাত আৰু ইয়াৰ সৈতে বাস্তৱিক সম্পৰ্ক স্থাপন কৰাত আমাক সহায় কৰে।"

প্ৰকৃততে, লোকপিয়লৰ পৰা আহৰণ কৰা তথ্যবোৰ চৰকাৰী নীতিসমূহৰ আধাৰ হিচাপে কাম কৰে। শিক্ষা, দক্ষতা বিকাশ, স্বাস্থ্যসেৱা, নিয়োগ আৰু গাঁও-চহৰাঞ্চলৰ বিকাশৰ সৈতে জড়িত নীতি প্ৰস্তুত আৰু ৰূপায়ণত লোকপিয়লৰ তথ্য কেৱল সঠিকেই নহয়, বৰঞ্চ অত্যন্ত কাৰ্যকৰী বুলিও প্ৰমাণিত হৈছে। লোকপিয়লে সামাজিক সম্প্ৰীতি আৰু ন্যায়ৰ প্ৰসাৰৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ উপকৰণ হিচাপে কাম কৰে। ইয়াৰ জৰিয়তে সমাজৰ সেই অংশসমূহ চিনাক্ত কৰা হয় যিবোৰ উন্নয়নৰ দৌৰত পিছপৰি আছে। দৰিদ্ৰতা দূৰীকৰণ, মহিলা সবলীকৰণ আৰু গ্ৰামোন্নয়নৰ দৰে বিভিন্ন চৰকাৰী আঁচনিসমূহ এই তথ্যৰ ওপৰত নিৰ্ভৰ কৰি অধিক নিৰ্দিষ্ট আৰু কাৰ্যকৰী হয়। এই প্ৰক্ৰিয়াই সমাজৰ প্ৰান্তীয় ব্যক্তিজনলৈও উন্নয়নৰ পোহৰ নিশ্চিত কৰে।

আধুনিক যুগত পৰিসংখ্যা বিজ্ঞানৰ গুৰুত্বক সৰ্বজনীনভাৱে স্বীকৃতি দিয়া হৈছে। যিকোনো ৰাষ্ট্ৰৰ বৰ্তমানৰ বাস্তৱ আৰু ভৱিষ্যতৰ ভাগ্য নিৰ্ধাৰণ কৰাত তথ্যৰ গুৰুত্বপূৰ্ণ ভূমিকা অনস্বীকাৰ্য। আমি খুব কমেইহে আমাৰ দৈনন্দিন জীৱনত তথ্যৰ প্ৰকৃত তাৎপৰ্য সম্পৰ্কে চিন্তা কৰোঁ। তথ্যই আমাৰ দৈনন্দিন জীৱনত কিমান প্ৰকৃত তাৎপৰ্য্য ৰাখে সেই বিষয়ে চিন্তা কৰিবলৈ আমি খুব কমেইহে অৱকাশ পাওঁ। তথাপিও, চৰকাৰী নীতি নিৰ্ধাৰণৰ পৰা আৰম্ভ কৰি ৰাষ্ট্ৰীয় উন্নয়নৰ পদক্ষেপ আৰু জনকল্যাণমূলক আঁচনিলৈকে এই তথ্যই মূল ভিত্তি হিচাপে কাম কৰে-যি তথ্য গৱেষণাৰ সুবিধাৰ বাবে আৰু অৰ্থনীতিৰ এক বিস্তৃত ছবি নিৰ্মাণৰ বাবেও ব্যৱহাৰ কৰা হয়। তথ্যৰ

## লোকপিয়লৰ উদ্দেশ্য, তাৎপর্য্য আৰু উপযোগিতা

**উদ্দেশ্য**

লোকপিয়লে গাঁও, চহৰ, আৰু ৱাৰ্ড পৰ্যায়ত প্ৰাথমিক তথ্যৰ সৰ্ববৃহৎ উৎস হিচাপে কাম কৰে। আগন্তুক দশকৰ বাবে ভাৰতৰ উন্নয়ন পৰিকল্পনাৰ ভেটি প্ৰদান কৰি, ই শাসনৰ বাবে এক গুৰুত্বপূৰ্ণ আহিলা।

**তাৎপৰ্য**

জনগাঁথনি, অৰ্থনীতি, নৃতত্ত্ব, সমাজবিজ্ঞান, পৰিসংখ্যা আদি বিভিন্ন শাখাৰ পণ্ডিত আৰু গৱেষকৰ বাবে লোকপিয়ল দীৰ্ঘদিন ধৰি তথ্যৰ এক অপৰিহাৰ্য উৎস হৈ আহিছে। ভাৰতক বুজিবলৈ আৰু অধ্যয়ন কৰিবলৈ ই এক গুৰুত্বপূৰ্ণ আহিলা হিচাপে কাম কৰে, কিয়নো ইয়াৰ জনসাধাৰণৰ চহকী বৈচিত্ৰ্য দশকীয় লোকপিয়লৰ জৰিয়তে হুবহু প্ৰকাশ পায়।

**উপযোগিতা**

ইয়াত গৃহৰ অৱস্থা, সুবিধা আৰু সম্পত্তি, জনগাঁথনি, ধৰ্ম, অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি, ভাষা, সাক্ষৰতা আৰু শিক্ষা, অৰ্থনৈতিক কাৰ্যকলাপ, প্ৰব্ৰজন আৰু উৰ্বৰতাকে ধৰি বিভিন্ন পৰিমাপৰ বিশদ পৰিসংখ্যা প্ৰদান কৰা হয়। এই পৰিসংখ্যাসমূহ উন্নয়ন পৰিকল্পনাকে ধৰি বহুতো উদ্দেশ্যত ব্যৱহাৰ কৰা হয়।

## দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব লোকপিয়ল

**পৰ্যায় ১**

গৃহ তালিকাভুক্তকৰণ আৰু গৃহ নিৰ্মাণৰ লোকপিয়ল (এইচএলঅ') : এইটো ২০২৬ চনৰ এপ্ৰিলৰ পৰা ছেপ্টেম্বৰৰ ভিতৰত নিৰ্ধাৰিত ৩০ দিনৰ সময়ছোৱাত সংশ্লিষ্ট ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে সুবিধাজনক সময়ত কৰা হ'ব। ঘৰ তালিকাভুক্ত কৰাৰ প্ৰক্ৰিয়াৰ পূৰ্বে, 'স্ব-গণনা'ৰ বাবে ১৫ দিনলৈ সুবিধাও উপলব্ধ কৰা হ'ব।

- এই পৰ্যায়ত ঘৰৰ অৱস্থা, পৰিয়ালৰ বাবে উপলব্ধ সুবিধা, আৰু তেওঁলোকৰ হাতত থকা সম্পত্তি সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰা হ'ব। প্ৰথম পৰ্যায়ত ৩৩টা প্ৰশ্ন সন্নিবিষ্ট কৰা হৈছে, যিবোৰ ইতিমধ্যে আনুষ্ঠানিকভাৱে অৱগত কৰা হৈছে।

**পৰ্যায় ২**

জনসংখ্যা গণনা: এইটো ২০২৭ চনৰ ফেব্ৰুৱাৰী মাহত হ'ব। কিন্তু কেন্দ্ৰীয় শাসিত অঞ্চল লাডাখ আৰু জম্মু আৰু কাশ্মীৰৰ লগতে উত্তৰাখণ্ড আৰু হিমাচল প্ৰদেশ ৰাজ্যৰ বৰফেৰে আবদ্ধ, দুৰ্গম অঞ্চলত এই অনুশীলন ২০২৬ চনৰ ছেপ্টেম্বৰ মাহত অনুষ্ঠিত হ'ব।

- জাতি গণনাৰ কামো কৰা হ'ব।
- জনগাঁথনি, আৰ্থ-সামাজিক, শিক্ষা, প্ৰব্ৰজন, উৰ্বৰতা আদিৰ লগত জড়িত তথ্যও প্ৰতিজন ব্যক্তিৰ পৰা সংগ্ৰহ কৰা হ'ব।



বৰ্তমানৰ লোকপিয়ল হৈছে দেশৰ ১৬ সংখ্যক লোকপিয়ল আৰু স্বাধীনতাৰ পিছত অষ্টম লোকপিয়ল।


গভীৰ গুৰুত্ব আৰু উপযোগিতা আমেৰিকাৰ প্ৰখ্যাত পৰিসংখ্যাবিদ উইলিয়াম এডৱাৰ্ডছ ডেমিঙৰ কথাৰ জৰিয়তে ভালদৰে বুজিব পাৰি: "তথ্য অবিহনে, আপুনি মাত্ৰ এজন মতামত দিয়া ব্যক্তিহে।" অৰ্থাৎ তথ্যই যিকোনো ধাৰণা, নীতি বা পৰিকল্পনাক শক্তিশালী কৰাৰ ভেটি হিচাপে কাম কৰে।

### গণনাৰ মহাযজ্ঞ

ধৰ্মশাস্ত্ৰ অনুযায়ী আকাংক্ষিত ফলাফল লাভৰ উদ্দেশ্যেৰে যজ্ঞ সংগঠিত কৰা হয়। ইয়াক প্ৰগতিৰ পোষকতা আৰু নিৰ্দিষ্ট ইচ্ছা আৰু প্ৰয়োজনীয়তা পূৰণৰ মাধ্যম হিচাপেও গণ্য কৰা হয়। ২০২৭ চনৰ লোকপিয়ল এক ভব্য যজ্ঞতকৈ কম নহয়। দুটা পৰ্যায়ত অনুষ্ঠিত হোৱা ২০২৭ চনৰ লোকপিয়ল হৈছে বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ লোকপিয়ল অনুশীলন, যাৰ আৰম্ভণি ২০২৬ চনৰ এপ্ৰিল মাহৰ পৰাই হৈছে। যদিও এই লোকপিয়ল প্ৰথমে ২০২১ চনৰ বাবে নিৰ্ধাৰণ কৰা হৈছিল, তথাপিও বিশ্বজুৰি ক'ভিড-১৯ মহামাৰীৰ বাবে ইয়াক পিছুৱাই দিবলগা হৈছিল। ই হৈছে সম্পূৰ্ণ ডিজিটেল পদ্ধতিত হ'বলগা প্ৰথম লোকপিয়ল; প্ৰথমবাৰৰ বাবে মোবাইল এপ ব্যৱহাৰ আৰু অনলাইন স্ব-গণনা কৰাৰ ব্যৱস্থা কৰা হৈছে। এই লোকপিয়লৰ সমান্তৰালভাৱে সকলো সম্প্ৰদায়ক সামৰি জাতি গণনাও কৰা হ'ব। ইয়াৰ সুবিধাৰ বাবে সমগ্ৰ ভাৰতবৰ্ষত ৩১ লাখতকৈ অধিক ক্ষেত্ৰ কৰ্মীক প্ৰশিক্ষণ দিয়া হৈছে। ২০২৫ চনৰ ১৬ জুনত গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে ২০২৭ চনৰ লোকপিয়লৰ বাবে আনুষ্ঠানিকভাৱে অধিসূচনা জাৰি কৰে। ভাৰতৰ লোকপিয়ল ভাৰতৰ জনসাধাৰণৰ বিভিন্ন বৈশিষ্ট্য সম্পৰ্কে বৈচিত্ৰ্যময় পৰিসংখ্যাগত তথ্যৰ একক বৃহত্তম উৎস হিচাপে পৰিগণিত হৈছে। ১৫০ বছৰতকৈও অধিক সময়ৰ ইতিহাসেৰে, এই নিৰ্ভৰযোগ্য আৰু সময়-পৰীক্ষিত প্ৰক্ৰিয়াই প্ৰতি দহ বছৰৰ মূৰে মূৰে জনসংখ্যা সন্দৰ্ভত ধাৰাবাহিকভাৱে প্ৰামাণিক তথ্য প্ৰদান কৰি আহিছে। ২০২৭ বৰ্ষৰ লোকপিয়ল দেশত ১৬ সংখ্যক লোকপিয়ল আৰু ভাৰতৰ স্বাধীনতাৰ পিছত অষ্টম সংখ্যক লোকপিয়ল হ'ব।

লোকপিয়লৰ উদ্দেশ্য, তাৎপৰ্য্য আৰু উপযোগিতা সঁচা অৰ্থত

# বিশ্বৰ সৰ্ববৃহৎ লোকপিয়ল সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান



*মোৰ প্ৰিয় দেশবাসী,*
*বৰ্তমান আমাৰ দেশত এক অতি গুৰুত্বপূৰ্ণ অভিযান চলি আছে, যাৰ প্ৰতি প্ৰতিজন ভাৰতীয় সচেতন হ'ব লাগিব। এইটোৱেই হৈছে বিশ্বৰ সৰ্ববৃহৎ লোকপিয়ল অভিযান। যিসকলে ইতিমধ্যে এনে প্ৰক্ৰিয়াৰ মাজেৰে পাৰ হৈছে, তেওঁলোকে এইবাৰ বেলেগ অভিজ্ঞতা লাভ কৰিব।*

- *২০২৭ চনৰ লোকপিয়ল ডিজিটেল কৰা হৈছে। সকলো তথ্য পোনপটীয়াকৈ ডিজিটেল ৰূপত ৰেকৰ্ডিং কৰা হৈছে। ঘৰে ঘৰে যোৱা গণনাকাৰীসকলৰ এটা মোবাইল এপ আছে। আপোনাৰ লগত কথা পতাৰ পিছত তেওঁলোকে তাত তথ্যখিনি অন্তৰ্ভুক্ত কৰিব।*

- *এইবাৰ লোকপিয়লত আপোনালোকৰ অংশগ্ৰহণো সহজ কৰি তোলা হৈছে; আপুনি নিজেই আপোনাৰ তথ্য অন্তৰ্ভুক্ত কৰিব পাৰে। এই সুবিধা আপোনাৰ বাবে গণনাকাৰী অহাৰ ১৫ দিন আগতে মুকলি হ'ব। আপোনাৰ সুবিধা অনুসৰি তথ্য অন্তৰ্ভুক্ত কৰিব পাৰিব। যেতিয়া আপুনি প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰে তেতিয়া আপুনি এটা বিশেষ আইডি লাভ কৰিব। এই আইডি আপোনাৰ মোবাইল বা ইমেইলত লাভ কৰিব। পিছত, যেতিয়া গণনাকাৰী আপোনাৰ ঘৰলৈ যায়, তেতিয়া আপুনি এই আইডি দেখুৱাই তথ্যসমূহ পৰীক্ষা কৰাব পাৰে। ইয়াৰ ফলত পুনৰ তথ্য দিয়াৰ প্ৰয়োজনীয়তা নাইকিয়া হয়। ইয়াৰ ফলত সময় ৰাহি হয় আৰু প্ৰক্ৰিয়াটো সৰল হয়।*

- *যিবোৰ ৰাজ্যত স্ব-গণনা সম্পূৰ্ণ হৈছে, সেইবোৰ ৰাজ্যত লোকপিয়লৰ কৰ্মচাৰীয়েও পৰিয়াল গণনা আৰম্ভ কৰিছে। প্ৰায় এক কোটি, বিশ লাখ পৰিয়ালৰ হাউছ লিষ্টিং এতিয়ালৈকে সম্পূৰ্ণ হৈছে।*


- *ৰাষ্ট্ৰীয় লোকপিয়ল কেৱল চৰকাৰী কাম নহয়। আমাৰ সকলোৰে দায়িত্ব। আপোনাৰ অংশগ্ৰহণ অতি গুৰুত্বপূৰ্ণ। আপুনি প্ৰদান কৰা তথ্য সম্পূৰ্ণৰূপে সুৰক্ষিত, গোপনীয় ৰখা হয়, আৰু ডিজিটেল সুৰক্ষাৰে সুৰক্ষিত। আহক, আমি সকলোৱে এই প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰোঁ। আহকচোন ২০২৭ চনৰ লোকপিয়ল সফল কৰি তোলোঁ।*


এটা কল, সম্পূৰ্ণ তথ্য
টোল ফ্ৰী নম্বৰত ফোন কৰক ১৮৫৫
লোকপিয়ল ২০২৭ সম্পৰ্কীয় চৰকাৰী আপডেটৰ বাবে কিউআৰ ক'ড স্কেন কৰক

## লোকপিয়ল - প্ৰশাসনিক গাঁথনি

- কেন্দ্ৰীয় গৃহমন্ত্ৰী
- কেন্দ্ৰীয় গৃহ সচিব
- ভাৰতৰ মহাপঞ্জীয়ক আৰু লোকপিয়ল আয়ুক্ত (ৰাষ্ট্ৰীয় পৰ্যায়ত)
- লোকপিয়ল পৰিচালনা সঞ্চালকালয়ৰ সঞ্চালক (ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল পৰ্যায়ত)
- মুখ্য সচিব (ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল)
- ন'ডেল বিষয়া (ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল)
- প্ৰধান লোকপিয়ল বিষয়া: জিলা দণ্ডাধীশ / উপায়ুক্ত / পৌৰ নিগম আয়ুক্ত
- চাৰ্জ অফিচাৰ: এছডিএম / তহচিলদাৰ / খণ্ড উন্নয়ন বিষয়া/ কাৰ্যবাহী বিষয়া
- গণনাকাৰী আৰু তত্বাৱধায়ক: শিক্ষক, ৰাজ্য চৰকাৰৰ বিষয়া আৰু অন্যান্য স্থানীয় সংস্থাৰ বিষয়া

## যোৱা চাৰিটা লোকপিয়লত জনসংখ্যাৰ স্থিতি




| নগৰীয়া জনসংখ্যা (%ত) | বছৰ | লিংগ অনুপাত (প্ৰতি ১,০০০ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা) |
|---|---|---|
| ২৩.১ | ১৯৮১ | ৯৩৪ |
| ২৫.৫ | ১৯৯১ | ৯২৬ |
| ২৭.৮ | ২০০১ | ৯৩৩ |
| ৩১.১ | ২০১১ | ৯৪৩ |

বুজিবলৈ হ'লে দেশৰ পঞ্চম গৃহমন্ত্ৰী গোবিন্দ বল্লভ পন্তৰ কথালৈ চাব লাগিব। তেওঁ কৈছিল, "সঁচাকৈয়ে বৰ্তমান যুগত লোকপিয়লৰ প্ৰতিবেদনৰ উল্লেখ নকৰাকৈ কোনো উল্লেখযোগ্য প্ৰশাসনিক, অৰ্থনৈতিক বা সামাজিক পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰি-প্ৰতিটো অনুসন্ধান আৰু অধ্যয়নৰ এক অপৰিহাৰ্য উপাদান। আচলতে সৰু সৰু সমস্যা সমাধানৰ বাবেও প্ৰায়ে লোকপিয়লৰ প্ৰতিবেদনৰ পৰামৰ্শ ল'বলগীয়া হয়। "লোকপিয়ল হৈছে এটা নিৰ্দিষ্ট সময়ত দেশৰ ভিতৰত প্ৰতিজন ব্যক্তি, পৰিয়াল আৰু গঠনৰ তথ্য সংগ্ৰহৰ



আজিৰে পৰা আৰম্ভ হৈছে লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়, যিটো ঘৰ তালিকাভুক্তি আৰু গৃহ নিৰ্মাণৰ কাৰ্য্যকলাপৰ সৈতে জড়িত। এই লোকপিয়লত প্ৰথমবাৰৰ বাবে ডিজিটেল মাধ্যমেৰে তথ্য সংগ্ৰহ কৰা হৈছে। ইয়াৰ উপৰিও, ভাৰতৰ জনসাধাৰণক নিজৰ ঘৰুৱা সবিশেষ স্ব-গণনা কৰিবলৈও ক্ষমতা প্ৰদান কৰা হৈছে। ভাৰতৰ জনসাধাৰণক মই আহ্বান জনাইছোঁ যে তেওঁলোকে নিজেই নিজৰ ঘৰুৱা সবিশেষ স্ব-গণনা কৰি লোকপিয়ল প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰক।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

পদ্ধতিগত আৰু আনুষ্ঠানিক প্ৰক্ৰিয়া। ই জনসংখ্যাৰ আকাৰ, বৃদ্ধি আৰু বিতৰণ জোখে। তদুপৰি, ইয়াত সাক্ষৰতা, গৃহ নিৰ্মাণ, প্ৰব্ৰজন, উৰ্বৰতাৰ হাৰ, নিয়োগ, আয়ৰ স্তৰ সম্পৰ্কীয় তথ্য লিপিবদ্ধ কৰা হয়। জনসংখ্যা গণনাক ৰাষ্ট্ৰসংঘৰ নথিপত্ৰত সংজ্ঞায়িত কৰা হৈছে-বিশেষকৈ, ৰাষ্ট্ৰীয় জনসংখ্যা লোকপিয়লৰ নীতি আৰু পৰামৰ্শ অনুসৰি, কোনো দেশ বা কোনো সীমাবদ্ধ ভূখণ্ডৰ ভিতৰৰ সকলো ব্যক্তিক এটা নিৰ্দিষ্ট সময় বা বহু সময়ৰ বাবে সামাজিক, অৰ্থনৈতিক আৰু জনগাঁথনিগত তথ্য সংগ্ৰহ, সংকলন আৰু প্ৰকাশ কৰাৰ প্ৰক্ৰিয়া।

## লোকপিয়লৰ বিশ্বজনীন প্ৰসংগ

'চেন্সাছ' শব্দটো লেটিন ভাষাৰ censere শব্দৰ পৰা

## এতিয়া কলম আৰু কাগজেৰে নহয়... ডিজিটেল লোকপিয়ল ২০২৭

*প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত, যোৱা দশকত ভাৰত ডিজিটেল বিপ্লৱৰ পথ প্ৰদৰ্শক হৈ পৰিছে। ডিজিটেল লোকপিয়লক ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগী পূৰণৰ দিশত আন এক গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক পদক্ষেপ হিচাপে বিবেচনা কৰা হৈছে। পৰম্পৰাগত কাগজ ভিত্তিক পদ্ধতিৰ পৰা আঁতৰি আহি গণনাকাৰীসকলে 'ব্ৰিং ইয়ৰ অউন ডিভাইচ (BYOD)' মডেল ব্যৱহাৰ কৰি বিশেষ মোবাইল এপ্লিকেচনৰ জৰিয়তে তথ্য সংগ্ৰহ কৰিব।*





- জনসাধাৰণক নিৰ্দিষ্ট পৰ্টেল "se.census.gov.in"ৰ জৰিয়তে স্ব-গণনা কৰাৰ সুযোগ প্ৰদান কৰা হৈছে। ইয়াৰ পিছত গণনাকাৰীসকলে এই তথ্য পৰীক্ষা কৰিবলৈ ঘৰলৈ যাব।

- হাউছলিষ্টিং ব্লক ক্ৰিয়েটৰ (এইচএলবিচি)



ৱেব এপ্লিকেচন: এটা ৱেব-মেপ এপ্লিকেচন যিয়ে চাৰ্জ বিষয়াসকলক উপগ্ৰহৰ চিত্ৰ ব্যৱহাৰ কৰি ডিজিটেলভাৱে হাউছলিষ্টিং ব্লক সৃষ্টি কৰিবলৈ সক্ষম কৰে, সমগ্ৰ দেশতে প্ৰামাণিক ভৌগোলিক কভাৰেজ নিশ্চিত কৰে।

- এইচএলঅ' মোবাইল এপ্লিকেচন: হাউছলিষ্টিং ডাটা সংগ্ৰহ আৰু আপলোড কৰিবলৈ গণনাকাৰীসকলৰ বাবে এটা সুৰক্ষিত অফলাইন মোবাইল এপ্লিকেচন। কেৱল চিএমএমএছ পৰ্টেলত পঞ্জীয়ন কৰা গণনাকাৰীসকলেহে এপ্লিকেচনটোত প্ৰৱেশ কৰিব পাৰিব। এই এপটোৱে পৰম্পৰাগত কাগজ-পত্ৰৰ কাম আঁতৰাই প্ৰত্যক্ষভাৱে ফিল্ডৰ পৰা ছাৰ্ভাৰলৈ ডাটা ট্ৰেন্সমিছন সক্ষম কৰে।




- এই এপটোৰ জৰিয়তে হাউছলিষ্টিঙৰ সকলো তথ্য সংগ্ৰহ কৰা হ'ব, যিটো কেৱল পঞ্জীয়নভুক্ত মোবাইল নম্বৰ ব্যৱহাৰ কৰিহে চলাব পাৰিব। এণ্ড্ৰইড আৰু আইঅ'এছ প্লেটফৰ্মৰ সৈতে সামঞ্জস্যপূৰ্ণ এই এপ্লিকেচনটো ১৬টা আঞ্চলিক ভাষাত চলাব পাৰিব।



- লোকপিয়ল ব্যৱস্থাপনা আৰু নিৰীক্ষণ ব্যৱস্থা (CMMS) পৰ্টেল: প্ৰশাসনিক স্তৰত সকলো লোকপিয়ল-সম্পৰ্কীয় কাৰ্য্যকলাপ পৰিকল্পনা, পৰিচালনা, নিষ্পাদন আৰু নিৰীক্ষণ কৰিবলৈ ডিজাইন কৰা এটা কেন্দ্ৰীভূত, ৱেব-ভিত্তিক ডিজিটেল প্লেটফৰ্ম।



# লোকপিয়ল ২০২৭: শক্তিশালী তথ্য সুৰক্ষা



*লোকপিয়ল ২০২৭ৰ সময়ত জনসাধাৰণৰ পৰা সংগ্ৰহ কৰা যিকোনো তথ্য আইনগতভাৱে সম্পূৰ্ণ গোপনীয় আৰু সুৰক্ষিত হিচাপে গণ্য কৰা হ'ব। কোনো কাৰণতে ব্যক্তিগত তথ্য ৰাজহুৱা কৰা নহ'ব। তদুপৰি তথ্যসমূহ সুৰক্ষিত কৰিবলৈ বহুস্তৰীয় "চাইবাৰ শ্বিল্ড" স্থাপন কৰা হৈছে, যাৰ ফলত হেকিং আৰু অকতৃত্বশীল অনুপ্ৰৱেশৰ পৰা সুৰক্ষা নিশ্চিত কৰা হৈছে।*

- প্ৰযুক্তিগত উদ্ভাৱনক অগ্ৰাধিকাৰ দি আৰু সৰ্বাংগীণ পদ্ধতি গ্ৰহণ কৰি লোকপিয়ল ২০২৭ৰ সঠিক, সুৰক্ষিত আৰু ব্যাপক হোৱাটো নিশ্চিত কৰা হ'ব।
- লোকপিয়ল ২০২৭ৰ বাবে এটা সুৰক্ষিত মোবাইল এপ্লিকেচন ব্যৱহাৰ কৰি ঘৰে ঘৰে ভ্ৰমণৰ জৰিয়তে তথ্য সংগ্ৰহ কৰা হৈছে। এই এপ্লিকেচনে শক্তিশালী সুৰক্ষা বৈশিষ্ট্যসমূহ অন্তৰ্ভুক্ত কৰে আৰু তথ্য সুৰক্ষা সুনিশ্চিত কৰিবলৈ সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।



- সমগ্ৰ প্ৰক্ৰিয়াটোৰ সময়ত তথ্য সুৰক্ষা নিশ্চিত কৰাৰ বাবে বিস্তৃত ব্যৱস্থা গ্ৰহণ কৰা হৈছে - মোবাইল ডিভাইচত তথ্য সংগ্ৰহ আৰু সেই তথ্যসমূহ প্ৰেৰণৰ পৰা আৰম্ভ কৰি ছাৰ্ভাৰ পৰ্যায়ত ইয়াৰ সংৰক্ষণলৈকে।
- লোকপিয়ল ২০২৭ৰ বাবে ব্যৱহৃত ডিজিটেল সঁজুলিসমূহ উচ্চ পৰ্যায়ৰ তথ্য সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰিবলৈ শক্তিশালী এনক্ৰিপচন আৰু বহু-কাৰক প্ৰমাণীকৰণৰ সৈতে সজ্জিত।
- লোকপিয়ল আইন, ১৯৪৮ আৰু লোকপিয়ল নিয়ম, ১৯৯০ৰ বিধান অনুসৰি লোকপিয়লৰ বাবে তথ্য কটকটীয়া নিয়ম মানি সংগ্ৰহ কৰা হয়। এই প্ৰক্ৰিয়াৰ সময়ত সংগ্ৰহ কৰা সকলো ব্যক্তিগত তথ্য সম্পূৰ্ণ গোপনীয়ভাৱে ৰখা হয়।
- সকলোতকৈ ওপৰত তথ্য সুৰক্ষাক অগ্ৰাধিকাৰ দি, কেৱল একত্ৰিত তথ্য - বিভিন্ন প্ৰশাসনিক স্তৰত সংকলিত - প্ৰকাশ কৰা হয়।
- লোকপিয়ল ২০২৭ৰ সৈতে জড়িত বিভিন্ন কাৰ্য্যকলাপৰ পৰিচালনা আৰু নিৰীক্ষণৰ সুবিধাৰ বাবে এটা নিৰ্দিষ্ট ৱেব পৰ্টেল প্ৰস্তুত কৰা হৈছে।



*যিসকল বাসিন্দাই স্ব-গণনা সম্পূৰ্ণ কৰিছে, তেওঁলোকে নিজৰ স্ব-গণনা আইডি (এছই আইডি) সাজু কৰি ৰাখিব আৰু গণনাকাৰীৰ অহাৰ সময়ত সেয়া তেওঁলোকৰ সৈতে ভাগ-বাটোৱাৰা কৰক। যিবোৰ পৰিয়ালে স্ব-গণনাৰ বিকল্প বাছি লোৱা নাই, সেইবোৰ পৰিয়ালক লোকপিয়ল কৰোঁতাৰ দ্বাৰা ঘৰে ঘৰে গৈ গৃহ তালিকাভুক্তকৰণ আৰু গৃহৰ পিয়লত অন্তৰ্ভুক্ত কৰা হ'ব*

উদ্ভৱ হৈছে, যাৰ অৰ্থ হৈছে "গণনা কৰা" বা "মূল্যায়ন কৰা।" ইয়াৰ ইতিহাস খ্ৰীষ্টপূৰ্ব ৰ বা দ্বিতীয় শতিকাৰ পৰাই আৰম্ভ হয়, যেতিয়া ৰোমৰ দণ্ডাধীশসকলে কৰ আৰোপ আৰু বাধ্যতামূলক সামৰিক সেৱাৰ বাবে প্ৰাপ্তবয়স্ক পুৰুষৰ উপলব্ধতা নিৰ্ণয় কৰাৰ উদ্দেশ্যে জনসংখ্যাৰ পঞ্জী সংকলন কৰিবলগীয়া হৈছিল। ৰোমান সাম্ৰাজ্য প্ৰতিষ্ঠাৰ পূৰ্বে, বিভিন্ন আদিপিয়লৰ প্ৰমাণ-প্ৰায়ে কেডেষ্ট্ৰেল (ভূমি সম্পৰ্কীয়) জৰীপৰ ৰূপত- উপলব্ধ। খ্ৰীষ্টপূৰ্ব ৩০ শতিকাৰ পৰাই প্ৰাচীন বেবিলনিয়া, চীন আৰু মিচৰত এনে গণনা কৰা হৈছিল। হেৰোডটাছে নীল উপত্যকা আৰু প্ৰাচীন পাৰস্যত একেধৰণৰ কামৰ নথিভুক্ত কৰিছিল। লোকপিয়লৰ ৰেকৰ্ডৰ বিৱৰণ অ'ল্ড টেষ্টামেণ্টৰ কিছু অংশতো পোৱা যায়। পলায়নৰ পূৰ্বে (খ্ৰীষ্টপূৰ্ব ১৫০০ চনৰ আশে-পাশে) মোজেছে ইজৰাইলৰ যুঁজাৰু লোকসকলক গণনা কৰিছিল। একেদৰে দ্বাদশ শতিকাৰ শেষৰ ফালে আৰু ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে চেংগিছ খানে নিজৰ বিজয়ী ভূখণ্ডৰ ভিতৰৰ জনসংখ্যাৰ লোকপিয়লৰ নিৰ্দেশ দিছিল যাতে তেওঁলোকৰ কৰ আদায়ৰ ক্ষমতা মূল্যায়ন কৰিব পৰা যায়। চীনত চতুৰ্দশ শতিকাৰ বিশদ লোকপিয়ল পৰিকল্পনা আঁচনিৰ প্ৰমাণ আৱিষ্কাৰ কৰা হৈছে। প্ৰাচীন সম্পূৰ্ণ লোকপিয়লৰ ভিতৰত এটা-সকলো বয়সৰ বাসিন্দাক সামৰি-১৪৪৯ চনত জাৰ্মানীৰ নুৰেমবাৰ্গ চহৰত কৰা হৈছিল।

১৫শ আৰু ১৬শ শতিকাত চুইজাৰলেণ্ডত অন্য প্ৰান্তীয় বা পৌৰসভাৰ লোকপিয়ল কৰাৰ তথ্য পোৱা যায়। উত্তৰ আমেৰিকাত স্পেইনৰ অধীনস্থ ভূখণ্ডৰ ভিতৰত প্ৰথম লোকপিয়ল ১৫৭৬ চনত স্পেইনৰ ৰজা দ্বিতীয় ফিলিপে নিৰ্দেশ দিছিল। এই কামটো এই অঞ্চলৰ খিলঞ্জীয়া বাসিন্দাসকলে সম্পন্ন কৰিছিল আৰু তেওঁলোকে সংকলন কৰা প্ৰতিবেদন বৰ্তমান টেক্সাছ বিশ্ববিদ্যালয়ত সংৰক্ষিত হৈ আছে।



লোকপিয়ল দুটা সুকীয়া পৰ্যায়ত কৰা হয়: প্ৰথমতে ঘৰ !গৃহস্থী গণনা, তাৰ পিছত ব্যক্তিৰ গণনা। বৰ্তমান প্ৰথম পৰ্যায় - ঘৰৰ গণনা - চলি আছে। যিহেতু ঘৰবোৰৰ জাতিগত পৰিচয় নাথাকে, গতিকে এই পৰ্যায়ৰ লোকপিয়ল প্ৰ-পত্ৰত জাতিগত তথ্যৰ বাবে কোনো ক্ষেত্ৰ অন্তৰ্ভুক্ত কৰা হোৱা নাই। আমি যেতিয়া ব্যক্তিৰ লোকপিয়ল কৰিম তেতিয়া জাতি লোকপিয়লৰ বিষয়টো উদ্ভৱ হ'ব।

*অমিত শ্বাহ, কেন্দ্ৰীয় গৃহমন্ত্ৰী*

অৱশ্যে, ঐতিহাসিক তথ্য অনুসৰি, কোনো এটা পৰিঘটনা নাই যাক নিশ্চিতভাৱে "প্ৰথম লোকপিয়ল" বুলি ক'ব পাৰি; প্ৰাথমিক গণনাত আধুনিক লোকপিয়লৰ বৈশিষ্ট্যপূৰ্ণ এটা বা ততোধিক বৈশিষ্ট্য অন্তৰ্ভুক্ত কৰা হৈছিল যদিও কোনোৱেই এই সকলোবোৰ বৈশিষ্ট্য একেলগে সামৰি লোৱা বুলি দাবী কৰিব নোৱাৰে। এই সকলো বৈশিষ্ট্য একেলগে সম্পূৰ্ণৰূপে সামৰি লোৱাৰ দাবী কোনো একক ব্যৱস্থাই কৰিব নোৱাৰে। আধুনিক লোকপিয়লৰ ধাৰণাৰ উদ্ভৱ সপ্তদশ আৰু অষ্টাদশ শতিকাত হৈছিল, য'ত উল্লেখযোগ্য জনগাঁথনিগত বৈশিষ্ট্যসমূহৰ লগতে এখন ৰাষ্ট্ৰৰ সমগ্ৰ জনসংখ্যাক অন্তৰ্ভুক্ত কৰাৰ ধাৰণা সুস্পষ্টভাৱে প্ৰতিফলিত হৈছিল।

## ১৮৭২ চনৰ পূৰ্বে ভাৰতত লোকপিয়লৰ ইতিহাস

সিন্ধু সভ্যতাৰ অন্তৰ্গত হৰপ্পা আৰু মহেঞ্জোদাৰোত সম্পন্ন কৰা খনন কাৰ্যৰ পৰা স্পষ্ট হয় যে খ্ৰীষ্টপূৰ্ব

দেশত সাক্ষৰতাৰ হাৰ
**৭৩.০%**
৮০.৯% পুৰুষ
৬৪.৬% মহিলা



## ক'ভিডৰ বাবে লোকপিয়লত বিলম্ব

*২০১১ চনৰ লোকপিয়লৰ পিছত চৰকাৰে ২০২১ চনৰ লোকপিয়লৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছিল। সেই সময়ত শতিকাৰ সৰ্ববৃহৎ মহামাৰী ক'ভিডে আঘাত হানিছিল, যাৰ ফলত লোকপিয়ল কৰাটো অসম্ভৱ হৈ পৰিছিল। ক'ভিড সংকট লাঘৱ হোৱাৰ পাছতো দেশখনক আৰোগ্য লাভ কৰিবলৈ সময়ৰ প্ৰয়োজন হৈছিল, এতিয়া লোকপিয়লৰ কাম চলি আছে।*



- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে ২০২১ চনৰ ভাৰতৰ লোকপিয়ল পৰিচালনা আৰু ৰাষ্ট্ৰীয় জনসংখ্যা পঞ্জী উন্নীতকৰণৰ প্ৰস্তাৱত অনুমোদন জনাইছে।
- লোকপিয়ল ২০২১ অনুষ্ঠিত কৰাৰ চৰকাৰৰ উদ্দেশ্য ভাৰতৰ গেজেটত ২৮ মাৰ্চ, ২০১৯ত অধিসূচিত কৰা হৈছিল।
- ক'ভিড-১৯ মহামাৰীৰ প্ৰাদুৰ্ভাৱৰ বাবে লোকপিয়ল ২০২১ আৰু ইয়াৰ লগত জড়িত ক্ষেত্ৰভিত্তিক কাম-কাজ পৰৱৰ্তী জাননী নিদিয়ালৈকে পিছুৱাই দিয়া হৈছিল।
- ফলস্বৰূপে ভাৰতত বহু প্ৰত্যাশিত লোকপিয়ল এতিয়া ২০২৭ চনৰ পৰা আৰম্ভ হৈছে।

### লোকপিয়ল ২০১১ৰ মূল জনগাঁথনিগত তথ্য

মুঠ জনসংখ্যা
**১.২১** বিলিয়ন

জনসংখ্যা বৃদ্ধি
২০০১-২০১১ৰ দশকত
**১৮.২০** কোটি

১ মাৰ্চ, ২০১১লৈকে

পুৰুষৰ সংখ্যা
**৬২.৩২** কোটি

মহিলাৰ সংখ্যা
**৫৮.৭৬** কোটি

২০১১ত শিশুৰ লিংগ অনুপাত (প্ৰতি ১,০০০জন ল'ৰা)
**৯১৮** ছোৱালী

২০১১ত ভাৰতৰ জনসংখ্যা ঘনত্ব
**৩৮২** প্ৰতি বৰ্গ কিলোমিটাৰ,
দশকীয় বৃদ্ধি ১৭.৭%

সাক্ষৰতাৰ হাৰেৰে কেৰালাই শীৰ্ষ স্থান অব্যাহত ৰাখে
**৯৩.৯১%**

ইয়াৰ পিছত সাক্ষৰতাৰ ক্ষেত্ৰত লাক্ষাদ্বীপ (৯১.৮%) আৰু মিজোৰাম (৯১.৩%)

# লোকপিয়লৰ সম্পূৰ্ণ প্ৰক্ৰিয়া বুজি লওক


*লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাত ৰাজ্যসমূহ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তথ্য সংগ্ৰহ, তথ্যৰ পৰীক্ষণ, নিৰীক্ষণ, তত্ত্বাৱধান আৰু অগ্ৰগতিৰ নিয়মীয়া পৰ্যালোচনাকে ধৰি তৃণমূল পৰ্যায়ৰ বিভিন্ন কাৰ্য ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ প্ৰশাসনে নিযুক্তি দিয়া লোকপিয়ল বিষয়াসকলে সম্পাদন কৰে। এই সকলো কাৰ্য লোকপিয়ল আইন, ১৯৪৮, আৰু লোকপিয়ল নিয়ম, ১৯৯০ৰ বিধান অনুসৰি সম্পন্ন কৰা হয়।*

লোকপিয়ল ২০২৭ প্ৰচ্ছদ নিবন্ধ

**প্ৰথমবাৰৰ** বাবে ডিজিটেল পদ্ধতিৰে কৰা হ'ব লোকপিয়ল **প্ৰথমবাৰৰ** বাবে এক 'স্ব-গণনা' বিকল্পও উপলব্ধ হ'ব

### ইয়াক '২০২৭ চনৰ লোকপিয়ল' বুলি কিয় অভিহিত কৰা হৈছে?

- ভাৰত চৰকাৰে ১৬ জুন ২০২৫ তাৰিখে ভাৰতৰ গেজেটত আনুষ্ঠানিকভাৱে '২০২৭ চনৰ লোকপিয়ল' সম্পৰ্কীয় অধিসূচনা জাৰি কৰিছিল। স্বাভাৱিকতে বহুতে প্ৰশ্ন উত্থাপন কৰিব পাৰে যে, যদি দুটা পৰ্যায়ৰ এই লোকপিয়ল ২০২৬ চনৰ এপ্ৰিল মাহৰ পৰা আৰম্ভ হয়, তেন্তে ইয়াক '২০২৭ চনৰ লোকপিয়ল' বুলি কিয় নামকৰণ কৰা হৈছে?
- ইয়াৰ মূল কাৰণ হ'ল জনসংখ্যাৰ চূড়ান্ত গণনাৰ বাবে নিৰ্ধাৰিত ৰেফাৰেন্স তাৰিখ ১ মাৰ্চ ২০২৭, ৰাতি ০০:০০ বজা। অৰ্থাৎ, ২৮ ফেব্ৰুৱাৰী ২০২৭ৰ মাজনিশা ১২:০০ বজালৈকে জন্মগ্ৰহণ কৰা প্ৰতিজন ব্যক্তিক ২০২৭ চনৰ লোকপিয়লৰ অন্তিম গণনাত অন্তৰ্ভুক্ত কৰা হ'ব। বিপৰীতে, এই নিৰ্ধাৰিত তাৰিখ আৰু সময়ৰ পূৰ্বে মৃত্যু হোৱা ব্যক্তিসকলক গণনাৰ অন্তৰ্ভুক্ত কৰা নহ'ব।
- কেন্দ্ৰীয় শাসিত অঞ্চল লাডাখ আৰু জম্মু আৰু কাশ্মীৰৰ লগতে উত্তৰাখণ্ড আৰু হিমাচল প্ৰদেশৰ বৰফাবৃত আৰু দুৰ্গম অঞ্চলসমূহৰ ক্ষেত্ৰত এই ৰেফাৰেন্স তাৰিখ ১ অক্টোবৰ ২০২৬, ৰাতি ০০:০০ বজা নিৰ্ধাৰণ কৰা হৈছে।



### গৃহ তালিকাভুক্তকৰণ আৰু গৃহ লোকপিয়লৰ সময়ত সুধিবলগীয়া ৩৩টা প্ৰশ্ন

- ২০২৬ চনৰ ১ এপ্ৰিলৰ পৰা ৩০ ছেপ্টেম্বৰৰ ভিতৰত সমগ্ৰ দেশজুৰি গৃহ তালিকাভুক্তকৰণ আৰু গৃহ লোকপিয়লৰ প্ৰথম পৰ্যায় সম্পন্ন কৰা হ'ব।
- এই ছমাহজোৰা সময়ছোৱাত প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে নিজ নিজ ৰাজ্য চৰকাৰ অথবা কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসনে নিৰ্ধাৰণ কৰি জনোৱা অনুসৰি নিৰ্দিষ্ট ৩০ দিনৰ ভিতৰত এই ক্ষেত্ৰভিত্তিক কাৰ্যসূচী সম্পূৰ্ণ কৰিব।
- গৃহ তালিকাভুক্তকৰণ আৰু গৃহ লোকপিয়লৰ এই পৰ্যায়ত বাসগৃহৰ অৱস্থা, ঘৰুৱা সা-সুবিধা আৰু উপলব্ধ সম্পদসমূহৰ বিষয়ে বিস্তৃত তথ্য সংগ্ৰহ কৰা হ'ব।
- মুখ্য সূচকসমূহ সুনিৰ্দিষ্টভাৱে সংৰক্ষণ কৰাৰ উদ্দেশ্যে ২০২৬ চনৰ জানুৱাৰী মাহত প্ৰথম পৰ্যায়ৰ বাবে মুঠ ৩৩টা প্ৰশ্ন অধিসূচিত কৰা হৈছে। এই প্ৰশ্নসমূহে প্ৰমাণভিত্তিক পৰিকল্পনা, নীতি প্ৰণয়ন আৰু লক্ষ্যভিত্তিক কল্যাণমূলক আঁচনি ৰূপায়ণৰ বাবে এক সুদৃঢ় ভিত্তি প্ৰদান কৰে।



তৃতীয় অথবা চতুৰ্থ সহস্ৰাব্দত, আৰু সম্ভৱতঃ ইয়াৰো বহু আগতে, ভাৰতীয় উপমহাদেশত এক অত্যন্ত উন্নত সভ্যতাৰ বিকাশ ঘটিছিল। এই সভ্যতাৰ বৈশিষ্ট্যসমূহৰ ভিতৰত বৃহৎ আৰু জনবহুল নগৰ, সুপৰিকল্পিত অট্টালিকা, মন্দিৰ, ইটাৰে নিৰ্মিত ৰাজহুৱা স্থাপত্য আৰু সেই সময়ত মেছ'পটেমিয়া আৰু প্ৰাচীন মিচৰৰ অধিবাসীসকলে ব্যৱহাৰ কৰা সুবিধাসমূহৰ সৈতে নানা ধৰণৰ উন্নত সা-সুবিধা অন্তৰ্ভুক্ত আছিল।

প্ৰাচীন সাহিত্য, বিশেষকৈ ঋগ্বেদ, অধ্যয়ন কৰিলে বুজা যায় যে সেই সময়ত জনসংখ্যা তুলনামূলকভাৱে বিৰল আছিল আৰু বিস্তীৰ্ণ অঞ্চলজুৰি সৰু সৰু গাঁৱত সিঁচৰতি হৈ বসবাস কৰিছিল। ঘন জনবসতিৰ অস্তিত্বৰ প্ৰমাণক অধিক দৃঢ়তা প্ৰদান কৰে মহান আলেকজেণ্ডাৰৰ সৈন্যবাহিনীয়ে, যিয়ে খ্ৰীষ্টপূৰ্ব ৩২৭-৩২৬ চনত ভাৰত আক্ৰমণ কৰাৰ সময়ত এই ভূখণ্ডৰ জনবসতি আৰু সামাজিক সংগঠনৰ বিষয়ে মূল্যবান তথ্য লিপিবদ্ধ কৰিছিল। চন্দ্ৰগুপ্তৰ ৰাজত্বকালৰ (খ্ৰীষ্টপূৰ্ব ৩২১-২৯৭) উপলব্ধ তথ্যৰ পৰা জনা যায় যে সেই সময়ত প্ৰায় সাত লাখ সৈন্যৰে গঠিত এক স্থায়ী সেনাবাহিনীৰ অস্তিত্ব আছিল। এনে এক বৃহৎ সামৰিক শক্তিক সক্ৰিয় কৰি ৰাখিবলৈ নিঃসন্দেহে এক বিস্তৃত

# প্ৰথমবাৰৰ বাবে স্ব-গণনাৰ সুবিধা
# ১৬টা ভাষাত অনলাইনত এই সুবিধা উপলব্ধ

*দেশত অনুষ্ঠিত হ'বলগীয়া এই লোকপিয়ল হৈছে সামগ্ৰিকভাৱে যোড়শ সংখ্যক লোকপিয়ল আৰু স্বাধীনতাৰ পিছৰ অষ্টম লোকপিয়ল। ঐতিহাসিকভাৱে প্ৰতি দহ বছৰৰ অন্তৰে লোকপিয়ল অনুষ্ঠিত হৈ আহিছে যদিও এইবাৰ যোল্ল বছৰৰ ব্যৱধানৰ অন্তত এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। অৱশ্যে এই সময়গত ব্যৱধানতকৈ অধিক তাৎপৰ্যপূৰ্ণ বিষয় হৈছে যে, দেশৰ লোকপিয়লৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ডিজিটেল লোকপিয়লৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে আৰু নাগৰিকসকলৰ সুবিধাৰ্থে 'স্ব-গণনা'ৰ বিকল্প উপলব্ধ কৰা হৈছে। লোকপিয়ল (সংশোধনী) নিয়ম, ২০২২ৰ ধাৰা ৬ডিৰ অধীনত স্ব-গণনা হৈছে যোল্লটা আঞ্চলিক ভাষাত উপলব্ধ এক সুৰক্ষিত, ৱেব-ভিত্তিক অনলাইন সুবিধা, যাৰ জৰিয়তে নাগৰিকসকলে নিজেই নিজৰ তথ্য সুৰক্ষিতভাৱে দাখিল কৰিব পাৰিব।*

- se.census.gov.in হৈছে এক নিৰ্দিষ্ট প'ৰ্টেল, য'ত ডেস্কটপ কম্পিউটাৰ, লেপটপ অথবা মোবাইলৰ জৰিয়তে সহজে প্ৰৱেশ কৰিব পাৰি। দেশৰ যিকোনো স্থানৰ পৰা, আনকি অতি দূৰৱৰ্তী অঞ্চলসমূহৰ পৰাও, এই প'ৰ্টেলৰ জৰিয়তে অনলাইনযোগে স্ব-গণনা সম্পন্ন কৰিব পৰা যাব।
- এই সুবিধা জনসাধাৰণৰ বাবে নিজ নিজ ৰাজ্য অথবা কেন্দ্ৰীয় শাসিত অঞ্চলত গৃহ তালিকাভুক্তকৰণ পৰ্যায় আৰম্ভ হোৱাৰ ১৫ দিন পূৰ্বে উপলব্ধ কৰা হ'ব, যাতে তেওঁলোকে নিজৰ পৰিয়ালৰ সবিশেষ তথ্য আগতীয়াকৈ সন্নিৱিষ্ট কৰিব পাৰে।
- গণনাকাৰীসকলে তেওঁলোকৰ দায়িত্বভুক্ত গৃহ তালিকাভুক্তকৰণ খণ্ডৰ অন্তৰ্গত প্ৰতিটো গৃহলৈ স্বয়ং উপস্থিত হ'ব; আনহাতে স্ব-গণনাৰ এই ব্যৱস্থাই গণনাকাৰীৰ ক্ষেত্ৰ ভ্ৰমণৰ পূৰ্বে এক অতিৰিক্ত আৰু পৰিপূৰক সুবিধা হিচাপে কাৰ্যকৰী ভূমিকা পালন কৰিব।




## ইয়াত স্ব-গণনাৰ সম্পূৰ্ণ প্ৰক্ৰিয়াটো উপস্থাপন কৰা হ'ল

*আত্মগণনাৰ ভিডিঅ' নিৰ্দেশিকা চাবলৈ দ্ৰুত সঁহাৰি সংকেত (কিউআৰ ক'ড) স্কেন কৰক*




**খণ্ড ০১**

প'ৰ্টেলত প্ৰৱেশ আৰু প্ৰাৰম্ভিক পঞ্জীয়ন

**১ প'ৰ্টেলত প্ৰৱেশ**

স্ব-গণনাত অংশগ্ৰহণ কৰিবলৈ প্ৰথমে se.census.gov.in প'ৰ্টেলত প্ৰৱেশ কৰক। তাৰ পিছত আপোনাৰ ৰাজ্য অথবা কেন্দ্ৰীয় শাসিত অঞ্চল নিৰ্বাচন কৰি পৰীক্ষণ সংকেত (ক্যাপচা) সঠিকভাৱে লিখক।

**২ পৰিয়ালৰ পঞ্জীয়ন**

ঘৰৰ মুখ্য ব্যক্তিৰ নাম, তেওঁলোকৰ চলন্ত দূৰভাষ নম্বৰ আৰু বৈদ্যুতিন ডাক ঠিকনা (ঐচ্ছিক) লিখক।

- এবাৰ পঞ্জীয়ন সম্পন্ন হ'লে ঘৰৰ মুখ্য ব্যক্তিৰ নাম পৰৱৰ্তী সময়ত পৰিবৰ্তন কৰিব নোৱাৰি।
- প্ৰতিটো পৰিয়ালৰ বাবে কেৱল এটা চলন্ত দূৰভাষ নম্বৰ ব্যৱহাৰ কৰিব পাৰি। এবাৰ কোনো নম্বৰ পঞ্জীয়ন হ'লে সেই একেটা নম্বৰ আন কোনো পৰিয়ালৰ পঞ্জীয়নৰ বাবে ব্যৱহাৰযোগ্য নহয়।



**খণ্ড ০২**

পৰীক্ষণ আৰু অৱস্থান চিনাক্তকৰণ

**৩ ভাষা নিৰ্বাচন আৰু একঁকালীন গুপ্ত সংকেত পৰীক্ষণ**

আপোনাৰ পছন্দৰ ভাষা নিৰ্বাচন কৰক আৰু পঞ্জীয়নভুক্ত চলন্ত দূৰভাষ নম্বৰত লাভ কৰা এককালীন গুপ্ত সংকেত (অ'টিপি) সন্নিৱিষ্ট কৰক।

**৪ অৱস্থানৰ বিৱৰণ সন্নিৱিষ্ট কৰক**

আপোনাৰ জিলা নিৰ্বাচন কৰক, ডাক সংখ্যা (পিন ক'ড) লিখক আৰু গাঁও, নগৰ অথবা স্থানীয়তাৰ সম্পৰ্কীয় বিৱৰণ পূৰণ কৰক।

**৫ মানচিত্ৰত আপোনাৰ বাসগৃহৰ অৱস্থান চিহ্নিত কৰক**

মানচিত্ৰত প্ৰদৰ্শিত ৰঙা চিহ্নৰে আপোনাৰ আৱাসিক ভৱনৰ সঠিক স্থানত স্থাপন কৰক আৰু তাৰ পিছত অৱস্থান নিশ্চিত কৰক।

*আত্মগণনাৰ ভিডিঅ’ নিৰ্দেশিকা চাবলৈ দ্ৰুত সঁহাৰি সংকেত (কিউআৰ ক’ড) স্কেন কৰক*



## খণ্ড ০৩

### তথ্য সন্নিবিষ্টকৰণ আৰু চূড়ান্ত নিশ্চিতকৰণ

**প্ৰশ্নাৱলী সম্পূৰ্ণ কৰক**

৬ গৃহ তালিকাভুক্তকৰণ আৰু গৃহ লোকপিয়লৰ প্ৰশ্নাৱলী সম্পূৰ্ণভাৱে পূৰণ কৰক। প্ৰশ্নসমূহ সহজে বুজিবলৈ সহায়ক নিৰ্দেশনা, সঘনাই সোধা প্ৰশ্নসমূহ (এফএকিউ) আৰু প্ৰয়োজনীয় তথ্যসমূহ উপলব্ধ থাকিব।

**পূৰ্বদৰ্শন আৰু পৰ্যালোচনা**

৭ আপুনি সন্নিবিষ্ট কৰা সকলো তথ্যসমূহ সতৰ্কতাৰে পৰীক্ষা কৰক। এই পৰ্যায়ত আপোনাৰ বাবে তলত উল্লিখিত বিকল্পসমূহ উপলব্ধ থাকিব: তথ্য সংশোধনৰ বাবে পূৰ্বৱৰ্তী পৰ্যায়লৈ উভতি যোৱা, পিছত দাখিল কৰাৰ উদ্দেশ্যে তথ্য খচৰা ৰূপে সংৰক্ষণ কৰা, অথবা নিশ্চিত কৰি চূড়ান্তভাৱে দাখিল কৰা।

**চূড়ান্ত দাখিল**

৮ আপোনাৰ তথ্য দাখিল প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ “নিশ্চিত কৰক আৰু জমা দিয়ক” বুটামত ক্লিক কৰক। অনুগ্ৰহ কৰি মন কৰিব যে চূড়ান্ত দাখিল প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পিছত কোনো ধৰণৰ সংশোধন বা পৰিবৰ্তন কৰা সম্ভৱ নহ’ব।

**স্ব-গণনা পৰিচয় সংখ্যা (এছই পৰিচয় সংখ্যা) সৃষ্টি**

প্ৰ-পত্ৰ সফলতাৰে দাখিল কৰাৰ পিছত ‘এইচ’ আখৰেৰে আৰম্ভ হোৱা একক ১১ অংকৰ স্ব-গণনা পৰিচয় সংখ্যা (এছই পৰিচয় সংখ্যা) স্বয়ংক্ৰিয়ভাৱে সৃষ্টি কৰা হ’ব। এই পৰিচয় সংখ্যা আপোনালৈ এছএমএছ আৰু ইমেইলৰ জৰিয়তে প্ৰেৰণ কৰা হ’ব।

## খণ্ড ০৪

### ক্ষেত্ৰ পৰ্যায়ৰ পৰীক্ষণ



**গণনাকাৰীৰ গৃহ ভ্ৰমণ**

৯ লোকপিয়লৰ গণনাকাৰী আপোনাৰ গৃহলৈ উপস্থিত হ’লে পৰীক্ষণৰ স্বাৰ্থত অনুগ্ৰহ কৰি তেওঁলোকক আপোনাৰ এছই পৰিচয় সংখ্যা প্ৰদান কৰক।

**এছই পৰিচয় সংখ্যাৰ মিল পৰীক্ষা**

যদি আপোনাৰ এছই পৰিচয় সংখ্যা বিদ্যমান নথিসমূহৰ সৈতে মিলে, তেন্তে আপুনি দাখিল কৰা তথ্য পৰীক্ষা কৰি গ্ৰহণ কৰা হ’ব। আনহাতে, যদি এই পৰিচয় সংখ্যাৰ সৈতে কোনো মিল পোৱা নাযায়, তেন্তে গণনাকাৰীয়ে আপোনাৰ পৰা প্ৰয়োজনীয় বিৱৰণ সংগ্ৰহ কৰি নতুনকৈ তথ্য সন্নিবিষ্ট কৰিব।

“

এই জাতিভিত্তিক লোকপিয়লে সমাজৰ সকলো আৰ্থিক আৰু সামাজিকভাৱে পিছপৰা শ্ৰেণীক অধিক সবল কৰি তুলিব, সামাজিক অন্তৰ্ভুক্তিক ত্বৰান্বিত কৰিব আৰু বঞ্চিত জনসাধাৰণৰ সামগ্ৰিক উন্নয়নৰ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ উন্মোচন কৰিব। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৬ চনৰ লোকপিয়লত জাতিগত গণনাক এক অবিচ্ছেদ্য উপাদান হিচাপে অন্তৰ্ভুক্ত কৰাৰ ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিছে।

*অমিত শ্বাহ, কেন্দ্ৰীয় গৃহমন্ত্ৰী*

আৰু সুদৃঢ় জনসংখ্যাগত ভিত্তিৰ প্ৰয়োজন হৈছিল। পূৰ্বে উল্লিখিত তথ্যসমূহৰ ভিত্তিত নিশ্চিতভাৱে ক’ব পাৰি যে খ্ৰীষ্টীয় যুগৰ পূৰ্বেই ভাৰতবৰ্ষত জনসংখ্যাৰ যথেষ্ট বৃদ্ধি ঘটিছিল। তদুপৰি, জনসংখ্যা-সম্পৰ্কীয় তথ্য সংগ্ৰহৰ প্ৰচেষ্টা অতি প্ৰাচীন কালৰ পৰাই আৰম্ভ হৈছিল। খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাত কৌটিল্যই, যি মৌৰ্যসকলৰ ৰাজনৈতিক প্ৰশাসনৰ অন্যতম প্ৰজ্ঞাৱান চিন্তাবিদ আছিল, তেওঁ ৰচনা কৰা বিখ্যাত অৰ্থশাস্ত্ৰত কৰ সংগ্ৰহৰ উদ্দেশ্যে জনসংখ্যাগত তথ্য সংগ্ৰহক ৰাষ্ট্ৰীয় নীতিৰ এক মৌলিক উপাদান হিচাপে স্বীকৃতি দিয়া হৈছিল। এই গ্ৰন্থত জনসংখ্যা গণনাৰ লগতে আৰ্থিক আৰু কৃষিভিত্তিক লোকপিয়ল পৰিচালনাৰ বাবে অনুসৰণীয় পদ্ধতিসমূহৰ বিস্তৃত বিৱৰণ সন্নিবিষ্ট কৰা হৈছে।

জনসংখ্যা গণনাৰ গুৰুত্ব, যিটো প্ৰাচীন যুগত দক্ষ প্ৰশাসনে সুস্পষ্টভাৱে স্বীকাৰ কৰিছিল, মধ্যযুগত বহু পৰিমাণে উপেক্ষিত হৈছিল। এই সময়ছোৱাত দেশৰ ইতিহাসত ৰাজনৈতিক অস্থিৰতা লক্ষণীয়ভাৱে পৰিলক্ষিত হৈছিল। অৱশ্যে, পৰৱৰ্তী সময়ত আধুনিক চৰকাৰী ব্যৱস্থাৰ বিকাশৰ লগে লগে জনসংখ্যাৰ নিৰ্ভুল পৰিসংখ্যাৰ প্ৰয়োজনীয়তা পুনৰ গভীৰভাৱে অনুভৱ কৰা হয়। সমগ্ৰ ভাৰতবৰ্ষক এক অভিন্ন ভিত্তিৰ অধীনত সামৰি লোৱা প্ৰথম বিস্তৃত লোকপিয়ল ১৮৮১ চনত সম্পন্ন কৰা হৈছিল। তেতিয়াৰ পৰাই প্ৰতি দহ বছৰৰ অন্তৰে নিয়মিতভাৱে লোকপিয়ল অনুষ্ঠিত হৈ আহিছে। বিশেষকৈ ১৯০১ চনৰ লোকপিয়লত জাতি আৰু বৃত্তিৰ বিস্তৃত বিশ্লেষণ তথা সুসংহত শ্ৰেণী বিভাজন সন্নিবিষ্ট কৰা হৈছিল। স্বাধীনতাৰ



# বিশ্বৰ সৰ্ববৃহৎ লোকপিয়ল: ২০২৭
# বিকশিত ভাৰতৰ বাবে প্ৰস্তুতি



## লোকপিয়লৰ ব্যয়

লোকপিয়ল-সংক্ৰান্তিয় সমগ্ৰ কাৰ্যকলাপ ভাৰতীয় সংবিধানৰ কেন্দ্ৰীয় তালিকাৰ প্ৰৱেশ ২৪৬ আৰু লোকপিয়ল আইন, ১৯৪৮ৰ বিধানৰ অধীনত পৰিচালিত হয়।

২০২৭ চনৰ লোকপিয়ল সম্পন্ন কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰে মুঠ **১১,৭১৮.২৪** কোটি টকাৰ ব্যয়ত অনুমোদন জনাইছে।



এই আবণ্টনৰ অন্তৰ্গত গণনাকাৰীৰ মাননি, প্ৰশিক্ষণ, তথ্য-প্ৰযুক্তি আন্তঃগাঁথনি, পৰিবহণ আৰু লজিষ্টিক ব্যৱস্থা, লগতে অন্যান্য আনুষংগিক ব্যয় অন্তৰ্ভুক্ত কৰা হৈছে। লোকপিয়ল কেন্দ্ৰীয় তালিকাৰ বিষয়বস্তু হোৱাৰ বাবে এই সমুদায় ব্যয় কেন্দ্ৰীয় চৰকাৰে বহন কৰে; আনহাতে ৰাজ্য চৰকাৰসমূহৰ লোকপিয়ল সম্পৰ্কীয় বিভাগে এই সমগ্ৰ প্ৰক্ৰিয়াত প্ৰয়োজনীয় সহায় আৰু সমন্বয় আগবঢ়ায়।

## প্ৰশাসনিক গোটসমূহক অপৰিৱৰ্তনশীল কৰি তোলা

- গণনা কাৰ্য সুচাৰুৰূপে সম্পাদনৰ বাবে এক সুসংহত আৰু স্থিতিশীল প্ৰশাসনিক কাঠামো নিশ্চিত কৰিবলৈ ২০২৬ চনৰ ১ জানুৱাৰীৰ পৰা ২০২৭ চনৰ ৩১ মাৰ্চলৈকে প্ৰশাসনিক গোটসমূহক অপৰিৱৰ্তনশীল কৰা হৈছে।
- প্ৰথম পৰ্যায়ৰ পূৰ্ব-পৰীক্ষণ ২০২৫ চনৰ নৱেম্বৰ মাহতে সফলতাৰে সম্পন্ন কৰা হৈছিল।




প্ৰস্তুতিৰ বিষয়ে এখন বৈঠক আহ্বান কৰা হৈছিল য'ত ৰাজ্যৰ মুখ্য সচিব, ৰাজ্যৰ ন'ডেল বিষয়া আৰু লোকপিয়লৰ কাৰ্য্যৰ সৈতে জড়িত লোকসকল আছিল।
**২০২৬ চনৰ জানুৱাৰী মাহত**

- প্ৰথম পৰ্যায়ৰ বাবে এক বিস্তৃত নিৰ্দেশিকা-সহায়িকা ১৯টা ভাষাত প্ৰস্তুত কৰা হৈছে।
- দেশজুৰি লোকপিয়লৰ একেটা ৰূপ নিশ্চিত কৰিবলৈ আৰু কাৰ্য সম্পাদন অধিক মসৃণ কৰি তুলিবলৈ মানক পদ্ধতি তথা নিৰ্দেশনাৰ বিস্তৃত ৰূপৰেখা সম্বলিত অধিসূচনা জাৰি কৰা হৈছে।
- লোকপিয়লৰ সমগ্ৰ কাৰ্যসূচী নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পন্ন কৰাটো নিশ্চিত কৰিবলৈ এক বিশদ সময়সূচী প্ৰস্তুত কৰা হৈছে আৰু বৰ্তমান তাৰ অগ্ৰগতিৰ বিষয়ে কঠোৰভাৱে নিৰীক্ষণ চলি আছে।

*লোকপিয়ল আইন, ১৯৪৮ৰ অধীনত সংগৃহীত সকলো তথ্য কঠোৰ গোপনীয়তাৰে সংৰক্ষিত থাকিব আৰু সেই তথ্য কেৱল পৰিসংখ্যাগত বিশ্লেষণ আৰু উন্নয়নমূলক পৰিকল্পনা প্ৰস্তুতৰ উদ্দেশ্যেহে ব্যৱহাৰ কৰা হ'ব। সকলো বাসিন্দাক গৃহ তালিকাভুক্তকৰণৰ সময়ত গণনাকাৰীসকলক সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ আৰু এই গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আন্তৰিকভাৱে অনুৰোধ জনোৱা হৈছে।*

পিছত প্ৰথম লোকপিয়ল ১৯৫১ চনত সম্পন্ন কৰা হৈছিল। এই লোকপিয়লৰ প্ৰতিবেদন পূৰ্বৱৰ্তী লোকপিয়লসমূহৰ প্ৰতিবেদনৰ আৰ্হিৰ পৰা যথেষ্ট পৃথক আৰু মৌলিক বৈশিষ্ট্যসম্পন্ন আছিল। এই প্ৰতিবেদনত ভাৰতৰ জনসংখ্যাৰ আকাৰ আৰু গঠনত অতীতত সংঘটিত পৰিৱৰ্তনসমূহৰ ব্যাখ্যা আগবঢ়োৱাৰ লগতে জনসাধাৰণৰ জীৱন-যাপনৰ মান আৰু ইয়াৰ সৈতে জড়িত বিভিন্ন প্ৰভাৱৰ বিষয়ত বিস্তৃত আলোকপাত কৰাৰ চেষ্টা কৰা হৈছিল। উক্ত প্ৰতিবেদনৰ উপসংহাৰত দেশত জন্মৰ হাৰ হ্ৰাসৰ প্ৰৱণতাৰ বিষয়ে যুক্তিসংগত বিশ্লেষণো উপস্থাপন কৰা হৈছিল। ভাৰতীয় লোকপিয়লৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ১৯৫১ চনৰ লোকপিয়লত ক্ষেত্ৰভিত্তিক পুনঃপৰীক্ষণৰ জৰিয়তে জনসংখ্যা গণনাৰ সঠিক ৰূপ মূল্যায়নৰ

প্ৰায় **৬.৪০** লাখ গাঁও সামৰি অনুষ্ঠিত হ'ব

**২০২৭ চনৰ লোকপিয়লৰ পৰিচালনা**

**৩৬** খন ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল

**৭,০৯২** টা উপ-জিলা

**৫,১২৮** খন বিধিসন্মত নগৰ


**৪,৫৮০** খন লোকপিয়ল নগৰ

২০২৭ চনৰ লোকপিয়ল প্ৰায় **৬,৩৯,৯০২** খন গাঁৱত বিস্তৃতভাৱে সম্পন্ন কৰা হ'ব।



প্ৰায় **৮০** হাজাৰ বেটচত ব্যাপক প্ৰশিক্ষণ

*বিশ্বৰ সৰ্ববৃহৎ ডিজিটেল লোকপিয়ল অভিযান সফলভাৱে সম্পন্ন কৰাৰ উদ্দেশ্যে নিযুক্ত গণনাকাৰী, তত্ত্বাৱধায়ক আৰু অন্যান্য ক্ষেত্ৰ পৰ্যায়ৰ কৰ্মচাৰীসকলক বিস্তৃত আৰু সুসংহত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।*



**১০০** জন ৰাষ্ট্ৰীয় প্ৰশিক্ষকক বিশেষজ্ঞ সকলৰ দ্বাৰা বিশেষভাৱে প্ৰশিক্ষিত কৰা হৈছে।

এই ৰাষ্ট্ৰীয় প্ৰশিক্ষকসকলে প্ৰায় **২,০০০** গৰাকী মুখ্য প্ৰশিক্ষকক প্ৰশিক্ষণ প্ৰদান কৰিছে।

উক্ত মুখ্য প্ৰশিক্ষকসকলক প্ৰায় **৪৫,০০০** গৰাকী ক্ষেত্ৰ প্ৰশিক্ষকক প্ৰশিক্ষণ দিয়াৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

**এই ক্ষেত্ৰ প্ৰশিক্ষকসকলে বৰ্তমান**

- প্ৰায় **৮০,০০০** টা বেটচৰ জৰিয়তে
- প্ৰায় **৩১** লাখ গণনাকাৰী আৰু তত্ত্বাৱধায়কক প্ৰশিক্ষণ প্ৰদান কৰি আছে

তৃণমূল পৰ্যায়ত কৰ্মৰত গণনাকাৰী আৰু তত্ত্বাৱধায়কসকলে যাতে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত উচ্চমানসম্পন্ন তথ্য সংগ্ৰহ কৰিব পাৰে, সেই উদ্দেশ্যে সকলো প্ৰশিক্ষণ সামগ্ৰী আঞ্চলিক ভাষাসমূহত প্ৰস্তুত কৰা হৈছে।

এক উল্লেখযোগ্য প্ৰয়াস গ্ৰহণ কৰা হৈছিল। ১৯৭১ চনৰ পৰা দহ বছৰৰ অন্তৰে অনুষ্ঠিত হোৱা চাৰিখন লোকপিয়লৰ অভিজ্ঞতা আৰু অগ্ৰগতিৰ ধাৰাই ২০১১ চনৰ লোকপিয়লত এক নতুন উচ্চতাত উপনীত হৈছিল। ২০১১ চনৰ লোকপিয়লৰ পিছত দেশ ২০২১ চনৰ পৰৱৰ্তী লোকপিয়লৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈছিল। ১৮৭২ চনৰ পৰা অব্যাহত থকা দশকীয় লোকপিয়লৰ ঐতিহ্য অক্ষুণ্ণ ৰাখি ভাৰতৰ ষোড়শ সংখ্যক লোকপিয়ল আৰম্ভ কৰাৰ উদ্দেশ্যে গণনাকাৰী আৰু তত্ত্বাৱধায়কসকলে ব্যাপক উৎসাহেৰে প্ৰশিক্ষণ অধিবেশনসমূহত অংশগ্ৰহণ কৰিছে। এই লোকপিয়লক প্ৰথমবাৰৰ বাবে এক পূৰ্ণাঙ্গ ডিজিটেল অনুশীলন হিচাপে ৰূপায়ণ কৰাৰ পৰিকল্পনা কৰা হৈছে। কিন্তু লোকপিয়ল অভিযান আৰম্ভ হোৱাৰ মাত্ৰ এসপ্তাহ পূৰ্বে ক'ভিড-১৯ মহামাৰীৰ ভয়াবহ প্ৰাদুৰ্ভাৱৰ বাবে ভাৰত চৰকাৰে সমগ্ৰ দেশজুৰি লকডাউন ঘোষণা কৰিবলৈ বাধ্য হৈছিল। ফলস্বৰূপে ২০২১ চনৰ লোকপিয়ল অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰাখিবলগীয়া হৈছিল। ভাৰতে এতিয়া ২০২৭ চনৰ লোকপিয়লৰ জৰিয়তে 'বিকশিত ভাৰত' গঢ়াৰ ৰাষ্ট্ৰীয় সংকল্প বাস্তৱায়নৰ দিশত দৃঢ় পদক্ষেপেৰে আগবাঢ়ি গৈছে।

## ডিজিটেল লোকপিয়ল: প্ৰযুক্তিগত ৰূপান্তৰৰ এক যুগান্তকাৰী প্ৰতীক

উপনিষদৰ অমৰ বাণী-"तमसो मा ज्योतिर्गमय, मृत्योर्मा अमृतं गमय"-ৰ অৰ্থ হ'ল: "হে পৰমেশ্বৰ, আমাক অন্ধকাৰৰ

পৰা পোহৰলৈ আৰু মৃত্যুৰ পৰা অমৰত্বৰ দিশলৈ আগবঢ়াই নিয়া।”

অমৃত কালৰ পথত জ্ঞানৰ আলোক অবিহনে সুপ্ৰভাত নহ'ব আৰু ই সুদূৰপ্ৰসাৰীও হ'ব নোৱাৰে। সেয়েহে এই যুগ-অমৃত কাল-জ্ঞান, গৱেষণা আৰু উদ্ভাৱনৰ নামত উৎসৰ্গিত এক ঐতিহাসিক সময়। আমাৰ লক্ষ্য হৈছে এনে এখন ভাৰত গঢ়ি তোলা, যাৰ শিপা প্ৰাচীন পৰম্পৰা আৰু ঐতিহ্যৰ সৈতে সুদৃঢ়ভাৱে প্ৰোথিত হৈ আছে, কিন্তু যাৰ পথ আধুনিকতাৰ সীমাহীন আকাশলৈ অসীমভাৱে বিস্তৃত। আমি আমাৰ সংস্কৃতি, সভ্যতা আৰু মূল্যবোধক সজীৱ তথা সমানে উন্নত কৰি ৰাখিব লাগিব; একে সময়তে আমাৰ আধ্যাত্মিক ঐতিহ্য আৰু বৈচিত্ৰ্যৰ সংৰক্ষণ, লালন-পালনেৰে ইয়াক আৰু অধিক সমৃদ্ধ কৰিব লাগিব। সমান্তৰালভাৱে প্ৰযুক্তি, আন্তঃগাঁথনি, শিক্ষা আৰু স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত আমাৰ ব্যৱস্থাসমূহক নিৰন্তৰ আধুনিক আৰু অধিক সক্ষম কৰি তুলিব লাগিব। বিগত ৰচ বছৰত এই সুদূৰপ্ৰসাৰী দৃষ্টিভংগীক বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে ২০২৭ চনৰ লোকপিয়লক এক যুগান্তকাৰী পদক্ষেপলৈ ৰূপান্তৰিত কৰিছে-যি হ'ব ভাৰতৰ ইতিহাসৰ প্ৰথম সম্পূৰ্ণ ডিজিটেল লোকপিয়ল। এই ঐতিহাসিক প্ৰয়াসৰ মূল উদ্দেশ্য হৈছে অধিক নিখুঁত পৰিকল্পনা, লক্ষ্যভিত্তিক নীতি নিৰ্ধাৰণ আৰু ফলপ্ৰসূ কাৰ্যকৰীকৰণৰ বাবে এক শক্তিশালী আৰু নিৰ্ভৰযোগ্য তথ্য ভাণ্ডাৰ সৃষ্টি কৰা। ২০২৭ চনৰ লোকপিয়লক বিভিন্ন দৃষ্টিকোণৰ পৰা এক ঐতিহাসিক মাইলৰ খুঁটি হিচাপে অভিহিত কৰা হৈছে। এই লোকপিয়লত প্ৰযুক্তিগত উদ্ভাৱন, ডিজিটেল তথ্য সংগ্ৰহ আৰু অধিক সঠিকতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে, যাতে তথ্য সংগ্ৰহৰ সমগ্ৰ প্ৰক্ৰিয়াটো দ্ৰুত, স্বচ্ছ, নিৰ্ভুল আৰু বিশ্বাসযোগ্য হয়। মোবাইল এপ্লিকেচন, অনলাইন ফৰ্ম আৰু বাস্তৱ সময়ৰ তথ্য প্ৰক্ৰিয়াকৰণৰ দৰে আধুনিক সুবিধাসমূহে এই পদক্ষেপক স্পষ্টভাৱে এক নৱযুগীয় চৰিত্ৰ প্ৰদান কৰিছে। লোকপিয়ল আৰু কেৱল কাগজভিত্তিক ৰেকৰ্ডত সীমাবদ্ধ নাথাকিব; ইয়াৰ পৰিৱৰ্তে, প্ৰতিটো তথ্য ডিজিটেল মাধ্যমৰ জৰিয়তে সুৰক্ষিতভাৱে সংৰক্ষিত হ'ব আৰু প্ৰয়োজন অনুসৰি তৎক্ষণাত উপলব্ধ হৈ থাকিব। ইয়াৰ ফলত কেৱল সময়ৰ যথেষ্ট ৰাহিয়েই নহয়, তথ্যৰ অধিক স্বচ্ছতা, নিৰ্ভৰযোগ্যতা তথা বিশ্বাসযোগ্যতাও নিশ্চিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে শাসন ব্যৱস্থাক “ডাটা-চালিত শাসন”ৰ এক আধুনিক তথা ফলপ্ৰসূ আৰ্হিৰ দিশত আগুৱাই লৈ গৈছে। “সবকা সাথ, সবকা বিকাশ, সবকা

## সৰ্বাংগীন উন্নয়ন নিশ্চিতকৰণৰ বাবে জাতিভিত্তিক লোকপিয়ল

*সামাজিক ন্যায় প্ৰতিষ্ঠা, অন্তৰ্ভুক্তিমূলক উন্নয়ন নিশ্চিতকৰণ আৰু তৃণমূল পৰ্যায়ত নীতি আৰু আঁচনিসমূহৰ অধিক ফলপ্ৰসূ ৰূপায়ণৰ স্বাৰ্থত জাতিভিত্তিক লোকপিয়লৰ গুৰুত্ব অপৰিসীম। ই কেৱল সমাজৰ বাস্তৱ আৰ্থ-সামাজিক পৰিস্থিতিৰ এক স্পষ্ট আৰু তথ্যভিত্তিক ছবি প্ৰদান কৰাই নহয়, সৰ্বাংগীণ তথা ন্যায়সংগত উন্নয়নৰ পথো সুগম কৰিব। তদুপৰি, সমাজৰ সকলো শ্ৰেণী আৰু গোষ্ঠীৰ বাবে সমান সুযোগ নিশ্চিত কৰাৰ লক্ষ্যৰে অধিক সুনিৰ্দিষ্ট আৰু লক্ষ্যভিত্তিক পদক্ষেপ গ্ৰহণ কৰাও সম্ভৱ হ'ব...*

### ৩০ এপ্ৰিল, ২০২৫


প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত ৰাজনৈতিক পৰিক্ৰমাৰ কেবিনেট কমিটী (চিচিপিএ)য়ে আগন্তুক লোকপিয়লত জাতিভিত্তিক গণনাক অন্তৰ্ভুক্ত কৰাৰ এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰে।

### ১৬ জুন, ২০২৫

গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে ২০২৭ চনৰ লোকপিয়ল সম্পাদনৰ উদ্দেশ্যে আনুষ্ঠানিকভাৱে অধিসূচনা জাৰি কৰে।

- স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে ২০২৭ চনৰ লোকপিয়লত সকলো সম্প্ৰদায়ৰ জাতিগত তথ্য পদ্ধতিগতভাৱে সংগ্ৰহ কৰা হ'ব।
- সামাজিক সম্প্ৰীতি আৰু জাতীয় ঐক্য অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত জাতিগত তথ্য সংগ্ৰহক পৃথক জৰীপ হিচাপে পৰিচালনা কৰাৰ পৰিৱৰ্তে মূল লোকপিয়ল প্ৰক্ৰিয়াৰ সৈতে একত্ৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।
- পৰিয়ালৰ প্ৰতিজন সদস্যৰ জাতিগত তথ্যৰ বিস্তৃত বিৱৰণ শেষবাৰৰ বাবে ১৯৩১ চনৰ লোকপিয়লত সংগ্ৰহ আৰু প্ৰকাশ কৰা হৈছিল।

২০১১ চনত পৰিচালিত আৰ্থ-সামাজিক আৰু জাতি লোকপিয়লৰ ক্ষেত্ৰত জাতি-সম্পৰ্কীয় পৰিসংখ্যাৰ বাহিৰে আন সকলো তথ্য প্ৰকাশ কৰা হৈছিল।













> লোকপিয়ল দুটা পৰ্যায়ত কৰা হয় - প্ৰথমে ঘৰৰ গণনা, আৰু তাৰ পিছত ব্যক্তিৰ গণনা। বৰ্তমান প্ৰথম পৰ্যায়ৰ কাম চলি আছে, য'ত ঘৰসমূহৰ গণনা কৰা হৈছে আৰু যিহেতু ঘৰৰ কোনো জাতি নাথাকে, সেয়েহে এই পৰ্যায়ৰ প্ৰ-পত্ৰত জাতি সম্পৰ্কীয় কোনো বিকল্প ৰখা হোৱা নাই। জাতি গণনা সম্পৰ্কীয় প্ৰসংগটো পৰৱৰ্তী পৰ্যায়ত উত্থাপন হ'ব, যেতিয়া ব্যক্তিৰ গণনা কৰা হ'ব।
>
> *অমিত শ্বাহ, কেন্দ্ৰীয় গৃহ মন্ত্ৰী*

বিশ্বাস আৰু সবকা প্ৰয়াস" তথা "ন্যূনতম চৰকাৰ, সৰ্বোচ্চ শাসন"ৰ দৰে দৃষ্টিভংগীক সফলতাৰে বাস্তৱায়িত কৰিবলৈ সঠিক, নিৰ্ভুল আৰু প্ৰামাণিক তথ্য নিতান্তই অপৰিহাৰ্য। এই নীতিসমূহ এতিয়া কেৱল শ্লোগানতে সীমাবদ্ধ হৈ থকা নাই; বৰঞ্চ ই ভাৰতৰ নীতি-প্ৰণয়ন তথা শাসন ব্যৱস্থাৰ মৌলিক স্তম্ভ হিচাপে সুপ্ৰতিষ্ঠিত হৈছে।

এয়া নীতি প্ৰণয়নৰ নিঃসন্দেহে আধাৰস্তম্ভ। চৰকাৰ কোনবোৰ খণ্ড উত্থানৰ সাক্ষী হৈছে আৰু কোনবোৰ ক্ষেত্ৰত এতিয়াও লক্ষ্য নিবদ্ধ হস্তক্ষেপৰ প্ৰয়োজন আছে সেয়া নিৰ্দিষ্টভাৱে চিনাক্ত কৰিবলৈ ক্ষমতা প্ৰদান কৰি ২০২৭ চনৰ লোকপিয়লে এই দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপক প্ৰতিনিধিত্ব কৰিছে। ২০১১ চনৰ লোকপিয়লৰ পিছত দীৰ্ঘদিনীয়া বিৰতিত কৰা লোকপিয়ল ২০২৭-য়ে নতুন যুগ এটাৰ আৰম্ভণিৰ সূচনা কৰিছে। ই কেৱল এটা সময়লৈকে

দূৰ নকৰে; বৰঞ্চ ই এখন নতুন ভাৰতৰ আভাসো প্ৰদান কৰিব - এখন ভাৰত যিয়ে আত্মনিৰ্ভৰশীল, সামৰ্থ্যবান আৰু ডিজিটেল যুগৰ এক নেতৃত্ব প্ৰদানকাৰী হ'বলৈ আগবাঢ়িছে। তথ্য এতিয়া কেৱল পৰিসংখ্যাৰ মাজতে সীমাবদ্ধ হৈ থকা নাই; ই উন্নয়নৰ গতিপথ নিৰ্ধাৰণ কৰা পথ প্ৰদৰ্শক নীতিলৈও বিকশিত হৈছে। ফলস্বৰূপে ডিজিটেল বিপ্লৱ আৰু লোকপিয়লৰ কাম-কাজৰ ৰূপান্তৰিত প্ৰকৃতিৰ মাজতে "ডিজিটেল ইণ্ডিয়া"ৰ যুগৰ ভিতৰত প্ৰযুক্তিগত বিপ্লৱৰ প্ৰতীক হিচাপে লোকপিয়ল ২০২৭-য়ে আত্মপ্ৰকাশ কৰিছে। এই লোকপিয়লত ব্যৱহৃত ডিজিটেল সঁজুলিসমূহ উচ্চ পৰ্যায়ৰ তথ্য সুৰক্ষা নিশ্চিত কৰিবলৈ শক্তিশালী এনক্ৰিপশ্যন আৰু বহুস্তৰীয় প্ৰমাণীকৰণ ব্যৱস্থাৰে সজ্জিত। সমগ্ৰ লোকপিয়ল প্ৰক্ৰিয়াটো বাস্তৱ সময়ত পৰিচালনা আৰু নিৰীক্ষণ কৰিবলৈ 'লোকপিয়ল ব্যৱস্থাপনা আৰু নিৰীক্ষণ ব্যৱস্থা' (চিএমএমএছ) বুলি অভিহিত কৰা এটা সমৰ্পিত পৰ্টেল বিকশিত কৰা হৈছে। তথ্য সুৰক্ষাকো সৰ্বোচ্চ প্ৰাথমিকতা প্ৰদান কৰা হৈছে।

## সামাজিক সমন্বয়: প্ৰথমবাৰৰ বাবে জাতিগত লোকপিয়ল

স্বাধীন ভাৰতত প্ৰথমবাৰৰ বাবে ২০২৭ চনৰ লোকপিয়লত সকলো সম্প্ৰদায়ৰ জাতি গণনা অন্তৰ্ভুক্ত কৰা হ'ব। স্বাধীনতাৰ পিছৰে পৰা আজি পৰ্যন্ত কৰা সকলো লোকপিয়লত জাতিগত তথ্য সংগ্ৰহক বাদ দিয়া হৈছিল। অৱশ্যে, কিছুমান ৰাজ্যই ভিন্ন মাত্ৰাৰ স্বচ্ছতা আৰু উদ্দেশ্যৰে পৃথক পৃথক জাতিগত জৰীপ চলাইছে যদিও এনেবোৰ পিয়লে উদ্ভৱ কৰিবলগীয়া ৰাজনৈতিককৰণ আশংকাক লৈ উদ্বেগ প্ৰকাশ কৰা হৈছে। গতিকে সামাজিক সম্প্ৰীতি ৰক্ষাৰ বাবে জাতি গণনাক সুকীয়া জৰীপ হিচাপে কৰাতকৈ মূল লোকপিয়লতে অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই লোকপিয়লৰ সমান্তৰালভাৱে সকলো সম্প্ৰদায়সমূহৰ বাবে জাতি গণনা কৰা হ'ব। ইয়াৰ বাবে ৰাজনৈতিক পৰিক্ৰমা সম্পৰ্কীয় কেবিনেট কমিটীয়ে ২০২৫ চনৰ ৩০ এপ্ৰিলত অনুষ্ঠিত বৈঠকত আগন্তুক লোকপিয়লত, বিশেষকৈ ২০২৭ চনৰ লোকপিয়লত জাতি গণনাকো অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। দেশত থকা সামাজিক আৰু জনগাঁথনিগত অপৰিসীম বৈচিত্ৰ্যৰ প্ৰতি লক্ষ্য ৰাখি-সংলগ্ন প্ৰত্যাহ্বানসমূহৰ লগতে-জনসংখ্যা গণনা (পি ই) নামেৰে জনাজাত ২০২৭ চনৰ লোকপিয়লৰ দ্বিতীয় পৰ্যায়ৰ সময়ত জাতিগত তথ্য ইলেক্ট্ৰনিকভাৱে সংগ্ৰহ কৰা হ'ব। দ্বিতীয় পৰ্যায়ৰ লোকপিয়লৰ সময়ছোৱাত জাতি গণনা কৰা হ'ব; জাতি সম্পৰ্কীয় প্ৰশ্নসমূহ দ্বিতীয় পৰ্যায়ত প্ৰকাশ পাবলগীয়া প্ৰশ্নাৱলীত অন্তৰ্ভুক্ত কৰা হ'ব।

## ২০২৭ চনৰ লোকপিয়লত সন্মিলিত হৈছে: সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াসৰ চেতনা...



**সবকা সাথ**

লোকপিয়ল হৈছে কেন্দ্ৰীয় তালিকাৰ অন্তৰ্গত এটা বিষয়, য'ত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল উভয়ৰে সমগ্ৰ প্ৰশাসনিক যন্ত্ৰই একেলগে কাম কৰে। এই সমগ্ৰ অনুশীলনৰ সময়ছোৱাত 'টিম ইণ্ডিয়া'ই 'সবকা সাথ'ৰ মনোভাৱেৰে কাম কৰি ত্ৰুটিশূন্যভাৱে তথ্য সংগ্ৰহ নিশ্চিত কৰাৰ প্ৰয়াস কৰিছে।

**সবকা বিকাশ**

এইবাৰ লোকপিয়লৰ সময়ত সংগ্ৰহ কৰা তথ্যত জাতিভিত্তিক গণনা অন্তৰ্ভুক্ত কৰা হৈছে। এই পদক্ষেপৰ লক্ষ্য হৈছে সমাজৰ পিছপৰা বা বঞ্চিত শ্ৰেণীসমূহৰ সম্পৰ্কে পৰিসংখ্যা পোহৰলৈ অনা, যাৰ ফলত সকলোৰে সুবিধাৰ্থে উন্নয়ন আঁচনি প্ৰণয়ন আৰু ৰূপায়ণত সুবিধা হ'ব।

**সবকা বিশ্বাস**

লোকপিয়লৰ কাঠামোৰ ভিতৰত তথ্য সুৰক্ষা এনেদৰে নিশ্চিত কৰা হৈছে যে সাধাৰণ নাগৰিকৰ আস্থা অটল হৈ থাকে। এই অভিযানৰ সময়ত সাধাৰণ জনতাই যি তথ্য প্ৰদান কৰে, সেই তথ্য বিশ্বাসেৰে গ্ৰহণ কৰা হয় আৰু নিৰপেক্ষ সত্য হিচাপে গণ্য কৰা হয়। ইয়াৰ দ্বাৰা সবকা বিশ্বাসৰ চেতনাক মূৰ্ত আৰু সুৰক্ষিত কৰা হয়। তদুপৰি এইবাৰ ডিজিটেল লোকপিয়লৰ প্ৰথা প্ৰৱৰ্তনৰ ফলত সংগ্ৰহ কৰা তথ্যসমূহ অতি সঠিক আৰু বহুত বেছি দ্ৰুতগতিত উপলব্ধ হ'ব।

**সবকা প্ৰয়াস**

লোকপিয়ল এতিয়া দেশজোৰা আন্দোলনত পৰিণত হৈছে। প্ৰথমবাৰৰ বাবে এই পিয়লত নাগৰিকসকলক 'স্ব-গণনা'ৰ সুযোগ প্ৰদান কৰা হৈছে। একেদৰে ব্যাপক সজাগতামূলক কাৰ্যসূচীও অনুষ্ঠিত কৰা হৈছে। এই সামূহিক প্ৰচেষ্টা, সবকা প্ৰয়াসৰ এই চেতনাই এখন বিকশিত ভাৰতৰ আধাৰৰ ৰূপত কাম কৰিব।



## শংকিত নহ'ব সত্যটো জানি লওক

আহক আমি আমাৰ দায়িত্ব পালন কৰোঁ;
আহক আমি লোকপিয়লত অংশগ্ৰহণ কৰোঁ

**উৰা বাতৰি** গণনাকাৰীয়ে অ'টিপি আৰু বেংকৰ সবিশেষ বিচাৰিব।

**প্ৰকৃত তথ্য** লোকপিয়লৰ কোনো কৰ্মচাৰীক আপোনালোকে অ'টিপি প্ৰদান কৰাৰ প্ৰয়োজন নাই বা কোনো নথিপত্ৰও জমা দিয়াৰ প্ৰয়োজন নাই।

**উৰা বাতৰি** আপোনালোকৰ তথ্য কৰ আদায় বা তদন্তৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হ'ব

**প্ৰকৃত তথ্য** আপোনালোকৰ তথ্য গোপনীয়। ইয়াক কেৱল পৰিকল্পনা, নীতি প্ৰণয়ন আদিৰ বাবেহে ব্যৱহাৰ কৰা হয়।

**উৰা বাতৰি** লোকপিয়লে আপোনালোকৰ চৰকাৰী সুবিধাসমূহত বিৰূপ প্ৰভাৱ পেলাব পাৰে।

**প্ৰকৃত তথ্য** আপোনালোকৰ হিতাধিকাৰীৰ স্থিতিত কোনো ধৰণৰ প্ৰভাৱ নপৰে।

**উৰা বাতৰি** লোকপিয়লৰ বাবে মাচুল দিবলগীয়া হ'ব পাৰে।

**প্ৰকৃত তথ্য** লোকপিয়ল সম্পূৰ্ণৰূপে বিনামূলীয়া। এইচ এল অ' (হাউচ-লিষ্টিং অপাৰেশ্যন) বা স্ব-গণনা কৰাৰ বাবে কোনো মাচুল লোৱা নহয়।

**উৰা বাতৰি** যিকোনো ব্যক্তিয়েই গণনাকাৰীৰ ভেশ ধৰিব পাৰে।

**প্ৰকৃত তথ্য** আপোনালোকে সদায় তেওঁলোকৰ চৰকাৰী পৰিচয় পত্ৰ বিচাৰি তেওঁলোকৰ পৰিচয় পৰীক্ষা কৰিব পাৰে, য'ত সত্যাপনৰ বাবে এটা কিউআৰ ক'ড আছে।



“লোকপিয়লৰ সময়ত প্ৰদান কৰা ব্যক্তিগত তথ্যসমূহ নিতান্তই গোপনীয় হৈ থাকিব। আৰ টি আই আইনৰ অধীনত ইয়াক কাৰো সৈতে ভাগ কৰিব নোৱাৰি, আদালতত প্ৰমাণ হিচাপেও ব্যৱহাৰ কৰিব নোৱাৰি; ইয়াৰ উপৰি, কোনো কৰ্তৃপক্ষৰে এই ব্যক্তিগত তথ্য ব্যক্তি-নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰাৰ অনুমতি নাথাকে; ইয়াক কেৱল পৰিসংখ্যা সংকলনৰ বাবেহে ব্যৱহাৰ কৰা হয়।

**মৃত্যুঞ্জয় কুমাৰ নাৰায়ণ**
(ভাৰতৰ মহাপঞ্জীয়ক আৰু লোকপিয়ল আয়ুক্ত)

*২০২৭ চনৰ লোকপিয়ল সম্পৰ্কে সংবাদমেলৰ বিষয়ে জানিবলৈ কিউআৰ ক'ড স্কেন কৰক*

### উন্নত ভাৰতৰ দিশত আৰম্ভ হোৱা যাত্ৰাৰ আধাৰ

২০২৭ চনৰ লোকপিয়লৰ বাবে গৃহীত ‘শুভংকৰ'টো-“প্ৰগতি” (এগৰাকী মহিলা গণনাকাৰী) আৰু “বিকাশ” (এগৰাকী পুৰুষ গণনাকাৰী)ক বন্ধুত্বপূৰ্ণ হিচাপে প্ৰৱৰ্তন কৰা হৈছে।

২০৪৭ চনৰ ভিতৰত ভাৰতক উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰাৰ সংকল্প পূৰণৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ অংশগ্ৰহণকো “প্ৰগতি” আৰু “বিকাশ”-এ প্ৰতীকীৰূপত দাঙি ধৰে। অমৃত মহোৎসৱ বৰ্ষৰ পৰা আৰম্ভ হোৱা এই সমগ্ৰ যাত্ৰা'টোক- অমৃত কাল হিচাপে নিৰ্ধাৰণ কৰা হৈছে। এইদৰে ২০২৭ চনৰ লোকপিয়ল কেৱল নাগৰিক গণনাৰে প্ৰক্ৰিয়া নহয়; বৰঞ্চ ই বিকশিত ভাৰতৰ দিশত পথ নিৰ্ধাৰণৰ বাবে এক শক্তিশালী আধাৰ হিচাপেও কাম কৰে। এই উদ্দেশ্য বাস্তৱায়িত কৰিবলৈ সঠিক তথ্য আৰু সুস্থ নীতি হৈছে অতিকে গুৰুত্বপূৰ্ণ। ইয়াৰ দ্বাৰা কেৱল নিখুঁত পৰিকল্পনা আৰু নীতি প্ৰণয়নৰ সুবিধা হোৱাই নহয়, সম্পদৰ ন্যায্য বিতৰণ, আন্তঃগাঁথনি উন্নয়ন, আৰু আৰ্থ-সামাজিক সমতাৰ দৰে দিশতো ই এক গুৰুত্বপূৰ্ণ




> সামাজিক ন্যায়ৰ প্ৰসংগত দায়বদ্ধ মোদী চৰকাৰে লৈছে এক ঐতিহাসিক সিদ্ধান্ত। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ২০২৫ চনৰ ৩০ এপ্ৰিলত অনুষ্ঠিত চিচিপিএ-ৰ বৈঠকত আগন্তুক লোকপিয়লত জাতি গণনাৰ অন্তৰ্ভুক্তিৰ সিদ্ধান্তই সামাজিক সমতা আৰু সমাজৰ প্ৰতিটো শ্ৰেণীৰ অধিকাৰৰ প্ৰতি দায়বদ্ধতাৰ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে।
>
> *অমিত শ্বাহ, কেন্দ্ৰীয় গৃহমন্ত্ৰী*

ভূমিকা পালন কৰে। 'উন্নত ভাৰত'ৰ লক্ষ্য।

বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই প্ৰেক্ষাপটত ডিজিটেল লোকপিয়লৰ দ্বাৰা সৃষ্টি হোৱা তথ্য দ্ৰুত আৰু সঠিক দুয়োটাই হ'ব। ইয়াৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা প্ৰণয়নত সহায়ক হ'ব। গতিকে ২০২৭ চনৰ লোকপিয়লে বিকশিত ভাৰতৰ সপোন পূৰণৰ মূল আধাৰস্তম্ভ হিচাপে কাম কৰিব বুলি স্পষ্ট হৈ উঠিছে। ই নাগৰিকসকলৰ জীৱন ধাৰণৰ মান বৃদ্ধিৰ দিশত এক কৌশলগত পদক্ষেপ হিচাপে প্ৰমাণিত হ'ব। নিঃসন্দেহে লোকপিয়ল হৈছে শাসনৰ এক গুৰুত্বপূৰ্ণ আহিলা, যিয়ে অনাগত দশকৰ বাবে ভাৰতৰ উন্নয়নৰ কৰ্ম-পৰিকল্পনাৰ ভেটি প্ৰদান কৰে। সেই হিচাপে ২০২৭ চনৰ লোকপিয়ল কেৱল পৰিসংখ্যাৰ সংকলনেই নহয়, বৰঞ্চ জাতি গঠন প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ স্তম্ভও। ই চৰকাৰ আৰু সমাজৰ মাজত সেতু হিচাপে কাম কৰিব। ফলস্বৰূপে ২০২৭ চনৰ লোকপিয়লক কেৱল প্ৰশাসনিক অনুশীলন হিচাপেই চিহ্নিত কৰিব নোৱাৰি; বৰঞ্চ ই এক গণ আন্দোলন-এটা অভিযান য'ত প্ৰতিগৰাকী নাগৰিকৰ অংশগ্ৰহণ অপৰিহাৰ্য। গতিকে, জনসাধাৰণৰ অংশগ্ৰহণ যাতে এখন শক্তিশালী, সমৃদ্ধিশালী, আৰু স্বাৱলম্বী ভাৰত গঢ়াৰ মূল আধাৰস্তম্ভ হৈ উঠে, তাৰ বাবে সঠিক তথ্য প্ৰদান কৰি আৰু সজাগতা বৃদ্ধি কৰি এই জাতীয় প্ৰচেষ্টাত নিজৰ ভাগৰ অৱদান আগবঢ়োৱাটো হৈছে নাগৰিকসকলৰ দায়িত্ব। ●




# গংগা এক্সপ্ৰেছৱে’

## নতুন সপোন আৰু সুযোগৰ এক প্ৰৱেশদ্বাৰ

*২৮ আৰু ২৯ এপ্ৰিলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উত্তৰ প্ৰদেশ ভ্ৰমণ সাংস্কৃতিক, আধ্যাত্মিক, আৰু উন্নয়নমূলক প্ৰতিশ্ৰুতিৰ এক সজীৱ প্ৰতীক হিচাপে পৰিগণিত হৈছে। বিশ্বৰ আটাইতকৈ পুৰণি জীৱন্ত চহৰসমূহৰ অন্যতম বুলি গণ্য কৰা–বাৰাণসী এতিয়া আধুনিক উন্নয়ন আৰু পৰম্পৰাগত ঐতিহ্যৰ এক অনন্য সংগমৰ দিশে আগবাঢ়িছে। “বিকাশ ঔৰ বিৰাসত”ৰ দৃষ্টিভংগীৰে প্ৰধানমন্ত্ৰী মোদীয়ে শ্ৰী কাশী বিশ্বনাথ মন্দিৰত প্ৰাৰ্থনা আৰু দৰ্শনবিধি পালন কৰাৰ লগতে গংগা এক্সপ্ৰেছৱে’-কে ধৰি বহুহাজাৰ কোটি টকীয়া উন্নয়নমূলক প্ৰকল্পৰ উছৰ্গা আৰু আধাৰশিলা স্থাপন কৰে...*

এটা সময় আছিল যেতিয়া উত্তৰ প্ৰদেশক “পিছপৰা ৰাজ্য” বুলি গণ্য কৰা হৈছিল; তথাপি সেই একেখন উত্তৰ প্ৰদেশেই আজি ১ ট্ৰিলিয়ন ডলাৰৰ অৰ্থনীতি হোৱাৰ লক্ষ্যৰে আগবাঢ়িছে। এয়া হৈছে এক বিশাল লক্ষ্য, কিন্তু উত্তৰ প্ৰদেশ এয়া সম্ভৱ কৰিব পৰা অন্তৰ্নিহিত সামৰ্থ্য অধিকাৰী। আন্তঃগাঁথনি উন্নয়নৰ পৰা আৰম্ভ কৰি উৎপাদন কেন্দ্ৰ স্থাপনলৈকে উত্তৰ প্ৰদেশে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। ৰাজ্যখনলৈ বৃহৎ নিগম-নিকায়সমূহে বিনিয়োগ কৰিবলৈ আহিছে, যিটো ধাৰাই প্ৰগতিৰ গতি ত্বৰান্বিত কৰিব আৰু যুৱক-যুৱতীসকলৰ বাবে নতুন নিয়োগৰ সুযোগ মুকলি কৰিব। আধুনিক উন্নতিৰ এই যুগত গংগা এক্সপ্ৰেছৱে’ উত্তৰ প্ৰদেশৰ উন্নয়নৰ নতুন জীৱনৰেখা হ’বলৈ সাজু হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, “মই আনন্দিত যে উত্তৰ প্ৰদেশ চৰকাৰে এই এক্সপ্ৰেছৱে’-ৰ নাম মা গংগাৰ নামেৰে ৰাখিছে। এই পচন্দই উন্নয়নৰ দৃষ্টিভংগী আৰু ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা উভয়কে প্ৰতিফলিত কৰে।”

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰায়েই কয় যে তেওঁৰ চৰকাৰে যিবোৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে সেইবোৰ প্ৰকল্পৰ উদ্বোধনো তেওঁলোকেই কৰে। গংগা এক্সপ্ৰেছৱে’ হৈছে ইয়াৰ উদাহৰণ। ২০২১ চনৰ ডিচেম্বৰ মাহত প্ৰধানমন্ত্ৰী মোদীয়ে শ্বাহজাহানপুৰত এই এক্সপ্ৰেছৱে’ৰ আধাৰশিলা স্থাপন কৰিছিল। পাঁচ বছৰ নৌহওঁতেই ২০২৬ চনৰ ২৯ এপ্ৰিলত হাৰদয় পথটো উদ্বোধন কৰা হয়। গংগা এক্সপ্ৰেছৱে’-ৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ সময়তে ইয়াৰ সম্প্ৰসাৰণৰ কামো আৰম্ভ হৈছে। অচিৰেই গংগা এক্সপ্ৰেছৱে’ মীৰুটৰ সিপাৰে হৰিদ্বাৰলৈকে বিস্তৃত হ’ব। ইয়াৰ অধিক ব্যৱহাৰৰ বাবে ফাৰুখাবাদ লিংক এক্সপ্ৰেছৱে’ নিৰ্মাণ কৰা হ’ব, ইয়াক অন্যান্য এক্সপ্ৰেছৱে’ৰ সৈতেও সংযুক্ত কৰা হ’ব। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰিছে যে এই এক্সপ্ৰেছৱে কেৱল এটা দ্ৰুতবেগী পথেই নহয়; ই হ’ল নতুন সম্ভাৱনা,



প্ৰধানমন্ত্ৰীৰ অনুষ্ঠান চাবলৈ কিউআৰ ক’ড স্কেন কৰক।

ৰাষ্ট্ৰ। উত্তৰ প্ৰদেশত ‘বিকাশ ঔৰ বিৰাসত’




কাশীৰ সাংসদ হিচাপে... দেশৰ প্ৰধানমন্ত্ৰী হিচাপেস্থ মই আপোনালোকৰ আশীৰ্বাদ বিচাৰিছোঁ এটা ডাঙৰ জাতীয় লক্ষ্যত উপনীত হ’বলৈ... আৰু এই ডাঙৰ উদ্দেশ্যটো হ’ল- লোকসভা আৰু ৰাজ্যিক বিধানসভাত মহিলাৰ বাবে আসনৰ সংৰক্ষণ কাৰ্যকৰী কৰা। *-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

## ‘নাৰী শক্তি’: উন্নত ভাৰতৰ আটাইতকৈ শক্তিশালী স্তম্ভ

বাৰাণসীত অনুষ্ঠিত এক সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলাৰ বিশাল সমাৱেশক সম্বোধন কৰে। ৰাষ্ট্ৰ নিৰ্মাণত মহিলাসকলে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাক গুৰুত্ব দি প্ৰধানমন্ত্ৰীয়ে ‘নাৰী শক্তি’ক ‘উন্নত ভাৰত’ৰ আটাইতকৈ শক্তিশালী স্তম্ভ বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহত মহিলাৰ বাবে আসনৰ সংৰক্ষণ কাৰ্যকৰী কৰাৰ প্ৰধান ৰাষ্ট্ৰীয় লক্ষ্যত উপনীত হ’বলৈ উপস্থিতসকলৰ আশীৰ্বাদ বিচাৰে, সংৰক্ষণৰ এই অধিকাৰক বাস্তৱত পৰিণত কৰিবলৈ তেওঁ চেষ্টাৰ ত্ৰুটি নকৰিব বুলিও আশ্বাস দিয়ে। মহিলা সন্মিলনৰ থলীৰ পৰাই প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰায় ৬,৩৫০ কোটি টকাৰ এলানি উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে বহুকেইটা প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। এই উপলক্ষে ভাষণ দি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে যেতিয়া এখন ঘৰৰ এগৰাকী মহিলা সামৰ্থ্যবান হয়, তেতিয়া সমগ্ৰ পৰিয়ালটোৱেই সামৰ্থ্য লাভ কৰে; ফলস্বৰূপে সমাজ আৰু ৰাষ্ট্ৰখনো শক্তিশালী হয়। প্ৰধানমন্ত্ৰী মোদীয়ে স্মৰণ কৰি কয় যে ২৫ বছৰৰ পূৰ্বে গুজৰাটৰ মুখ্যমন্ত্ৰী হোৱাৰ সময়ত তেওঁ কন্যাসকলৰ বাবে দুখন অগ্ৰণী আঁচনি আৰম্ভ কৰিছিল: প্ৰথম, ‘শালা প্ৰৱেশোৎসৱ’ যাতে সৰ্বাধিক সংখ্যক ছোৱালীয়ে স্কুলত পঢ়ে আৰু শিক্ষা সম্পূৰ্ণ কৰে; আৰু দ্বিতীয়তে, তেওঁলোকৰ বিদ্যালয়ৰ মাচুলৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ ‘মুখ্যমন্ত্ৰী কন্যা কেলাৱনী নিধি’। তেওঁ মন্তব্য কৰে যে, “সেই সময়ৰ পৰা আজিলৈকে আমাৰ চৰকাৰৰ নীতিত মহিলাৰ কল্যাণক ধাৰাবাহিকভাৱে সৰ্বোচ্চ প্ৰাথমিকতা প্ৰদান কৰি অহা হৈছে।” অৰ্থনৈতিক সৱলীকৰণৰ তাৎপৰ্যত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে দৃঢ়তাৰে কয় যে মহিলাৰ অৰ্থনৈতিক শক্তি বৃদ্ধিৰ লগে লগে পৰিয়াল আৰু ঘৰৰ ভিতৰত তেওঁলোকৰ কণ্ঠস্বৰো সমানেই শক্তিশালী হৈ উঠে। বিগত ১১টা বছৰত কাশীৰ প্ৰায় ১ লাখ ২৫ হাজাৰগৰাকী ভগ্নীকে ধৰি প্ৰায় ১০ কোটি মহিলা আত্ম সহায়ক গোট (এছএইচজি)ৰ সৈতে জড়িত হৈ আছে। এই প্ৰচেষ্টাসমূহৰ জৰিয়তে এই পৰ্যন্ত বাৰাণসীৰ কেবাহাজাৰ ভগ্নীকে ধৰি ৩ কোটি ভগ্নী ‘লাখপতি দিদি’ হৈ উঠিছে।

### বেনাৰসলৈ এটা উপহাৰ

**১,০৫০** কোটি টকাৰো অধিক মূল্যৰ ৪৮টা প্ৰকল্প ৰাষ্ট্ৰৰ নাম উৎসৰ্গা

- বাৰাণসী-আজমগড় পথ সম্প্ৰসাৰিত কৰা।
- কাজ্জাকপুৰা আৰু কাদিপুৰত ৰে’লৰে অভাৰ ব্ৰীজ।
- ভগৱানপুৰত ৫৫ এম এল ডি নলা-নৰ্দমা পৰিশোধন প্ৰকল্প।

### দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে’লৰ ফ্লেগ অফ

- দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে’লৰ ফ্লেগ অফ: বেনাৰস-পুনে (হাদাপছৰ) আৰু অযোধ্যা-মুম্বাই (লোকমান্য তিলক টাৰ্মিনাছ)। ইয়াৰ ফলত উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, আৰু মহাৰাষ্ট্ৰৰ মাজত সংযোগ বৃদ্ধি পাব।
- বেনাৰস-পুনে সেৱাই কাশী বিশ্বনাথ ধামলৈ সহজে যাতায়াতৰ সুবিধা প্ৰদান কৰিব, আনহাতে অযোধ্যা-মুম্বাই সেৱাই শ্ৰী ৰাম মন্দিৰ তীৰ্থক্ষেত্ৰৰ সংযোগ উন্নত কৰাৰ লগতে প্ৰধান ধৰ্মীয় স্থানসমূহৰ মাজত সংযোগ সুদৃঢ় কৰিব।

**আধাৰশিলা স্থাপন:** বাৰাণসী জংচন-পণ্ডিত দীন দয়াল উপাধ্যায় জংছন তৃতীয় আৰু চতুৰ্থ ৰে’লপথ প্ৰকল্প। গংগা নদীৰ ওপৰত ৰে’ল তথা পথ দলং নিৰ্মাণ। ইয়াৰ দ্বাৰা কাশী বিশ্বনাথ ধাম, ৰামনগৰ অঞ্চল, আৰু ৰাষ্ট্ৰীয় ঘাইপথ-১৯ লৈ যোৱাৰ সুবিধা উন্নত হ’ব, লগতে পূব উত্তৰ প্ৰদেশ আৰু বিহাৰৰ সৈতে ৰে’ল সংযোগ শক্তিশালী হ’ব।




*শ্ৰী কাশী বিশ্বনাথ মন্দিৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী।*

নতুন সপোন আৰু নতুন সুযোগৰ এক প্ৰৱেশদ্বাৰ। গংগা এক্সপ্ৰেছৱেই কেৱল উত্তৰ প্ৰদেশৰ এটা মূৰৰ সৈতে আনটো মূৰৰ সংযোগ স্থাপন কৰাই নহয়, বৰঞ্চ ই এন.চি.আৰ.ৰ অপৰিসীম সম্ভাৱনাসমূহকো ওচৰ চপাই আনিব। গংগা এক্সপ্ৰেছৱেত যে কেৱল যান-বাহনহে চলিব তেনে নহয়, ইয়াৰ কাষে কাষে বিভিন্ন নতুন নতুন ঔদ্যোগিক সুযোগৰো সূচনা হ'ব। এই উদ্দেশ্যেই হাৰদৈৰ দৰে আন জিলাসমূহতো ঔদ্যোগিক কৰিডৰ বিকশিত কৰা হৈছে। ইয়াৰ ফলত হাৰদৈ, শ্বাহজাহানপুৰ আৰু উন্নাওসহ ১২খন জিলালৈকে নতুন উদ্যোগ আগমন হ'ব। ফাৰ্মাচিউটিকেলআৰু বস্ত্ৰ শিল্পৰ দৰে বিভিন্ন খণ্ডৰ ক্লাষ্টাৰসমূহো ইয়াত গঢ় লৈ উঠিব।

ঔদ্যোগিক উন্নয়ন

উত্তৰ প্ৰদেশৰ ঔদ্যোগিক উন্নয়ন এতিয়া ভাৰতৰ কৌশলগত শক্তিলৈ ৰূপান্তৰিত হৈছে। দেশৰ দুটা প্ৰতিৰক্ষা কৰিডৰৰ ভিতৰত এটা উত্তৰ প্ৰদেশত অৱস্থিত। ডাঙৰ ডাঙৰ প্ৰতিৰক্ষা কোম্পানীসমূহে ইয়াত কল-কাৰখানা স্থাপন কৰিছে। বিশ্বজুৰি সমাদৃত ব্ৰাহ্মোছৰ (BrahMos) দৰে মিছাইলসমূহ উত্তৰ প্ৰদেশত নিৰ্মাণ কৰা হৈছে। প্ৰতিৰক্ষা সঁজুলি নিৰ্মাণৰ বাবে প্ৰয়োজনীয় সৰু সৰু অংশসমূহ এমএছএমই খণ্ডই যোগান ধৰিছে।●

## উন্নয়নৰ ঘাইপথ

### গংগা এক্সপ্ৰেছৱে সাজু হৈছে কৃষকক উন্নীত কৰিবলৈ, সংস্থাপন ব্যৱস্থা সম্প্ৰসাৰণ কৰিবলৈ

**৩৬,২৩০** কোটি টকাৰ হাৰদই জিলাত গংগা এক্সপ্ৰেছৱে উদ্বোধন

- ৫৯৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ৬ লেন এক্সপ্ৰেছৱে ৮ লেনলৈ সম্প্ৰসাৰণ কৰিব পাৰিব।
- এই এক্সপ্ৰেছৱে ১২খন জিলাৰ মাজেৰে পাৰ হৈ গৈছে: মিৰাট, বুলন্দচহৰ, হাপুৰ, আমৰোহা, সম্ভল, বদায়ুন, শ্বাহজাহানপুৰ, হাৰদই, উন্নাও, ৰায়বেৰেলী, প্ৰতাপগড় আৰু প্ৰয়াগৰাজ।
- এই ১২খন জিলাৰ প্ৰায় ২,৬৩৫ হেক্টৰ এলেকাত এটা সংহত উৎপাদন আৰু লজিষ্টিক কৰিডৰ বিকশিত কৰা হ'ব।
- কৃষকসকলে নগৰীয়া আৰু ৰপ্তানি বজাৰত পোনপটীয়া প্ৰৱেশাধিকাৰ লাভ কৰিব আৰু তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ বাবে উন্নত মূল্য লাভ কৰিব।
- সমগ্ৰ অঞ্চলটোত প্ৰত্যক্ষ আৰু পৰোক্ষ উভয় ধৰণৰ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হোৱা বাবে নতুন অৰ্থনৈতিক সম্ভাৱনা মুকলি হ'ব।
- এক্সপ্ৰেছৱেটো কাৰ্যক্ষম হোৱাৰ লগে লগে, মীৰাট আৰু প্ৰয়াগৰাজৰ মাজৰ বৰ্তমানৰ ভ্ৰমণৰ সময় ১০-১২ ঘণ্টাৰ পৰা প্ৰায় ৬ ঘণ্টালৈ হ্ৰাস পাব।
- শ্বাহজাহানপুৰ জিলাত এই এক্সপ্ৰেছৱেত ৩.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা জৰুৰীকালীন অৱতৰণৰ সুবিধা (এয়াৰষ্ট্ৰিপ) নিৰ্মাণ কৰা হৈছে।

### ৫,৩০০ কোটি টকাৰো অধিক মূল্যৰ ১১২ টাৰো অধিক প্ৰকল্পৰ আধাৰশিলা স্থাপন

- অম্ৰুত ২.০ (AMRUT 2.0) আঁচনিৰ অধীনত ১৩খন পয়ঃপ্ৰণালী আৰু পানী যোগান আঁচনি।
- শ্ৰী শিৱ প্ৰসাদ গুপ্তা সংমণ্ডল জিলা চিকিৎসালয়ত এখন ৫০০খন বিছনাযুক্ত মাল্টি-স্পেচিয়েলিটী হাস্পতাল।
- ভোজুবিৰ আৰু চিগ্ৰাত মাৰ্কেট কমপ্লেক্স (বজাৰ গৃহ) আৰু কাৰ্যালয় নিৰ্মাণৰ লগতে পুখুৰীসমূহৰ নবীকৰণ।
- ১৯৮খন বিছনাযুক্ত এখন চিকিৎসালয়ৰ পুনৰ নিৰ্মাণ আৰু ১০০খন বিছনাযুক্ত এটা আই.চি.ইউ. (ICU) ব্লক নিৰ্মাণ।
- আচি ঘাট, দশাশ্বমেধ ঘাট আৰু নমো ঘাটকে ধৰি মুখ্য ঘাটসমূহৰ পৰ্যটন সুবিধাসমূহৰ বিকাশ অন্তৰ্ভুক্ত কৰা হৈছে। পৌৰ নিগমৰ কাৰ্যালয় ভৱন, চৰকাৰী শিশু আশ্ৰয় গৃহ আৰু কিশোৰ ন্যায় পৰিষদৰ আধাৰশিলা স্থাপন।

**সামূহিক প্ৰকল্পৰ উদ্বোধনী**

- জল জীৱন অভিযানৰ অধীনত ৩০খন গ্ৰাম্য খোৱাপানী আঁচনি।
- চন্দ্ৰাৱতী ঘাটৰ পুনৰ উন্নয়ন; সাৰনাথৰ সমীপৰ সাৰংগনাথ মন্দিৰৰ পৰ্যটনৰ দিশৰ উন্নয়ন।
- কেন্দ্ৰীয় তিব্বতীয় অধ্যয়ন বিশ্ববিদ্যালয়ত ছোৱা ৰিগপা বিল্ডিং আৰু চিকিৎসালয়ৰ উদ্বোধনী।



# বিশ্ব পৰ্যটন আৰু সংস্কৃতিৰ কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে উত্তৰ-পূবে

বৰ্তমান সময়ত উত্তৰ-পূৰ্বাঞ্চলে 'নৱ ভাৰত'ৰ মনোভাৱক প্ৰতিফলিত কৰিছে- সেয়া হৈছে 'সবলীকৃত, সংযুক্ত আৰু ভৱিষ্যতৰ বাবে প্ৰস্তুত।' প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী চিন্তাৰ দ্বাৰা অনুপ্ৰাণিত হৈ এই অঞ্চলটো এটা সীমান্তৱৰ্তী এলেকাৰ পৰা এক অগ্ৰণী বিকাশৰ ইঞ্জিনলৈ ৰূপান্তৰিত হৈছে, যি আত্মবিশ্বাস আৰু প্ৰতিযোগিতাৰ প্ৰতীক হৈ পৰিছে। আন্তঃগাঁথনি, বিনিয়োগ, শাসন ব্যৱস্থা আৰু যুৱ প্ৰজন্মৰ অংশগ্ৰহণৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডসমূহত এই অঞ্চলে অভিলেখ সৃষ্টিকাৰী বিকাশ লাভ কৰিছে। এই গতিশীলতাক অধিক খৰতকীয়া কৰি তোলাৰ উদ্দেশ্য আগত ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৭ আৰু ২৮ এপ্ৰিলত ছিকিম ভ্ৰমণ কৰে। এই ভ্ৰমণকালত তেওঁ ৪,০০০ কোটি টকাৰো অধিক মূল্যৰ উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে...

প্ৰাকৃতিক অপৰূপ সৌন্দৰ্য্য, শান্তিপূৰ্ণ পৰিৱেশ আৰু আধ্যাত্মিক প্ৰশান্তিৰে ভৰপূৰ ছিকিম- যাক 'পূবৰ স্বৰ্গ' আৰু 'অৰ্কিডৰ বাগিচা' বুলি কোৱা হয়- সমগ্ৰ দেশৰ প্ৰকৃতিপ্ৰেমী পৰ্যটকৰ বাবে এক অন্যতম আকৰ্ষণীয় গন্তব্যস্থান। যি সময়ত ৰাজনৈতিক স্বাৰ্থৰ দ্বাৰা পৰিচালিত বিভাজনকাৰী শক্তিবোৰে ভাষিক উগ্ৰবাদ, আঞ্চলিকতাবাদ, সামাজিক স্তৰ বিন্যাস আৰু বৈষম্যৰ জৰিয়তে মতানৈক্যৰ বীজ সিঁচিবলৈ চেষ্টা কৰিছে, তেনে সময়ত ছিকিমে 'এক ভাৰত, শ্ৰেষ্ঠ ভাৰত' দৰ্শনৰ এক জীৱন্ত নিদৰ্শন হিচাপে থিয় দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই দুদিনীয়া ছিকিম ভ্ৰমণ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে, কিয়নো ইয়াৰ সংগতি আছে ৰাজ্যখনৰ স্বৰ্ণ জয়ন্তী বৰ্ষ অৰ্থাৎ ৰাজ্য হিচাপে স্বীকৃতি পোৱাৰ ৫০ সংখ্যক বৰ্ষপূৰ্তিৰ সৈতে জড়িত বৰ্ষ। এই ভ্ৰমণে ছিকিমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ দ্ৰুত আৰু বহনক্ষম উন্নয়নৰ প্ৰতি বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰৰ অটল দায়বদ্ধতাকো পুনৰ প্ৰতিপন্ন কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰাৰ দৰে, ছিকিম আৰু প্ৰকৃততে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল কেৱল দেশৰ এটা ভৌগোলিক অংশই নহয়; ই ভাৰতৰ 'অষ্টলক্ষ্মী'ক প্ৰতিনিধিত্ব কৰে। ফলস্বৰূপে, কেন্দ্ৰীয় চৰকাৰে যিদৰে নিজৰ 'এক্ট ইষ্ট' নীতি ৰূপায়ণত দৃঢ় হৈ আছে, একেদৰে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে 'এক্ট ফাষ্ট' অৰ্থাৎ ক্ষিপ্ৰতাৰে কাম কৰাৰ সংকল্পও গ্ৰহণ কৰিছে।

এই সংকল্পৰেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিকিম ৰাজ্য গঠনৰ ৫০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰে। ইয়াৰ লগতে তেওঁ আন্তঃগাঁথনি, সংযোগ, স্বাস্থ্যসেৱা, শিক্ষা, নগৰ উন্নয়ন, পৰিৱেশ আৰু পৰ্যটনকে ধৰি ৩০টাতকৈও অধিক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। যদিও ছিকিমে দেশৰ মুঠ ভৌগোলিক এলেকাৰ এক শতাংশতকৈও কম অংশ আগুৰি আছে, তথাপি ই দেশৰ ২৫ শতাংশতকৈও অধিক উদ্ভিদ বৈচিত্ৰ্যৰ আধাৰ। ৰাজ্যখনত প্ৰায় ৫০০ প্ৰজাতিৰ চৰাই, প্ৰায় ৭০০ প্ৰজাতিৰ পখিলা, ঘন বনাঞ্চল আৰু বিশাল কাঞ্চনজংঘা বিৰাজমান।

## সুচল হৈ পৰিব ছিকিমৰ জনসাধাৰণৰ জীৱন

**৩০** খন বিছনাযুক্ত এন আই টি দেওৱালিত ছোৰা ৰিগপা হাস্পতাল উদ্বোধন।

- ইয়াংগাঙত ছিকিম বিশ্ববিদ্যালয়ৰ স্থায়ী চৌহদ উদ্বোধন।
- চাকুঙত নেতাজী সুভাষ চন্দ্ৰ বসু বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ব্লক উদ্বোধন।
- গেংটকৰ ছ'চেইগাঙত হেলেন লেপচা মেডিকেল কলেজ উদ্বোধন।
- ডেণ্টাম, গ্যালশ্বিংত বৃত্তিমূলক কলেজ।
- গ্যাথাঙত আদৰ্শ আৱাসিক বিদ্যালয়।
- মংগন জিলাৰ মাংশিলাত মডেল ডিগ্ৰী কলেজ।

**১৬০** খন বিদ্যালয় ছিকিমৰ আই.টি. (IT) চালিত শৈক্ষিক আন্তঃগাঁথনি প্ৰকল্পৰ আৰম্ভণিৰ দ্বাৰা উপকৃত হ'ব।

- বীৰধাঙৰ পৰা কিচুডুমৰা হৈ নামচিলৈ সংযোগ কৰা পথটোৰ সম্প্ৰসাৰণ আৰু মেৰামতিকৰণ।
- গেংটকত বিদ্যুৎ সঞ্চালন আৰু বিতৰণ (T&D) নেটৱৰ্ক উন্নত কৰাৰ বাবে প্ৰকল্পটোৰ উন্নীতকৰণ আৰু নৱীকৰণ।
- লুমচেত জনসেৱা সচিবালয় (মিনি সচিবালয়) আৰু গেংটকত অসামৰিক সেৱা বিষয়া প্ৰতিষ্ঠান।
- লিংডিঙত ছিকিম নগৰীয়া গৰীব আৱাস যোজনাৰ উদ্বোধন, আৰক্ষী জোৱানসকলৰ বাবে বাসগৃহ আৰু এছ.এ.পি. (SAP) পাংথাঙত গ্ৰেড 'চি' কোৱাৰ্টাৰ নিৰ্মাণ।
- গেংটকৰ ৩ নং জ'নত ৰোৰো চু নদীৰ জৱিয়তে ৰাণী চু নদীৰ প্ৰদূষণ ৰোধ আঁচনিৰ উদ্বোধন।
- গেংটকৰ ৰিজ প্ৰিচিংক্ট (Ridge Precinct) পুনৰ উন্নয়নৰ উদ্বোধন; চোৰেঙৰ ডোডাকত পৰিৱেশ-পৰ্যটন আৰু তীৰ্থযাত্ৰা আন্তঃগাঁথনি; কৈলাস মানসৰোবৰ যাত্ৰাৰ সৈতে জড়িত আন্তঃগাঁথনি; আৰু নামফিংস্থিত কৃষ্ণ প্ৰণামী মঙ্গলধামত এটা তীৰ্থযাত্ৰী জিৰণি ঘৰ (যাত্ৰী নিৱাস)।
- ইফকো (IFFCO) সংসাধন প্ৰকল্পৰ উদ্বোধন, যিয়ে কৃষি-সংসাধন কাৰ্যকলাপত গতি প্ৰদান কৰিব।
- পাকিয়ং জিলাৰ ৰংপোৰ মাইনিঙত ইনডৰ ক্ৰিকেট সুবিধা উদ্বোধন।



*ছিকিমৰ যুৱক-যুৱতীৰ সৈতে ফুটবল খেলিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে*

## শক্তিশালী ভেটি স্থাপন

**১০০** খন বিছনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয়ৰ আধাৰশিলা নামছিত স্থাপন

- নামছি আৰু গেংটক জিলাক সংযোগ কৰি ছিৰৱানী আৰু নামনি চামদঙত তিস্তা নদীৰ ওপৰত দুখন 'হিল্ড ডাবল-লেন ষ্টীল আৰ্চ' দলঙৰ আধাৰশিলা স্থাপন।
- সদ্ভাৱ মণ্ডপৰ আধাৰশিলা স্থাপন।
- নদী প্ৰদূষণ হ্ৰাসৰ পদক্ষেপৰ অধীনত চিংটাম চহৰত নলা ব্যৱস্থা পুনৰ্নিৰ্মাণৰ বাবে আধাৰশিলা স্থাপন।
- ইকো-তীৰ্থযাত্ৰাৰ বাবে আধাৰশিলা স্থাপন।

এই কাৰণেই প্ৰতিগৰাকী ব্যক্তিয়ে বাৰে বাৰে ছিকিম ভ্ৰমণ কৰাৰ ইচ্ছা প্ৰকাশ কৰে।

ছিকিমৰ আটাইতকৈ ডাঙৰ শক্তি হৈছে ইয়াৰ পৰ্যটন অৰ্থনীতি। পৰ্যটন তেতিয়াহে বিকশিত হয় যেতিয়া এখন ৰাজ্যত উৎকৃষ্ট আন্তঃগাঁথনি থাকে; এই কাৰণেই বৰ্তমান ছিকিমৰ সংযোগ আৰু আন্তঃগাঁথনি উন্নত কৰাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। যোৱা কেইবছৰমানৰ ভিতৰত এই অঞ্চলত শ শ কিলোমিটাৰ ঘাইপথ নিৰ্মাণ কৰা হৈছে। প্ৰতিখন গাঁৱলৈ পথ নেটৱৰ্ক সম্প্ৰসাৰণৰ কাম দ্ৰুতগতিত আগবাঢ়িছে। বাগডোগ্ৰাক গেংটকৰ সৈতে সংযোগ কৰা এক্সপ্ৰেছৱে নিৰ্মাণেই হওক বা চেভক-ৰংপো ৰে'লপথেই হওক, এই প্ৰকল্পসমূহে ছিকিমক দেশৰ বাকী অংশৰ সৈতে সংযোগ কৰাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে কাম কৰিছে। ৰাজ্যখনৰ ভিতৰতো নতুন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হৈছে। চৰকাৰৰ এই পদক্ষেপসমূহে ছিকিম ভ্ৰমণ কৰা পৰ্যটকৰ সংখ্যা অধিক বৃদ্ধি কৰিব আৰু ফলস্বৰূপে স্থানীয় জনসাধাৰণৰ আয় বৃদ্ধিত সহায় কৰিব বুলি আশা কৰা হৈছে।

ভাৰত-নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তি



# ভাৰত-নিউজিলেণ্ড বাণিজ্য চুক্তি: শুল্কমুক্ত ৰপ্তানিৰ পথ প্ৰশস্ত

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত দীৰ্ঘদিনীয়া তথা বন্ধুত্বপূৰ্ণ সম্পৰ্ক বিৰাজমান। দুয়োখন দেশে কমনৱেলথ ঐতিহ্য, গণতান্ত্ৰিক পৰম্পৰা, আইনী ব্যৱস্থা আৰু ক্ৰীড়াৰ প্ৰতি এক উমৈহতীয়া আগ্ৰহ বহন কৰে। ৰাজনীতি, বাণিজ্য, প্ৰতিৰক্ষা, শিক্ষা, পৰ্যটন, সংস্কৃতি আৰু ক্ৰীড়াৰ দৰে বিভিন্ন ক্ষেত্ৰত দুয়োখন দেশৰ মাজত সহযোগিতা ধাৰাবাহিকভাৱে বৃদ্ধি পাইছে। এই সম্পৰ্কক অধিক সুদৃঢ় কৰি, ২০২৬ চনৰ ২৭ এপ্ৰিলত দুয়োখন দেশে নতুন দিল্লীত 'ভাৰত-নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তি'স্বাক্ষৰ কৰে। ইতিহাসত আটাইতকৈ দ্ৰুতগতিত সম্পন্ন হোৱা মুক্ত বাণিজ্য চুক্তিসমূহৰ ভিতৰত ই অন্যতম হিচাপে বিবেচিত হৈছে। এই মুক্ত বাণিজ্য চুক্তিয়ে (FTA) ভাৰতীয় ৰপ্তানিৰ ওপৰত থকা শুল্ক বিলোপ কৰিব, প্ৰায় ২০ বিলিয়ন ডলাৰৰ বিনিয়োগ আকৰ্ষণ কৰিব আৰু শিক্ষাৰ্থী তথা দক্ষ পেছাদাৰীসকলৰ বাবে সুযোগৰ পৰিসৰ লক্ষণীয়ভাৱে বৃদ্ধি কৰিব।

ভাৰতীয় অৰ্থব্যৱস্থাই ধাৰাবাহিকভাৱে নতুন উচ্চতা স্পৰ্শ কৰিছে আৰু ইয়াৰ ৰপ্তানি খণ্ডই নিয়মীয়াকৈ নতুন অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতৰ সামগ্ৰী আৰু সেৱাৰ ৰপ্তানি অভিলেখ সংখ্যক ৮৬০.০৯ বিলিয়ন মাৰ্কিন ডলাৰত উপনীত হৈছে, যিটো যোৱা বছৰৰ তুলনাত ৪.২২ শতাংশ বৃদ্ধিৰ সূচক। গোলকীয় বিশৃংখলতা স্বত্বেও ইঞ্জিনিয়াৰিং সামগ্ৰী, ইলেক্ট্ৰনিক্স, ফাৰ্মাচিউটিকেলচ, ৰাসায়নিক দ্ৰব্য, ৰত্ন আৰু অলংকাৰ আৰু কৃষিভিত্তিক সামগ্ৰীৰ দৰে খণ্ডসমূহে নিজৰ ৰপ্তানিৰ গতি সফলতাৰে বজাই ৰাখিছে। যোৱা কেইবছৰমানৰ ভিতৰত বিভিন্ন মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ হোৱাৰ ফলত ভাৰতীয় বজাৰৰ বিশ্বব্যাপী সম্প্ৰসাৰণেই এই সফলতাৰ মূল কাৰক হৈ পৰিছে। যোৱা ২৭ এপ্ৰিলত নতুন দিল্লীৰ ভাৰত মণ্ডপমত ভাৰতে নিউজিলেণ্ডৰ সৈতে এখন মুক্ত বাণিজ্য চুক্তিস্বাক্ষৰ কৰে; শেহতীয়া বছৰবোৰত উন্নত দেশসমূহৰ সৈতে ভাৰতে সম্পন্ন কৰা এয়া নৱমখন এনে ধৰণৰ চুক্তি। এই চুক্তিয়ে এক শক্তিশালী

> "এই আধুনিক আৰু সন্তুলিত চুক্তিয়ে দুয়োখন দেশৰ সামৰ্থ্যক কামত লগাই সামূহিক বৃদ্ধিত সহায় কৰিব। ই কৃষক, শিপিনী, যুৱপ্ৰজন্ম, উদ্যমী, মহিলা আৰু এমএছএমই সমূহৰ বাবে নতুন সুযোগৰ দুৱাৰ মুকলি কৰিব। কৃষি, উৎপাদন, প্ৰযুক্তি, শিক্ষা আৰু সেৱাৰ দৰে খণ্ডসমূহৰ বাবে গোলকীয় বজাৰত প্ৰৱেশৰ পথ প্ৰশস্ত হ'ব।"
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

অৰ্থনৈতিক অংশীদাৰিত্ব গঢ়ি তোলাৰ লগতে বিনিয়োগ বৃদ্ধি কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

ভাৰত-নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তিত কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল আৰু নিউজিলেণ্ডৰ বাণিজ্য আৰু বিনিয়োগ মন্ত্ৰী টড মেকলে'য়ে স্বাক্ষৰ কৰে। এই চুক্তিয়ে ভাৰতীয় ৰপ্তানিৰ ওপৰত থকা শুল্ক বিলোপ কৰিব, যাৰ ফলত শ্ৰম-নিবিড় খণ্ডসমূহ উৎসাহিত হ'ব। ইয়াৰ লগতে ই সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক শক্তিশালী কৰিব। একে সময়তে, এই চুক্তিয়ে কৃষি আৰু দুগ্ধ উৎপাদনৰ দৰে খণ্ডসমূহৰ বাবে সম্পূৰ্ণ সুৰক্ষা নিশ্চিত কৰে। এই চুক্তিয়ে শিক্ষাৰ্থী আৰু দক্ষ পেছাদাৰীসকলৰ বাবে সুযোগৰ পৰিসৰ বৃদ্ধি কৰিব। লগতে ই কৃষিভিত্তিক উৎপাদনশীলতা আৰু বিনিয়োগৰ প্ৰতিশ্ৰুতিসমূহক সহায় আগবঢ়াব। অনা-শুল্ক বাধাসমূহ আঁতৰাই এই মুক্ত বাণিজ্য চুক্তিয়ে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ভাৰতৰ কৌশলগত অৰ্থনৈতিক উপস্থিতিক অধিক শক্তিশালী কৰিব। তদুপৰি, এই চুক্তিখন ২০৪৭ চনৰ ভিতৰত 'বিকশিত ভাৰত'ৰ লক্ষ্যৰ প্ৰতি এক দূৰদৰ্শী দৃষ্টিভংগীৰ প্ৰমাণস্বৰূপ। ঘৰুৱা প্ৰক্ৰিয়াসমূহ সম্পূৰ্ণ হোৱাৰ পিছত আৰু দুয়োখন দেশৰ দ্বাৰা অনুমোদিত হোৱাৰ পাছত এই চুক্তি কাৰ্যকৰী হ'ব।

## নতুন সুযোগৰ উন্মেষ

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত এই চুক্তি স্বাক্ষৰিত হোৱাৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিয়া তেওঁৰ বাৰ্তাত উল্লেখ কৰে যে এয়া ভাৰতৰ গোলকীয় সম্পৰ্ক আৰু যৌথ সমৃদ্ধিৰ বাবে এক ঐতিহাসিক দিন। ভাৰত-নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তিৰ স্বাক্ষৰে আমাৰ ক্ৰমান্বয়ে সুদৃঢ় হোৱা অৰ্থনৈতিক সম্পৰ্ক, পাৰস্পৰিক বিশ্বাস আৰু উমৈহতীয়া লক্ষ্যসমূহক প্ৰতিফলিত কৰিছে। মই দুয়োখন দেশৰ জনসাধাৰণক-বিশেষকৈ যুৱপ্ৰজন্মক, যিসকল আমাৰ অৰ্থনীতিৰ প্ৰকৃত শক্তি-আন্তৰিক অভিনন্দন জনাইছো। এই আধুনিক আৰু সন্তুলিত চুক্তিয়ে দুয়োখন দেশৰ স্বকীয় সামৰ্থ্যক কামত লগাই সামূহিক বৃদ্ধিত উদগনি যোগাব। ই কৃষক, শিপিনী, যুৱক-যুৱতী, উদ্যমী, মহিলা আৰু এমএছএমইসমূহৰ বাবে নতুন সুযোগৰ দুৱাৰ মুকলি কৰিব। কৃষি, উৎপাদন, প্ৰযুক্তি, শিক্ষা আৰু সেৱাৰ দৰে খণ্ডসমূহৰ বাবে গোলকীয় বজাৰত প্ৰৱেশৰ পৰিসৰ বৃদ্ধি পাব। কৃষি উৎপাদনশীলতাৰ অংশীদাৰিত্ব আৰু 'চেণ্টাৰ অফ এক্সেলেন্স'ৰ জৰিয়তে নিউজিলেণ্ডৰ আধুনিক কৃষি বিশেষজ্ঞতাক ভাৰতৰ অগ্ৰাধিকাৰসমূহৰ সৈতে একত্ৰিত কৰা হ'ব। ইয়াৰ ফলত উৎপাদনশীলতা, আন্তঃগাঁথনি আৰু কৃষকৰ আয়ৰ উন্নতি হ'ব। যোৱা এটা দশকত ভাৰতে নিজকে গোলকীয় উৎপাদন যোগান শৃংখলৰ এক মুখ্য কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ সক্ৰিয়ভাৱে কাম কৰি আহিছে। এই চুক্তিয়ে দক্ষতা, প্ৰতিভা আৰু গতিশীলতাৰ গুৰুত্বক স্বীকৃতি দিছে। ফলস্বৰূপে, ই দক্ষ পেছাদাৰী, যুৱক-যুৱতী আৰু শিক্ষাৰ্থীসকলৰ বাবে অধিক সুযোগ সৃষ্টি কৰিব। শেষত, এই চুক্তিয়ে দুয়োখন দেশৰ পৰম্পৰাগত জ্ঞান ব্যৱস্থা-যেনে জৈৱিক সামগ্ৰী, আয়ুষ আৰু যোগক বিশ্বজুৰি স্বীকৃতি প্ৰদান কৰিব, যাৰ ফলত আমাৰ চহকী পৰম্পৰাৰ সৈতে ভৱিষ্যতৰ সুযোগসমূহৰ এক যোগসূত্ৰ স্থাপন হ'ব। দুয়োখন দেশে নিজৰ শক্তি একত্ৰিত কৰি এক শক্তিশালী যোগান শৃংখল গঢ়ি তুলিব আৰু সুলভ তথা প্ৰতিযোগিতামূলক সামগ্ৰী তথা সেৱা উৎপাদন কৰিব। ইয়াৰ ফলত বিকাশৰ নতুন পথ মুকলি হ'ব।

### বৰ্ধিত বাণিজ্য চুক্তি

২০২৪ বৰ্ষত ভাৰত আৰু নিউজিলেণ্ডৰ মাজত সামগ্ৰী আৰু সেৱাৰ বাণিজ্য **২.৪** বিলিয়ন মাৰ্কিন ডলাৰত উপনীত

২০২৪-২৫ বিত্তীয় বৰ্ষত দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সামগ্ৰীৰ বাণিজ্যৰ পৰিমাণ আছিল ১.৩ বিলিয়ন মাৰ্কিন ডলাৰ। এই পৰিমাণ বিগত বৰ্ষৰ তুলনাত ৪৯ শতাংশ বৃদ্ধিৰ ইংগিত দিয়ে। এই মুক্ত বাণিজ্য চুক্তিৰ পাছত বাণিজ্যৰ পৰিমাণ অধিক বৃদ্ধি পাব বুলি আশা কৰা হৈছে।



### জৈৱিক সামগ্ৰীৰ ব্যৱসায় বৃদ্ধি

পাৰস্পৰিক স্বীকৃতি চুক্তিৰ জৰিয়তে জৈৱিক সামগ্ৰীৰ বাণিজ্যই এক বিশেষ গতি লাভ কৰিব। প্ৰাৰম্ভিক পৰ্যায়ত, এক পাৰস্পৰিক স্বীকৃতি ব্যৱস্থা কাৰ্যকৰী কৰা হ'ব। এই MRA কাৰ্যকৰী হোৱাৰ পাছত বাচমতী চাউল, ফ্লাস্কছীড, আৰাবিকা চেৰী বা কফি, ইছাবগোল, চয়াবিন তেলৰ কেক আৰু জৈৱিক ক'লা চাহৰ দৰে সামগ্ৰীৰ চাহিদা বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

## জনসম্পৰ্ক অধিক সুদৃঢ় কৰাৰ প্ৰতিশ্ৰুতি

চুক্তিখনৰ পাছত দিয়া এক বাৰ্তাত নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনে ইয়াক এক যুগান্তকাৰী চুক্তি বুলি অভিহিত কৰিছে। তেওঁ উল্লেখ কৰে যে এই চুক্তিয়ে নিউজিলেণ্ডৰ ৰপ্তানিকাৰীসকলক ভাৰতৰ ১৪০ কোটি জনসংখ্যাৰ বিশাল বজাৰত ব্যাপক প্ৰৱেশাধিকাৰ প্ৰদান কৰিব। ইয়াৰ ফলত

## ভাৰতে বিগত ৬ বছৰত সম্পূৰ্ণ কৰিলে ৯খন মুক্ত বাণিজ্য চুক্তি



ভাৰত-নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তি - এপ্ৰিল ২০২৬
আটাইতকৈ ক্ষিপ্ৰতাৰে মাত্ৰ ৯ মাহতে সম্পন্ন হ'ল মুক্ত বাণিজ্য চুক্তি

ভাৰত-আমেৰিকাৰ অন্তৰ্ৱৰ্তীকালীন বাণিজ্য পৰিকাঠামো - ফেব্ৰুৱাৰী ২০২৬
ভাৰত আৰু আমেৰিকাৰ মাজত এক ব্যাপক বাণিজ্যিক চুক্তিৰ দিশত এখোজ।

ভাৰত - ইউৰোপিয়ান ইউনিয়ন মুক্ত বাণিজ্য চুক্তি - জানুৱাৰী ২০২৬
ইউৰোপীয় ইউনিয়নৰ ২৭খন সদস্য ৰাষ্ট্ৰক সামৰি লোৱা বৃহত্তম বাণিজ্য চুক্তি।

ভাৰত-ওমান ব্যাপক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি - ডিচেম্বৰ ২০২৫
উপসাগৰীয় সহযোগিতা পৰিষদৰ অন্তৰ্গত দেশসমূহৰ ভিতৰত এই চুক্তিখনেই আটাইতকৈ বেছি সামগ্ৰীৰ ওপৰত শুল্ক ৰেহাই প্ৰদান কৰিছে।

ভাৰত - ব্ৰিটেইন ব্যাপক অৰ্থনৈতিক বাণিজ্য চুক্তি - জুলাই ২০২৫
ভাৰতৰ ৯৯ শতাংশ ৰপ্তানি সামগ্ৰীৰ বাবে শুল্কমুক্ত প্ৰৱেশৰ সুবিধা

ভাৰত-ইএফটিএ বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি - মাৰ্চ ২০২৪ৰ পৰা অক্টোবৰ ২০২৫
১০০ বিলিয়ন ডলাৰৰ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ প্ৰতিশ্ৰুতি সম্বলিত এক ঐতিহাসিক চুক্তি

ভাৰত-অষ্ট্ৰেলিয়া অৰ্থনৈতিক সহযোগিতা আৰু বাণিজ্য চুক্তি - ডিচেম্বৰ ২০২২
১০০ শতাংশ শুল্ক বিলুপ্তিৰ ব্যৱস্থা থকা ভাৰতৰ প্ৰথমখন চুক্তি।

ভাৰত-ইউএইব্যাপক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি - মে' ২০২২
২০২৪-২৫ বিত্তীয় বৰ্ষত দ্বিপাক্ষিক বাণিজ্যই ১০০ বিলিয়ন ডলাৰৰ সীমা অতিক্ৰম কৰিছে।

ভাৰত-মৰিচাছ ব্যাপক অৰ্থনৈতিক সহযোগিতা আৰু অংশীদাৰিত্ব চুক্তি - ২০২১
আফ্ৰিকা মহাদেশৰ কোনো এখন দেশৰ সৈতে ভাৰতৰ এয়া প্ৰথমখন বাণিজ্য চুক্তি।

বজাৰৰ পৰিসৰ বৃদ্ধি পাব, ৰপ্তানি বৃদ্ধি পাব আৰু কৃষিৰ দৰে খণ্ডত সহযোগিতা গঢ়ি তোলাটো সম্ভৱ হ'ব। আনহাতে, নিউজিলেণ্ডৰ বাণিজ্য আৰু বিনিয়োগ মন্ত্ৰী টড মেকলে'য়ে কয় যে নিউজিলেণ্ডৰ জনসংখ্যাৰ প্ৰায় ৬ শতাংশ লোকৰ শিপা ভাৰতৰ সৈতে জড়িত। ভাৰতীয় প্ৰব্ৰজনকাৰীসকলে বিভিন্ন ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। বিশ্বব্যাপী আৰু আঞ্চলিক পৰিস্থিতিৰ পৰিৱৰ্তনৰ সময়ত এই চুক্তিখন সম্পন্ন কৰা হৈছে, য'ত নিৰ্ভৰযোগ্য অংশীদাৰিত্ব অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। নিউজিলেণ্ডে আঞ্চলিক স্থিৰতা, অৰ্থনৈতিক স্থিতিস্থাপকতা আৰু সামূহিক সমৃদ্ধিৰ ক্ষেত্ৰত ভাৰতক এক প্ৰধান অংশীদাৰ হিচাপে গণ্য কৰে।

### ভাৰত - নিউজিলেণ্ডৰ মুক্ত বাণিজ্য চুক্তি চূড়ান্ত হ'ল ন মাহত

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনৰ মাজত অনুষ্ঠিত দ্বিপাক্ষিক বৈঠকৰ প্ৰাকমুহূৰ্তত, ২০২৫ চনৰ ১৬ মাৰ্চৰপৰা এই মুক্ত বাণিজ্য চুক্তিৰ আনুষ্ঠানিক আলোচনা সম্পন্ন হয়। পাঁচলানি আনুষ্ঠানিক আলোচনা আৰু কেইবাখনো অন্তৰ্ৱৰ্তীকালীন বৈঠকৰ অন্তত, ২০২৫ চনৰ ২২ ডিচেম্বৰত দুয়ো পক্ষই সহমতত উপনীত হয়। কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে


## চুক্তিখনৰ মুখ্য দিশসমূহ



ভাৰতৰ কৃষি, উৎপাদন খণ্ড, আন্তঃগাঁথনি উন্নয়ন, ষ্টাৰ্ট-আপ, উদ্ভাৱন আৰু উদীয়মান প্ৰযুক্তিৰ উত্তৰণৰ বাবে নিউজিলেণ্ডৰ পৰা **২০ বিলিয়ন** আমেৰিকান ডলাৰৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি

- নিউজিলেণ্ডে বৰ্তমানলৈকে ইয়াৰ আটাইতকৈ ব্যাপক বজাৰ প্ৰৱেশাধিকাৰ আৰু সেৱা পেকেজ আগবঢ়াইছে। ই দক্ষ পেছাদাৰী, ষ্টাৰ্ট-আপ আৰু সেৱা-ভিত্তিক উদ্যোগসমূহৰ বাবে উচ্চ-মূল্যৰ সুযোগ মুকলি কৰিব। নিউজিলেণ্ডে ১১৮টা সেৱা খণ্ডত বজাৰ প্ৰৱেশাধিকাৰ প্ৰদান কৰাৰ লগতে ১৩৯টা উপ-খণ্ডত 'মষ্ট ফেভাৰ্ড নেচন' প্ৰতিশ্ৰুতিও প্ৰসাৰিত কৰিছে।
- নিউজিলেণ্ডলৈ ভাৰতৰ ৰপ্তানি হোৱা ১০০ শতাংশ সামগ্ৰীয়েই শুল্কমুক্ত প্ৰৱেশাধিকাৰ লাভ কৰিব। ইয়াৰ ভিতৰত সকলোবোৰ শুল্ক সীমা অন্তৰ্ভুক্ত হ'ব। বস্ত্ৰশিল্প, চামৰা, জোতা-চেণ্ডেল, অভিযান্ত্ৰিক সামগ্ৰী আৰু সংসাধিত খাদ্যৰ দৰে শ্ৰমভিত্তিক খণ্ডসমূহ ইয়াৰ দ্বাৰা বিশেষভাৱে শক্তিশালী হ'ব।
- নিউজিলেণ্ডৰ অন্যান্য বাণিজ্যিক অংশীদাৰসকলৰ সৈতে কৰা ব্যৱহাৰৰ দৰেই, ভাৰতীয় সামগ্ৰীসমূহে প্ৰৱেশৰ মুহূৰ্তৰ পৰাই শূন্য-শুল্ক বজাৰ প্ৰৱেশাধিকাৰ লাভ কৰিব; ইয়াৰ ফলত নিউজিলেণ্ডৰ বজাৰত এই সামগ্ৰীসমূহ সম্পূৰ্ণৰূপে প্ৰতিযোগিতামূলক হৈ থকাটো নিশ্চিত হ'ব আৰু সম-সুযোগ লাভ কৰিব।
- এই চুক্তিখনে ২০৪৭ চনৰ ভিতৰত এক "বিকশিত ভাৰত" গঢ়াৰ উদ্দেশ্য আগত ৰাখি ডিজাইন কৰা এটা "নতুন প্ৰজন্মৰ বাণিজ্য চুক্তি"ক প্ৰতিনিধিত্ব কৰে। শুল্ক, প্ৰতিভাৰ আগমণ, বিনিয়োগ আৰু কৃষি উৎপাদনশীলতা সম্পৰ্কীয় ব্যৱস্থাসমূহৰ জৰিয়তে ই যুৱক-যুৱতী, কৃষক, মহিলা, শিল্পী আৰু ক্ষুদ্ৰ তথা মজলীয়া উদ্যোগসমূহক শক্তিশালী কৰিব।
- ভাৰতে ইয়াৰ ৭০.০৩ শতাংশ শুল্ক সীমাৰ ওপৰত শুল্ক উদাৰীকৰণৰ প্ৰস্তাৱ আগবঢ়াইছে-যিয়ে দ্বিপাক্ষিক বাণিজ্য মূল্যৰ ৯৫ শতাংশ সামৰি লৈছে-আৰু একে সময়তে ভাৰতৰ স্পৰ্শকাতৰ খণ্ডসমূহক সুৰক্ষিত কৰিবলৈ ২৯.৯৭ শতাংশ শুল্ক সীমাক ইয়াৰ পৰা বাদ দিছে।

- সুৰক্ষিত ৰখাৰ স্বাৰ্থত বাদ দিয়া সামগ্ৰীসমূহ: কৃষক, গ্ৰাম্য অৰ্থনীতি আৰু থলুৱা উদ্যোগসমূহক সুৰক্ষিতকৰি ৰাখিবলৈ কিছুমান সামগ্ৰীক এই চুক্তিৰ পৰা বাদ দিয়া হৈছে। ইয়াৰ ভিতৰত আছে দুগ্ধজাত সামগ্ৰী, পশুৰ পৰা উৎপাদিত সামগ্ৰী (ছাগলী/ভেড়াৰ মাংসৰ বাহিৰে), কৃষি উৎপাদিত সামগ্ৰী (যেনে- পিয়াঁজ, বুট, মটৰ, মাকৈ, কাঠবাদাম ইত্যাদি), চেনি, কৃত্ৰিম মৌ আৰু প্ৰাণীজাত বা উদ্ভিদজাত তেল। এই তালিকাত অস্ত্ৰ-শস্ত্ৰ আৰু গোলা-বাৰুদ, ৰত্ন আৰু অলংকাৰ, তাম আৰু তামৰ পৰা নিৰ্মিত সামগ্ৰী, আৰু এলুমিনিয়াম তথা এলুমিনিয়াম ভিত্তিক সামগ্ৰীৰ লগতে আন কেইবাটাও সামগ্ৰী অন্তৰ্ভুক্ত কৰা হৈছে।




নিৰ্দিষ্ট শুল্ক সীমা তাৎক্ষণিকভাৱে বিলুপ্ত কৰা হ'ব; ইয়াৰ ভিতৰত আছে কাঠ, উণ, ছাগলী মাংস, চামৰা আৰু কেঁচা ছাল আদি।

- ইফালে, ৩৫.৬% সামগ্ৰীৰ ওপৰত আৰোপ কৰা শুল্ক ৩, ৫, ৭ আৰু ১০ বছৰৰ ভিতৰত পৰ্যায়ক্ৰমে উঠাই লোৱা হ'ব; ইয়াৰ ভিতৰত পেট্ৰ'লিয়াম তেল, মল্ট এক্সট্ৰেক্ট, উদ্ভিদজাত তেল, নিৰ্বাচিত বৈদ্যুতিক আৰু যান্ত্ৰিক যন্ত্ৰপাতি, পেপট'নছ আদি অন্তৰ্ভুক্ত।
- নিউজিলেণ্ডত অধ্যয়ন-পৰৱৰ্তী কৰ্ম ভিছা: পেছাদাৰী মাধ্যমৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ গতিশীলতাক প্ৰসাৰিত কৰা হ'ব। ইয়াৰ কোনো নিৰ্দিষ্ট সংখ্যাগত সীমা নাই। বিজ্ঞান, প্ৰযুক্তি, অভিযান্ত্ৰিক আৰু গণিত বিভাগত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীক ৩ বছৰ পৰ্যন্ত অধ্যয়ন-পৰৱৰ্তী কাম কৰাৰ অধিকাৰ প্ৰদান কৰা হ'ব, আনহাতে ডক্টৰেট গৱেষকসকলে ৪ বছৰ পৰ্যন্ত এনে অধিকাৰ লাভ কৰিব।

**ভাৰতীয় পেছাদাৰীসকলৰ বাবে ৫,০০০ 'অস্থায়ী নিয়োগ প্ৰৱেশ ভিছা'ৰ এক বিশেষ কোটা।**

- কৃষি উৎপাদনশীলতাৰ অংশীদাৰিত্ব আৰু আপেল, কিৱিফল আৰু মানুকা মৌৰ বাবে 'উৎকৰ্ষ কেন্দ্ৰ' স্থাপন কৰা হ'ব, যাতে উৎপাদনশীলতা বৃদ্ধি কৰিব পৰা যায়, কৃষকৰ উপাৰ্জন বৃদ্ধি হয় আৰু জ্ঞানৰ আদান-প্ৰদান সহজসাধ্য হয়।
- কৃষি উৎপাদনশীলতাৰ সহযোগিতাৰ লগতে কোটা আৰু ন্যূনতম আমদানি মূল্য সম্বলিত নিয়ন্ত্ৰিত বজাৰ প্ৰৱেশ প্ৰণালীৰ জৰিয়তে থলুৱা উৎপাদকসকলৰ সুৰক্ষা নিশ্চিত কৰা হ'ব।

**পৰিদৰ্শনৰ স্বীকৃতি**

সুলভ মূল্যৰ ঔষধৰ এক নিৰ্ভৰযোগ্য যোগান ধৰোঁতা হিচাপে ভাৰতৰ স্থিতি শক্তিশালী কৰিবলৈ, এই ব্যৱস্থাসমূহৰ ভিতৰত ঔষধআৰু চিকিৎসা সঁজুলিৰ বাবে শূন্য শুল্ক আৰু দ্ৰুত অনুমোদন অন্তৰ্ভুক্ত কৰা হৈছে; ইয়াৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰ, ইউৰোপীয় ইউনিয়ন, ব্ৰিটেইন আৰু কানাডাৰ নিয়ন্ত্ৰক সংস্থাসমূহৰ দ্বাৰা কৰা পৰিদৰ্শনক স্বীকৃতি প্ৰদান কৰা হৈছে।



উল্লেখ কৰিছে যে ভাৰত-নিউজিলেণ্ডৰ এই মুক্ত বাণিজ্য চুক্তি মাত্ৰন মাহৰ ভিতৰতে চূড়ান্ত কৰা হৈছে। কোনো উন্নত দেশৰ সৈতে ভাৰতে স্বাক্ষৰ কৰা এয়া আটাইতকৈ দ্ৰুতগতিত সমাপ্ত হোৱা মুক্ত বাণিজ্য চুক্তিসমূহৰ ভিতৰত অন্যতম। এই চুক্তিয়ে উন্নত অৰ্থনীতিসমূহৰ সৈতে ভাৰতৰ বৰ্ধিত সম্পৰ্কৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত হৈছে, যিয়ে 'বিকশিত ভাৰত ২০৪৭'-ৰ লক্ষ্যৰ সৈতে সংগতি ৰাখিছে। যোৱা চাৰে তিনি বছৰত ভাৰতে ইয়াৰ সপ্তমখন মুক্ত বাণিজ্য চুক্তি চূড়ান্ত কৰিছে। সৰ্বমুঠ ভাৰতে এতিয়ালৈকে ৯খন মুক্ত বাণিজ্য চুক্তি চূড়ান্ত কৰিছে, যিয়ে ৩৮খন উন্নত অৰ্থনীতিৰ দেশক সামৰি ল'ব। সামূহিকভাৱে এই চুক্তিসমূহে বিশ্বৰ মুঠ ঘৰুৱা উৎপাদনৰ প্ৰায় ৬৫ৰ পৰা ৭০ শতাংশ সামৰি ল'ব।



# ভাৰত

## বিশ্ব অৰ্থনীতিৰ এটা মূল স্তম্ভ

ভাৰত আৰু কোৰিয়াৰ মাজত হাজাৰ হাজাৰ বছৰ পুৰণি সাংস্কৃতিক সম্পৰ্ক আছে। দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক এক নতুন দিশ প্ৰদান কৰাৰ লক্ষ্যৰে কোৰিয়াৰ ৰাষ্ট্ৰপতি লী জা-মিউঙে ১৯ৰ পৰা ২১ এপ্ৰিললৈ ভাৰত ভ্ৰমণ কৰে। এই ভ্ৰমণৰ সময়ত জাহাজ নিৰ্মাণ, সামুদ্ৰিক লজিষ্টিকছ আৰু পৰিৱেশকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত দুয়োখন দেশৰ মাজত বুজাবুজি হয় আৰু একেলগে আগবাঢ়ি যোৱাৰ সিদ্ধান্ত লোৱা হয়।

আঠ বছৰৰ বিৰতিৰ পাছত কোৰিয়াৰ ৰাষ্ট্ৰপতিৰ এই ভাৰত ভ্ৰমণ আছিল ৰাষ্ট্ৰপতি লী জা-মিঙৰ দেশখনলৈ প্ৰথমটো ভ্ৰমণ। ভ্ৰমণকালত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে যে গণতান্ত্ৰিক মূল্যবোধ, বজাৰ অৰ্থনীতি আৰু আইনৰ শাসনৰ প্ৰতি সন্মান- এই সকলোবোৰ দুয়োখন দেশৰ অন্তৰাত্মাত নিহিত হৈ আছে। ইণ্ডো-পেচিফিক অঞ্চলৰ ক্ষেত্ৰতো দুয়োখন দেশৰ উমৈহতীয়া স্বাৰ্থ জড়িত হৈ আছে। এই ভেটিৰ ওপৰত ভিত্তি কৰি, যোৱা এটা দশকত দুয়োখন দেশৰ সম্পৰ্ক অধিক গতিশীল আৰু ব্যাপক হৈ উঠিছে। কোৰিয়াৰ ৰাষ্ট্ৰপতিৰ এই ভ্ৰমণৰ জৰিয়তে, এই বিশ্বস্ত অংশীদাৰিত্ব এতিয়া এক ভৱিষ্যমুখী অংশীদাৰিত্বলৈ ৰূপান্তৰিত হ'বলৈ সাজু হৈছে। চিপছৰ পৰা জাহাজলৈ, প্ৰতিভাৰ পৰা প্ৰযুক্তিলৈ, আৰু পৰিৱেশৰ পৰা শক্তি খণ্ডলৈ- প্ৰতিটো ক্ষেত্ৰতে সহযোগিতাৰ নতুন সুযোগসমূহ বাস্তৱায়িত কৰা হ'ব।

কোৰিয়াৰ ৰাষ্ট্ৰপতি লী জা-মিউঙে মন্তব্য কৰে যে বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতি আৰু ১৪০ কোটি জনসংখ্যাৰ দেশ ভাৰত বিশ্ব অৰ্থনীতিৰ এক অন্যতম মূল স্তম্ভ। ভাৰত আৰু কোৰিয়াৰ মাজত দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণ বৰ্তমান ২৭ বিলিয়ন ডলাৰত উপনীত হৈছে

## বুজাবুজিৰ চুক্তিপত্ৰ

- বন্দৰ খণ্ডত সহযোগিতা।
- ঔদ্যোগিক সহযোগিতা সমিতি গঠন।
- তীখা যোগান শৃংখলৰ বাবে প্ৰযুক্তি আৰু বাণিজ্যৰ ক্ষেত্ৰত সহযোগিতা।
- ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডত সহযোগিতা।
- সামুদ্ৰিক ঐতিহ্যৰ ক্ষেত্ৰত সহযোগিতা।
- এনপিচিআই ইণ্টাৰনেশ্যনেল পেমেণ্টছ লিমিটেড আৰু কোৰিয়া ফাইনেন্সিয়েল টেলিকমিউনিকেচন এণ্ড ক্লিয়াৰিং ইনষ্টিটিউট (কেএফটিচি)ৰ মাজত চুক্তি।
- বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতা।
- ভাৰত-কোৰিয়া ডিজিটেল অংশীদাৰিত্বৰ কাঠামো।
- জলবায়ু আৰু পৰিৱেশৰ ক্ষেত্ৰত সহযোগিতা।
- ২০২৬-২০৩০ চনৰ বাবে ভাৰত আৰু দক্ষিণ কোৰিয়াৰ মাজত সাংস্কৃতিক আদান-প্ৰদান।
- সাংস্কৃতিক আৰু সৃষ্টিশীল উদ্যোগত সহযোগিতা।
- ক্ৰীড়া খণ্ডত সহযোগিতা।




## ঘোষণাবোৰ...

- অৰ্থনৈতিক নিৰাপত্তাৰ আলোচনা আৰম্ভ।
- এটা বিশিষ্ট দৰ্শক কাৰ্যসূচী (ডিভিপি) স্থাপন।
- জলবায়ু পৰিৱৰ্তন, আৰ্কটিক, আৰু সামুদ্ৰিক সহযোগিতাকে ধৰি বিশ্বব্যাপী বিষয়বস্তুৰ ওপৰত দুয়োটা বৈদেশিক মন্ত্ৰালয়ৰ মাজত আলোচনা আৰম্ভ কৰা।
- ভাৰত-প্ৰশান্ত মহাসাগৰীয় পদক্ষেপ (আই পি অ' আই)ত দক্ষিণ কোৰিয়াৰ অংশগ্ৰহণ।
- আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰতাত দক্ষিণ কোৰিয়াৰ অংশগ্ৰহণ, আৰু গ্ল'বেল গ্ৰীণ গ্ৰ'থ ইনষ্টিটিউট (জিজিজিআই)ত ভাৰতৰ সদস্যপদ।
- ২০২৮-২৯ বৰ্ষ ভাৰত-দক্ষিণ কোৰিয়া বন্ধুত্ব বৰ্ষ হিচাপে পালন।

## মুখ্য দিশসমূহ...


- বাণিজ্যিক সহযোগিতাৰ সুবিধাৰ বাবে এখন ঔদ্যোগিক সহযোগিতা সমিতি গঠন কৰা হৈছে।
- কোৰিয়াৰ কোম্পানী বিশেষকৈ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ (এছএমই) ভাৰতত প্ৰৱেশৰ সুবিধাৰ বাবে কোৰিয়াৰ ঔদ্যোগিক টাউনশ্বিপ স্থাপন কৰা হ'ব।
- অহা বছৰৰ ভিতৰত দুয়োখন দেশৰ মাজত বাণিজ্যিক চুক্তি উন্নীত কৰা হ'ব।
- ২০২৮ চনত ভাৰতত ভাৰত-কোৰিয়া বন্ধুত্ব মহোৎসৱৰ আয়োজন কৰা হ'ব।
- মানুহ-জনগোষ্ঠীৰ সম্পৰ্ক শক্তিশালী কৰিবলৈ শিক্ষা, গৱেষণা সহযোগিতা, আৰু পৰ্যটনক প্ৰসাৰিত কৰা হ'ব।



আৰু ২০৩০ বৰ্ষৰ ভিতৰত এই পৰিমাণ ৫০ বিলিয়ন ডলাৰৰ ওপৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তদুপৰি, দুয়োখন দেশৰ মাজত অৰ্থনৈতিক সম্পৰ্ক সহজসাধ্য কৰিবলৈ 'ভাৰত-কোৰিয়া বিত্তীয় মঞ্চ'ৰ শুভাৰম্ভ কৰা হৈছে।

# যিয়ে কথক নৃত্যক দিলে এক নতুন মাত্ৰা

কথকৰ পৰম্পৰাগত পৰিসীমা অতিক্ৰম কৰি কুমুদিনী লাখিয়াই ইয়াক এক নতুন ৰূপ আৰু দিশ প্ৰদান কৰিছিল আৰু ইয়াৰ বাবেই তেওঁ নিজৰ জীৱন উৎসৰ্গা কৰিছিল। তেওঁ কেৱল কথক শিকাই নাছিল, বৰঞ্চ ইয়াক অহৰহ চৰ্চা কৰিছিল। সেইবাবেই তেওঁৰ নাম এতিয়া কথকৰ সমাৰ্থক হিচাপে গণ্য কৰা হয়। নিজৰ কল্পনাশক্তি আৰু অভিনৱ উপস্থাপনৰ জৰিয়তে তেওঁ কথক নৃত্যক এক নতুন মাত্ৰা প্ৰদান কৰিছিল। তেওঁক ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ এগৰাকী মহান বিশাৰদ হিচাপে গণ্য কৰা হয়, যিয়ে এক চহকী আৰু চিৰস্থায়ী উত্তৰাধিকাৰ এৰি থৈ গৈছে...




জন্ম: ১৯৩০ চনৰ ১৭ মে’। মৃত্যু: ১২ এপ্ৰিল, ২০২৫

ভাৰতৰ প্ৰখ্যাত নৃত্যশিল্পী তথা কথক নৃত্যক এক নতুন দিশ আৰু মাত্ৰা প্ৰদান কৰা দূৰদৰ্শী কুমুদিনী লাখিয়াৰ জন্ম হৈছিল ১৯৩০ চনৰ ১৭ মে’ত গুজৰাটৰ আহমেদাবাদত। শৈশৱৰে পৰাই তেওঁৰ কলাৰ প্ৰতি অপৰিসীম ধাউতি আছিল। তাৰ পৰিণতিস্বৰূপেই, সাত বছৰ বয়সতে তেওঁ কথকৰ প্ৰশিক্ষণ আৰম্ভ কৰে আৰু এই ক্ষেত্ৰখনৰ এগৰাকী অগ্ৰণী শিল্পী হোৱাৰ পথত অগ্ৰসৰ হয়। ১৯৬০-ৰ দশকত কথক নৃত্যক কেৱল একক নৃত্যৰ মাজতে আৱদ্ধ নাৰাখি ইয়াক দলীয় নৃত্য হিচাপেও গঢ়ি তুলি এক বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ সক্ষম হোৱাৰ কৃতিত্ব তেওঁক দিয়া হয়। তদুপৰি, নৃত্যৰ উপস্থাপনত সমসাময়িক আখ্যানসমূহ অন্তৰ্ভুক্ত কৰাৰ দৰে অভিনৱ শৈলীৰ সূচনা কৰি তেওঁ কথক নৃত্যক পুনৰুজ্জীৱিত কৰি তুলিছিল।

কথক নৃত্যক মঞ্চত এক নতুন ৰূপ, দৰ্শন আৰু নান্দনিকতা প্ৰদান কৰা কুমুদিনী লাখিয়াই ১৯৬৪ চনত আহমেদাবাদত ভাৰতীয় নৃত্য আৰু সংগীতৰ প্ৰতি উৎসৰ্গিত এখন অনুষ্ঠান ‘কদম্ব স্কুল অফ ডান্স এণ্ড মিউজিক’ প্ৰতিষ্ঠা কৰিছিল। এই অনুষ্ঠানটোৰে ইয়াৰ সম্পূৰ্ণ গুৰুত্ব আৰু দূৰদৰ্শিতা কথকৰ কৌশল, শব্দাৱলী আৰু উপস্থাপন শৈলীৰ বিকাশৰ দিশত নিয়োজিত কৰিছিল। এই অনুষ্ঠানটোৰ জৰিয়তে তেওঁ অলেখ ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ আৰু পথ-প্ৰদৰ্শন কৰিছিল। অভিনৱ সমসাময়িক ব্যাখ্যাৰ জৰিয়তে তেওঁ কথকৰ পৰিৱেশনক এক সতেজ দৃষ্টিভংগী প্ৰদান কৰিছিল। এই কাৰণেই কথকৰ জগতত অভিনৱ পৰীক্ষা-নিৰীক্ষাৰ পথ প্ৰদৰ্শক হিচাপে তেওঁক সদায়েই কৃতিত্ব দিয়া হয়। তদুপৰি, তেওঁ হিন্দী ছবি ‘ওমৰাও জান’ৰ নৃত্য পৰিচালনাও কৰিছিল।

১৯৮৭ চনত ভাৰত চৰকাৰে তেওঁক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰে আৰু ইয়াৰ পিছত ২০১০ চনত তেওঁ পদ্মভূষণ লাভ কৰে। ২০২৫ চনত, কলাৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে তেওঁক মৰণোত্তৰভাৱে পদ্মবিভূষণ সন্মানেৰে সন্মানিত কৰে। উল্লেখ্য যে তেওঁৰ হৈ নাতিয়েকে এই বঁটা গ্ৰহণ কৰিছিল। প্ৰায় পয়সত্তৰ বছৰীয়া এক দীঘলীয়া আৰু সফল নৃত্য পৰিক্ৰমা জীৱনত তেওঁ ৫০ খনতকৈও অধিক দেশত নৃত্য প্ৰদৰ্শন কৰিছিল।

২০২৫ চনৰ ১২ এপ্ৰিলৰ পুৱা ৯৪ বছৰ বয়সত তেওঁৰ দেহাৱসান ঘটে। আহমেদাবাদৰ নিজ বাসগৃহত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, “এগৰাকী অসাধাৰণ সাংস্কৃতিক প্ৰতিভাধৰ হিচাপে নিজৰ চিহ্ন ৰাখি যোৱা কুমুদিনী লাখিয়াজীৰ বিয়োগত মই গভীৰভাৱে মৰ্মাহত হৈছো। কথক আৰু ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ প্ৰতি থকা তেওঁৰ আগ্ৰহ আৰু নিচা যোৱা কেইবাবছৰ ধৰি তেওঁৰ উল্লেখনীয় কামৰ মাজেৰে প্ৰতিফলিত হৈ আহিছে। এগৰাকী প্ৰকৃত পথ-প্ৰদৰ্শক হিচাপে তেওঁ বহু প্ৰজন্মৰ নৃত্যশিল্পীক গঢ় দি থৈ গৈছে। তেওঁৰ অৱদান সদায় শ্ৰদ্ধাৰে স্মৰণ কৰা হ’ব।”



# চাৰধাম যাত্ৰাৰ বাবে পাঁচটা সংকল্প

अग्निष्टोमादिभिर्यज्ञैरिष्ट्वा विपुलदक्षिणैः।
न तत्फलमवाप्नोति तीर्थाभिगमनेन यत् ॥

*ইয়াৰ অৰ্থ হ'ল... আমি ডাঙৰ ডাঙৰ যজ্ঞ আৰু দান-দক্ষিণা আদিৰ পৰা অপৰিসীম পুণ্য লাভ কৰোঁ। তথাপিও, তীৰ্থযাত্ৰাৰ পৰা আমি তাতোকৈ অধিক পুণ্য লাভ কৰোঁ।*

উত্তৰাখণ্ডৰ পবিত্ৰ দেৱভূমিত চাৰধাম যাত্ৰা আৰম্ভ হৈছে। বাবা কেদাৰৰ দৰ্শনক সাঙুৰি এই চাৰিখন পবিত্ৰ তীৰ্থস্থানলৈ কৰা এই যাত্ৰা ভাৰতৰ চিৰন্তন সাংস্কৃতিক চেতনাৰ এক মহোৎসৱ স্বৰূপ। এই তীৰ্থযাত্ৰাৰ পৰিপ্ৰেক্ষিতত, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীলৈ এক প্ৰেৰণাদায়ক পত্ৰ লিখিছে। তেওঁ দেশবাসীক "ডিজিটেল উপবাস পালন কৰিবলৈ" আৰু "প্ৰকৃতিৰ সৌন্দৰ্যক প্ৰকৃততে অনুভৱ কৰিবলৈ প্ৰয়াস কৰিবলৈ" আহ্বান জনাইছে। তেওঁ জনসাধাৰণক তলত উল্লেখ কৰা পাঁচটা সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে:

১ **স্বচ্ছতা সৰ্বোপৰি:** তীৰ্থস্থান আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহ চাফ-চিকুণ কৰি ৰাখক। নদীসমূহ প্ৰদূষণমুক্ত কৰি ৰখাত নিজৰ অৱদান আগবঢ়াওক।

২ **প্ৰকৃতি আৰু পৰিৱেশৰ প্ৰতি সংবেদনশীলতা:** পবিত্ৰ হিমালয়ৰ প্ৰতি সংবেদনশীল হৈ থাকক। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰি পৰিৱেশ সংৰক্ষণত সহায় কৰক।

৩ **সেৱা, সহযোগিতা আৰু সম্প্ৰীতি:** তীৰ্থযাত্ৰীসকলে প্ৰতিটো দিনতে আনৰ বাবে কোনো নহয় কোনো ধৰণে অন্ততঃ এটা হ'লেও সেৱামূলক কাম কৰাৰ সংকল্প লওক।

৪ **'ভোকেল ফৰ লোকেল'ৰ প্ৰসাৰ:** যাত্ৰাৰ সময়ত আপোনাৰ মুঠ খৰচৰ পাঁচ শতাংশ থলুৱা সামগ্ৰী ক্ৰয় কৰাৰ বাবে ব্যয় কৰক।

৫ **শৃংখলাবদ্ধতা, সুৰক্ষা আৰু সংযম পালন:** যাত্ৰা সুৰক্ষিত আৰু সুচাৰুৰূপে সম্পন্ন কৰিবলৈ তীৰ্থযাত্ৰাৰ নিয়মাৱলী আৰু যান-বাহনৰ নিৰ্দেশনাসমূহ দৃঢ়তাৰে পালন কৰক।

নিউ ইণ্ডিয়া **সমাচাৰ** পষেকীয়া

আৰ এন আই, **DELHIN/2020/78811,** ১৬-৩১ মে', ২০২৬
RNI পঞ্জীয়ন নং DELENG/2020/78811 (Publishing Date:30 April, 2026, Pages-42)

EDITOR IN CHIEF
Dhirendra Ojha
Principal Director General
Press Information Bureau, New Delhi

PUBLISHED:
Kanchan Prasad
Director General, on behalf of
Central Bureau Of Communication

PUBLISHED FROM:
Room No–278, Central Bureau Of Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003